## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

ষষ্ঠ বছৰ  ১১শ সংখ্যা

সূচী


| বিষয় | পিঠি |
| --- | --- |
| সম্পাদকৰ চৰা | ৫৬৭ |
| শ্ৰী শঙ্কৰদেৱ | ৫৬৯ |
| চিংফৌ | ৫৮৪ |
| ওমৰ বেন-অল খেতাব | ৫৯১ |
| আগৰ কথা | ৫৯৬ |
| পোৱামক্কা | ৫৯৭ |
| এনেকুৱাহে আমাৰ শাস্ত্ৰ | ৫৯৮ |
| আহোম সভাৰ দিনীয়া বিষয়াসকলৰ প্ৰস্তাৱ | ৬০২ |
| টেলিগ্ৰাফৰ উৎপত্তি কাহিনী | ৬০৪ |
| সংগ্ৰহ | ৬০৫ |
| সচাঁকথা অমৰ | ৬০৯ |
| মেঘৰ প্ৰতি বিৰহী যক্ষ | ৬১০ |
| জীৱন- মৰণ | ৬১১ |
| অনৰেবোল মানিকচন্দ্ৰ বৰুৱা | ৬১২ |
| "আদিচৰিত"ত অনিৰুদ্ধদেৱ | ৬১৩ |
| কিতাপ আলোচনী কাকত | ৬১৪ |
| সৰু ল'ৰাৰ গীত | ৬১৫ |


Nakul Chandra Bhuyan, Gauhati



## সম্পাদকৰ চৰা।

আমাৰ মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ ৰচিত প্ৰধান শাস্ত্ৰ কীৰ্ত্তনৰ আৰম্ভন কৰিছে—

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।<br>
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥"

কি প্ৰকৃত আৰম্ভন! এনে সুন্দৰ আৰম্ভন আন ধৰ্ম্মগ্ৰন্থত বা অন্য গ্ৰন্থত বিৰল। বেদ উপনিষদৰপৰা আৰম্ভ কৰি আজিৰ যি কোনো পৰাবিদ্যাৰ ধৰ্ম্মগ্ৰন্থ বা অপৰাবিদ্যাৰ গ্ৰন্থকে চোৱাঁ, দুশাৰী উজু কথাৰে পৃথিবীৰ সকলো সনাতন ধৰ্ম্মৰ তত্ত্ব এনেকৈ প্ৰথমতে প্ৰকাশ কৰ্তো নোপোৱাঁ; পঢ়ি চোৱাঁ, মিলাই চোৱাঁ, ভাবি চোৱাঁ, দেখিবা। ঋতীজৰ ঋগ্বেদ মেলা, "অগ্নিমীলে পুৰোহিতং" বুলি অগ্নিৰ বন্দনা পাবা, সিদিনাৰ ৰত্নমালা ব্যাকৰণ মেলা, "শ্ৰীনন্দসুনোৰ" বন্দনা পাবা, ইত্যাদি। অৱশ্যে আমি এনেকৈ নাই কোৱা যে পৰমব্ৰহ্মৰ conception সেইবোৰত নাই। আছে, নিশ্চয় আছে; কিন্তু শঙ্কৰদেৱৰ এই দুশাৰীৰ ভিতৰত, আঠোটা শব্দৰ ভিতৰত, কেন্দ্ৰৰপৰা আৰাবলী আৰু বৃত্তলৈকে সোপাই এইদৰে থকাটো আন কতো নেদেখা। কি grand conception আৰু সেই conception উজুকৈ প্ৰকাশ কৰিবৰ কি আশ্চৰ্য্য শক্তি শঙ্কৰদেৱৰ! শঙ্কৰদেৱে প্ৰথমেই সনাতন ব্ৰহ্মক প্ৰণাম কৰিছে, যি ব্ৰহ্ম নিজে অপৰিবৰ্ত্তনীয় আৰু চিৰন্তন, অথচ সেই ব্ৰহ্মই কেন্দ্ৰ আৰু সকলো অৱতাৰৰে কাৰণ হৈ সকলোৰে পৰিবৰ্ত্তন সাধন কৰিব লাগিছে। সকলোৰে কাৰণ ব্ৰহ্ম বুলি শঙ্কৰদেৱে উপনিষদৰ ব্ৰহ্মৰ ধাৰণা মনলৈ আনিলে—

"ওঁ য একোঽবৰ্ণোবহুধাশক্তিযোগাৎ<br>
বৰ্ণাননেকান্নিহিতাৰ্থোদধাতি।<br>
বিচৈতি চান্তে বিশ্বমাদৌ সদেবঃ<br>
স নো বুদ্ধ্যা শুভয়া সংযুনক্তু ॥"

অৰ্থাৎ যি এক আৰু বৰ্ণহীন; আৰু যি প্ৰাণীসকলৰ প্ৰয়োজন জানি বহুপ্ৰকাৰ শক্তিৰে বিবিধ কাম্য বস্তু বিধান কৰিছে, সমুদায় ব্ৰহ্মাণ্ড আদ্যন্ত

মধ্যত যি ব্যাপ্ত হৈ আছে, তেওঁ দীপ্যমান পৰমেশ্বৰ, তেওঁ আমাক শুভ বুদ্ধি প্ৰদান কৰক। আৰু শঙ্কৰদেৱৰ মনলৈ ধাৰণা আহিল—

"ওঁ যোদেৱোঽগ্নৌ যোঽপ্সু যো বিশ্বং ভুৱনমাবিৱেশ।
য ওষধিষু যোবনস্পতিষু তস্মৈ দেবায় নমোনমঃ॥"

অৰ্থাৎ যি দেৱতা অগ্নিত, যি পানীত. যি বিশ্বসংসাৰত প্ৰবিষ্ট হৈ আছে; যি ওষধিত, যি বনস্পতিত, সেই দেৱতাক বাৰে বাৰে নমস্কাৰ কৰোঁ।

আৰু ধাৰণা আহিল—"ওঁ সপৰ্য্যগাচ্ছুক্ৰমকায়মব্ৰণমস্নাবিৰং শুদ্ধমপাপবিদ্ধম।" অৰ্থাৎ তেওঁ সৰ্ব্বব্যাপী, নিৰ্ম্মল, নিৰবয়ৱ, শিৰা আৰু ব্ৰণৰহিত, শুদ্ধ অপাপবিদ্ধ।" "তদেৱ নিত্যং জ্ঞানমনন্তং শিৱং স্বতন্ত্ৰং নিৰবয়মেক মদ্বিতীয়ং"। কিন্তু ইয়াৰ লগে লগে তেওঁৰ মনলৈ ধাৰণা আহিল,—"ব্ৰহ্মৰূপী।" অৰ্থাৎ ব্ৰহ্ম যদিও নিৰাকাৰ, নিৰবয়ৱ, শিৰা আৰু ব্ৰণৰহিত, তথাপি তেওঁৰ ৰূপ নোহোৱা নহয়। ব্ৰহ্ম নিৰাকাৰ যেনেকৈ সাকাৰো তেনেকৈ। আমি সেই "যতোবাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসাসহ" জনক যেই মনত ধাৰণা কৰিলোঁ বা অনুভৱ কৰিলোঁ, যিমান কি চকামকাকৈ বা ক্ষুদ্ৰাতিক্ষুদ্ৰাংশকৈ হওক, যেই তেওঁক ব্ৰহ্ম বুলিলোঁ, সেই মুহূৰ্ত্ততে ব্ৰহ্ম সাকাৰ হল। নাম আৰু আকৃতি noumenon আৰু phenomenon অবিভক্ত আৰু অভেদ্য। তেওঁক ব্ৰহ্ম বা ঈশ্বৰ বা ভগৱান বা জগতকাৰণ বোলা মাত্ৰকতে তেওঁলৈ আকৃতি আহিল,—তেহেলৈ সেই আকৃতিটো কি বা কেনে তুমি জানা বা নাজানা বা মনত ধাৰণা কৰিব পাৰা বা নোৱাৰা, অথবা তাৰ এক লক্ষ ভাগৰ এক কণিকাকে তোমাৰ মনত ধাৰণা কৰা। কোনো concept-অৰ জন্ম হলেই তাৰ লগে লগে আকাৰৰ জনম হল। আন নেলাগে ব্ৰহ্ম বা ঈশ্বৰ জগৎ জুৰি আছে, জগৎ ব্যাপি আছে বুলিলেই তুমি জগতেৰে সৈতে ব্ৰহ্মক distinguish কৰিলা, অৰ্থাৎ পৃথকত্ব দিলা,—আৰু যেই distinguish কৰিলা সেই মুহূৰ্ত্ততে ব্ৰহ্ম বা ঈশ্বৰ সাকাৰ হল; কাৰণ এটা সমূৰ্ত্তক পদাৰ্থক হে অৰ্থাৎ কোনো এটাক অস্তিত্ব দিহে তাক অমুক বুলি কব পাৰি আৰু আন পদাৰ্থৰপৰা distinguish পৃথক কৰিব পাৰি।

এটা কথা মনত ৰাখিব লাগিব,—ঈশ্বৰ সাকাৰ মানে, তেওঁ প্ৰাকৃত আকাৰ ধৰাটো বুজিলে ঠিক নহয়। আকাৰ বুলিলেই আমাৰ পঞ্চভূতাত্মক



প্ৰাকৃতিক আকাৰলৈ তৎক্ষণাত ভাবটো যোৱা সহজ। কিন্তু ঈশ্বৰ প্ৰাকৃতিক আকাৰেৰে সাকাৰ নহয়। তেওঁৰ আকাৰ প্ৰাকৃতিক আকাৰৰ বহিৰ্ভূত অৰ্থাৎ transandental, কিন্তু তথাপি তেওঁৰ আকাৰ আছেই আছে, নতুবা তেওঁৰ অস্তিত্ব থাকিব নোৱাৰে। এই অৰ্থত ঈশ্বৰ নিৰাকাৰ হৈয়ো সাকাৰ আৰু সাকাৰ হৈয়ো নিৰাকাৰ। মহাপুৰুষ মাধৱদেৱে ঘোষাত তাকে কৈছে, আৰু সেয়েহে বিজ্ঞান দৰ্শন আৰু যুক্তি সম্মত।—

"যতেক প্ৰাকৃত আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি।"

এই বাবেই সনাতন নিৰাকাৰ ঈশ্বৰক বা ব্ৰহ্মক সাকাৰ "ব্ৰহ্মৰূপী" বুলি প্ৰথমতে শঙ্কৰদেৱে প্ৰণাম কৰিছে। ব্ৰহ্ম বা ঈশ্বৰ "অৰূপী" হলে তেওঁত প্ৰণামেই নচলে।

কিন্তু তেওঁক সৃষ্টিপাতনিৰেপৰা সকলো জ্ঞানবিশিষ্ট জীৱই ধাৰণা আৰু অনুভৱ কৰি ভক্তিভৰেৰে প্ৰণাম কৰি আহিছে, আৰু সৃষ্টিৰ অন্তলৈকে কৰিব। দেৱতা আৰু মানুহে তেওঁৰ আৰাধনা বন্দনা কৰিব লাগিছে, আৰু কবিয়ে তেওঁৰ তীক্ষ্ণতৰ চকুৰে, স্থাৱৰ, জঙ্গম, আকাশ বায়ু আৰু ঋতু সকলেও ঈশ্বৰক বন্দনা কৰি থকা দেখিছে:—

"তাৰে আৰতি কৰে চন্দ্ৰ তপন, দেব মানব বন্দে চৰণ, অসীম সেই বিশ্ব শৰণ তাৰ জগত মন্দিৰে। অনাদি কাল অনন্ত গগন, সেই অসীম মহিমা মগন, তাহে তৰঙ্গ উঠে সঘন, আনন্দ নন্দ নন্দৰে। হাতে লয় ছয় ঋতুৰ ডালি, পায়ে দেয় ধৰা কুসুম ঢালি, কতই বৰণ, কতই গন্ধ, কত গীত কত ছন্দৰে। বিহগ গীত গগন ছায়, জলদ গায়, জলধি গায়, মহা পবন হৰষে ধায়, গাহে গিৰি কন্দৰে। কত কত শত ভকত প্ৰাণ, হেৰিছে পুলকে গাহিছে গান, পুণ্য কিৰণে ফুটিছে প্ৰেম, টুটিছে মোহ-বন্ধ ৰে"।

এই বাবে পৃথিৱীৰ সকলো ঈশ্বৰপ্ৰতিপাদক সনাতন ধৰ্ম্ম কাৰ্য্যত সাকাৰ বাদী, মুখৰ কথাত নহলেও।

ধৰ্ম্ম দুই প্ৰকাৰ। প্ৰথম আৰু যাইটো সনাতন ধৰ্ম্ম, আৰু দ্বিতীয়টো

যুগধৰ্ম্ম। কিন্তু দুইটাই সাকাৰ ঈশ্বৰ প্ৰতিপাদক। সনাতন ধৰ্ম্মই সনাতন ঈশ্বৰৰ আৰাধনা উপাসনা কৰে, যুগধৰ্ম্মই ঈশ্বৰৰ কোনো বিশেষ বিকাশক মুখ্যতঃ আৰাধনা উপাসনা কৰে, যাইটিক back-ground-অত অৰ্থাৎ গৌণ স্থলত ৰাখি, অথচ অশেষ শ্ৰদ্ধা আৰু অশেষ মান্য কৰি। বেদ উপনিষদ প্ৰতিপাদিত ধৰ্ম্ম সনাতন ধৰ্ম্ম। বাইবোল আৰু কোৰাণ প্ৰতিপাদিত ধৰ্ম্মও সনাতন ধৰ্ম্মই হে। পুৰাণ তন্ত্ৰ আদি প্ৰতিপাদিত ধৰ্ম্ম যুগধৰ্ম্ম। সনাতন ধৰ্ম্ম কল্পতৰু; সেই কল্পতৰুৰপৰা আৱশ্যকমতে মাগি প্ৰত্যেক যুগে যুগধৰ্ম্ম প্ৰবৰ্ত্তকক পায়। সনাতন ঈশ্বৰৰ সনাতন ধৰ্ম্ম-কল্পতৰুৰ সাময়িক ফল যুগধৰ্ম্মপ্ৰবৰ্ত্তক অৱতাৰসকল। যেতিয়া যি ভাবে যিৰূপে প্ৰাকৃত আকাৰ-বৰ্জ্জিত নিৰাকাৰ হৰিয়ে সনাতন ধৰ্ম্মৰ গ্লানি গুচাই যুগধৰ্ম্ম প্ৰবৰ্ত্তাৱৰ আৱশ্যক বিবেচনা কৰে তেতিয়া তেওঁ সেই কাৰ্য্যৰ নিমিত্তে তেওঁৰ প্ৰাকৃত আকাৰ সম্বলিত ৰূপ ধৰি অৱতাৰ হয়। সেই কাৰ্য্য সম্পাদিত হলে, তেওঁৰ আৰু তেতিয়া সেই অৱতাৰৰ আৱশ্যকতা নাথাকে। এইবাবেই শঙ্কৰদেৱে কৈছে যে "ব্ৰহ্মৰূপী সনাতনে" "যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত"। "মৎস্য, কূৰ্ম্ম, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম" প্ৰত্যেক যুগৰ "ব্ৰহ্মৰূপী সনাতনৰ" এইবোৰ বিশেষ বিকাশ বিশেষ বিশেষ কাৰ্য্যৰ নিমিত্তে, সনাতন ধৰ্ম্মক গ্লানিৰপৰা ৰক্ষা কৰি যুগধৰ্ম্ম প্ৰবৰ্ত্তাৱৰ নিমিত্তে। এই যুগধৰ্ম্ম প্ৰবৰ্ত্তাৱৰ নিমিত্তে "ব্ৰহ্মৰূপী সনাতনৰ" যিবোৰ বিকাশ বা অৱতাৰ সেইবোৰ নিৰাকাৰ-সাকাৰ ব্ৰহ্মৰ প্ৰাকৃতিক আকাৰ; কাৰণ সৃষ্ট প্ৰাকৃতিক পদাৰ্থক সুশৃঙ্খল কৰিবলৈ, মানুহক আওবাটৰপৰা বাটলৈ নিবলৈ হলে তেওঁ সৃষ্ট পদাৰ্থ সৃষ্ট জীৱ মানুহে ধাৰণা কৰিব পৰা, দেখিবলৈ পোৱা, ব্যৱহাৰ কৰিবলৈ পোৱা প্ৰাকৃতিক ৰূপেৰে সাকাৰ হবই লাগিব, নতুবা মানুহে ধৰিব চুব নোৱাৰা তেওঁ, মানুহৰ পক্ষে অৰ্থহীন। মানুহৰ আনন্দ আৰু কুশলৰ অৰ্থে আনন্দময়ৰ এনেকুৱাই প্ৰাকৃতিক লীলা। খৃষ্টান ধৰ্ম্মতো এইবাবে প্ৰাকৃতিক ৰক্ত মাংসৰ শৰীৰেৰে যীচুৰ অৱতাৰ, আৰু মচলেম ধৰ্ম্মতো তেনেৰূপেই মহম্মদৰ অৱতাৰ। ব্ৰহ্ম সনাতন ঈশ্বৰক প্ৰণাম কৰিয়েই, শঙ্কৰদেৱ তৎক্ষণাৎ ঈশ্বৰৰ কাৰ্য্য সৃষ্টিলৈ গল। নগৈ নোৱাৰি। কাৰণ ঈশ্বৰ কৰ্ম্মশীল, চৈতন্য



স্বৰূপ; তেওঁ জড় নহয়। এক তিল এক মুহূৰ্ত্তও ঈশ্বৰ কৰ্ম্মবিৰত হৈ থাকিব নোৱাৰে; কিয়নো, তেওঁ জ্ঞানময়, কৰ্ম্মময়, আনন্দময়। চেতনা আৰু জ্ঞান নিস্কৰ্ম্মা হৈ বহি থাকিব নোৱাৰে; কাৰণ ঈশ্বৰ পূৰ্ণচেতনাময় আৰু পূৰ্ণজ্ঞানময়। তেওঁৰ চেতনা আৰু জ্ঞান এক তিল এক মুহূৰ্ত্তও জড়-ভাবাপন্ন হৈ থকা বুলিলে,—ঈশ্বৰৰ পূৰ্ণজ্ঞান পূৰ্ণচৈতন্যত সীমা দি তাত অপূৰ্ণতা আৰোপিত কৰা হব; —যিটো অসম্ভৱ। যেই প্ৰলয় বা মহা প্ৰলয় হল, ঈশ্বৰে জগৎ সংহৰণ কৰিলে, তৎক্ষণাত সেই মুহূৰ্ত্ততে তেওঁ জগৎ সৃষ্টি আৰম্ভ কৰিলে.—সেই কাৰ্য্য তেওঁৰ মনত প্ৰকাশিতেই হওক বা কাৰ্য্যত প্ৰকাশিতেই হওক। সেইদেখি শঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে—

"জগত সংহৰি শুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে বাজ ভৈলা বেদগণ॥"

ঈশ্বৰৰ প্ৰথম নিশ্বাসতে বেদ অৰ্থাৎ জ্ঞান অৰ্থাৎ জ্ঞানৰ বিষয়ীভূত কাৰ্য্য বা পদাৰ্থ object বাজ হল। প্ৰথম নিশ্বাসতে অৰ্থাৎ conciousness-অৰ first breath-অতে। ঈশ্বৰ সদায় সকলো মুহূৰ্ত্ততে conscious এইটো স্বতঃসিদ্ধ। তেন্তে প্ৰথম নিশ্বাসতে বেদ বা জ্ঞান বাজ হোৱা মানে, যেই জগৎ সংহৰণ, সেই জগৎ প্ৰসাৰণ বা সৃষ্টি।

ঈশ্বৰ জ্ঞাতা। কিন্তু জ্ঞানৰ বিষয় knowledge-অৰ object অৰ্থাৎ জানিবৰ বিষয় নাথাকিলে জ্ঞান থাকিব নোৱাৰে। জ্ঞানে কিবা এটা জানিব লাগিব, নতুবা সি জ্ঞান হৈ থাকিব নোৱাৰে। ঈশ্বৰক জ্ঞাতা বুলিলেই তেওঁক সেই মুহূৰ্ত্ততে জানিবলৈ বস্তু দিব লাগিব। The subject knower must have some object to know সেইদেখি প্ৰলয় হোৱা মাত্ৰকতে আকৌ সেই মুহূৰ্ত্ততে সৃষ্টি হবই লাগিব; নতুবা যিমান ফেৰা সময়েই হওক, সৃষ্টি নথকা বুলিলেই তেওঁক জ্ঞানময় জ্ঞাতা knower বোলা নহব। ঈশ্বৰৰ এনে conception হব নোৱাৰে; হলে তেওঁ অসম্পূৰ্ণ হব। জগৎ আৰু ব্ৰহ্মক অভেদ বোলোতা আৰু ব্ৰহ্মত একেবাৰেই জীৱৰ লয় বোলোতা Monistic principle প্ৰতিপাদক অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যক বিশিষ্টা-দ্বৈতবাদী বৈষ্ণৱে এই খিনিতে ঠেকত পেলালত শঙ্কৰাচাৰ্য্যইও শেহত Dualism দ্বৈতবাদ স্বীকাৰ কৰিব লগীয়াত পৰিছিল। অদ্বৈতবাদত দ্বৈতবাদ

আৰু দ্বৈতবাদত অদ্বৈতবাদ থাকিবই লাগিব। অকল Monismও correct নিৰ্ভুল নহয়, অকল Dualismও correct নিৰ্ভুল নহয়।

সৃষ্টি হলেই তাৰ শাসন পালন সুগঠন কৰিবলৈ অৱতাৰৰ (Governor) আৱশ্যক আছিল। আৰু সেই অৱতাৰবোৰ ব্ৰহ্মৰূপী সনাতনৰ অংশ অৱতাৰ হবই লাগিব। নতুবা কোন অঙ্কৰ পুৰুষৰ প্ৰশাসনত, কোন ৰাজচক্ৰবৰ্ত্তীৰ নিমিত্তে আৰু হুকুমত আৰু প্ৰতিনিধি হৈ তেওঁলোকে কাৰ্য্য কৰিব? এই বাবে হিন্দুৰ শাস্ত্ৰই ঈশ্বৰৰ প্ৰধান দশ অৱতাৰ আৰু অপ্ৰধান চতুৰ্ব্বিংশতি অৱতাৰৰ কথা কয়। এই নিমিত্তে শঙ্কৰদেৱে প্ৰথমতে "ব্ৰহ্মৰূপী সনাতন নাৰায়ণক" প্ৰণাম কৰিয়েই তেওঁৰ সৃষ্টি আৰু দশ আৰু চতুৰ্ব্বিংশতি অৱতাৰৰ কথা তেওঁৰ কীৰ্ত্তনত কৈছে। বেদ উপনিষদৰপৰা আৰম্ভ কৰি গীতা ভাগৱতলৈকে প্ৰকৃত শাস্ত্ৰপ্ৰতিপাদিত, আৰ্য্যহিন্দুৰ শাস্ত্ৰবিহিত, বিজ্ঞান অনুমোদিত আৰু দৰ্শনৰ বিচাৰ-অগ্নিৰে পৰিশোধিত হিন্দু ধৰ্ম্মৰ সৰ্ব্বসাৰ এই দৰে সকলোৰে সহজ উপভোগৰ বিষয় কৰি এইকালৰ বেদস্বৰূপ "কীৰ্ত্তন" পুথি যি মহাপুৰুষে ৰচনা কৰিলে সেই মহাপুৰুষৰ পদপঙ্কজৰ ধূলিৰ কণা এটি মূৰত লৈ, আহাঁ ভাই অসমীয়া আজি আমি ধন্য হওঁহঁক। এইবাবেই হে আমি আমাৰ "শঙ্কৰদেৱ" গ্ৰন্থত "কীৰ্ত্তনৰ" কথা কওঁতে কৈছিলোঁ যে পৃথিবীত যতবোৰ সুন্দৰ ধৰ্ম্মগ্ৰন্থ আছে, আমাৰ শঙ্কৰদেৱ বিৰচিত কীৰ্ত্তন সেইসকলৰ ভিতৰত শিৰৰ মুকুট। কি দুখৰ কথা, যে এনে এডোখৰ অমূল্য ৰতন আমাৰ হাততে আছে, অথচ আমি তাক চিনিব নোৱাৰোঁ! আমি বোলে শিক্ষিত! জ্ঞানী!! বিদ্যাৰত্ন!!! আমি অবিদ্যাত বিদ্যাৰত্ন, বিদ্যাত নহয়। আমি মৃগতৃষ্ণাত পৰি স্নান পান আচমন কৰি মৰিব লাগিছোঁ, আচল সৰোবৰত নহয়।

"হে হৰি সাৰশূন্য মৃগতৃষ্ণাৰ্নৱ জলে
শ্ৰান্ত হুয়া মহামোহ পাওঁ।
স্নান পান আচমন কৰোঁহো ৰমণ তাত,
কতোহো ওপজো তল যাওঁ॥"—ঘোষা।

কীৰ্ত্তনৰ opening দুৱাৰমুখতে এই, ভিতৰত সোমালে অষ্টনিধিৰ ভাণ্ডাৰ। কিন্তু যি সেই ভাণ্ডাৰৰ দুৱাৰ মুকলি কৰিবলৈ pass-word



মন্ত্ৰ জানে, তাৰ নিমিত্তে হে সেই দুৱাৰ মুকলি হব, আনৰ নিমিত্তে নহয়। Sesam open বুলিবলৈ জানিবলৈ আলিবাবা হব লাগিব, তেহে কীৰ্ত্তনৰ ৰত্নভাণ্ডাৰ-গুহাৰ সেই দুৱাৰ মুকলি হব; সেই মন্ত্ৰ নজনালৈ বাহিৰৰ পৰা সি শিলা-বন্ধা পৰ্ব্বতৰ গা মাথোন, তাত ৰত্ন মাণিক একো নাই। শঙ্কৰদেৱে আন একোকে নকৰি যদি এক মাথোন এই কীৰ্ত্তন পুথি খনকে লেখি থৈ গলহেঁতেন, তেন্তেও তেওঁ যুগযুগান্তৰলৈক অমৰ হৈ ৰল হেঁতেন। কিন্তু আমাৰ কি সৌভাগ্য যে তেওঁ ইয়াৰ বাহিৰেও আন আন অনেক অমূল্য গ্ৰন্থ ৰচনা কৰি গৈছে। আৰু অকল গ্ৰন্থ ৰচনাই নহয়, অসমীয়াক ধৰ্ম্ম, ভাষা, সাহিত্য, সমাজ, নীতি, সদাচাৰ, মনুষ্যত্ব, সত্যনিষ্ঠা আদিৰপৰা সঙ্গীতবিদ্যা চিত্ৰকলাৰ আমোদ আনন্দলৈকে সকলোবোৰ দান কৰি গৈছে,—মুঠতে জাতীয়তা গঠন কৰিবৰ নিমিত্তে, অৰ্থাৎ এটা জাতিক সকলো পিনে সৰ্ব্বাঙ্গসুন্দৰ কৰি থিয় কৰিবৰ নিমিত্তে যি যি আৱশ্যক সকলো-বোৰ সেই মহাপুৰুষে দান কৰি গৈছে। ভাই অসমীয়া! তোমাৰ কৰ্ত্তব্য এতিয়া এইটোহে—চোৱা যেন, সেই মহাপুৰুষৰ মহাদান অপাত্ৰত দান নহয়। এইটো নিশ্চয় জানিবা, তেওঁ তেতিয়া যি অসমীয়াক অৰ্থাৎ তোমাৰ যি পূৰ্ব্বপুৰুষক সেই মহাদান দিছিল, সেই অসমীয়া নিশ্চয় অপাত্ৰ নাছিল; সেই অসমীয়াই সেই মহাপুৰুষৰ মহাদান মূৰ পাতি গ্ৰহণ কৰি তাৰ সাৰ্থক ব্যৱহাৰ কৰি তেতিয়াৰ আসামক গৌৰবান্বিত কৰি তুলিছিল; তেওঁৰ মহাদানৰ শান্তি-সলিলত সিক্ত হৈ গোটেই আসাম সজীৱ আৰু সৌভাগ্যৱন্ত হৈ উঠিছিল। আমাৰ জাতীয় গৌৰৱৰ জাতীয় মহাপুৰুষৰ সেই অমূল্য দানৰ মোল নুবুজি যদি এতিয়া আমি তাক আজি অপাত্ৰত পৰাটো প্ৰমাণ কৰোঁ, তেন্তে নিশ্চয় সেই কাৰ্য্যই আজিৰ আমাৰ হীনতাহে প্ৰমাণ কৰিব, সেই মহাপুৰুষৰ মহা গৌৰৱৰ অখণ্ড জ্যোতিৰ এক ধনিষ্ঠামানো খৰ্ব্ব নকৰে। জ্যোতিৰ্ম্ময় সূৰ্য্যই সকলো সময়তে ঠিক অখণ্ড উজ্জ্বল জ্যোতিবিলাক দিব লাগিছে; সেই জ্যোতি আমাৰ চকুত পৰিব নিদি চকু মুদিলে আমিহে এন্ধাৰত থাকিম, সূৰ্য্য এন্ধাৰত নহয়, আৰু পোহৰতো সূৰ্য্য এতিল মানো ক্ষীণ নহয়। সূৰ্য্যই ওপৰত উজ্জ্বল পোহৰ দি থাকোঁতে তেওঁৰ তলত মেঘে ওলমি পৃথিৱীক অলপ সময়ৰ নিমিত্তে এন্ধাৰ কৰিলেও সূৰ্য্যৰ

পোহৰ নকমে, আৰু সূৰ্য্যৰ কোনো প্ৰকাৰ হ্ৰাস বৃদ্ধিও নঘটে। এনে পৰম উপকাৰী মহাপুৰুষ আমাৰ শঙ্কৰদেৱ। আমি নাজানো শঙ্কৰদেৱ বামুণ নে শূদ্ৰ; আমি জানিব নোখোজোঁ, তেওঁ কায়স্থ নে কলিতা; আমাক নেলাগে, তেওঁ দামোদৰদেৱ আৰু হৰিদেৱৰ গুৰু নে নাইবা তেওঁৰ নীতিয়েকৰ বয়সীয়া দামোদৰ দেৱ আৰু হৰিদেৱ তেওঁৰ গুৰু; আমি তেওঁক পাইছোঁ, তেওঁ দিয়া ষড়ৈশ্বৰ্য্যৰ অধিকাৰী আমি হৈছোঁ, তেওঁৰ মহাদান ধৰ্ম্ম, ভাষা, সাহিত্য, কাব্য, সঙ্গীত, নীতি, চৰিত্ৰ, কলাবিদ্যা, সমাজ, আদি অমূল্য বস্তুবোৰ আমি পাইছোঁ, সেইবাবেই শঙ্কৰ আমাৰ আৰু আমি শঙ্কৰৰ। পূজনীয় কবিশ্ৰেষ্ঠ ৰবীন্দ্ৰনাথ ঠাকুৰৰ গানৰ ভাষাৰে কব লাগিলে—হে শ্ৰীমন্ত শঙ্কৰ! "আমাৰ পৰাণ যাহা চায়, তুমি তাই গো। তোমা ছাড়া এজগতে, মোৰ কিছু নাই গো। আমি তোমাৰে পেয়েছি হৃদয় মাঝে, আৰ কিছু নাহি চাই গো।" সেইবাবেই আমি আমাৰ সকলো দিব লাগিলে অকাতৰে দিম, আমাৰ শঙ্কৰক ৰাখিম; সেইবাবে আমি প্ৰত্যেক অসমীয়াই এই নগণ্য অকিঞ্চিৎকৰ জীৱন পৰ্য্যন্ত পাত কৰি আসামৰ অতীত গৌৰৱ-কাহিনীৰ বিজয়-স্তম্ভৰ ওপৰত থকা শঙ্কৰদেৱ-পতাকা ৰক্ষা কৰিম। ইংলণ্ডৰ এজন ডাঙৰ পণ্ডিত গ্ৰন্থকাৰে কৈছিল যে আমেৰিকাৰ ওপৰত ইংলণ্ডৰ অধিকাৰ, আৰু য়ুৰোপ মহাদেশৰ ওপৰত যদি ইংলণ্ডৰ অধিকাৰ থাকিলহেঁতেন তাকো অম্লানবদনে আমি এৰি দিব পাৰিম, কিন্তু আমাৰ চেক্সপিয়েৰক আমাৰ ইহজীৱনত একবিন্দু তেজ থাকে মানে আমি এৰি দিব নোৱাৰোঁ।। হেৰা অসমীয়া! আমিও সেইদৰে আজি তেওঁৰ এই পুণ্য পবিত্ৰ তিথিৰ দিনা, সাম্বৎসৰিক উৎসৱৰ দিনা, বুকু ফিন্দাই কওঁহঁক আহা, যে যদিও অসমীয়া আজি দীন দৰিদ্ৰ, অসমীয়া আজি "নান্নংনৱস্ত্ৰং নচবাৰি পাত্ৰং", অসমীয়াৰ সেই পুৰণি কালৰ স্তাৱত-ব্যাপা সংস্কৃত বিদ্যাৰ চৰ্চ্চা নাই খ্যাতি নাই, জগতত অদ্বিতীয় শঙ্কৰাচাৰ্য্যৰ গুৰু অসমীয়া কুমাৰিলা ভট্ট আজি যদিও অসমীয়াৰ নাই, যদিও আজি অসমীয়াৰ সেই আউৰংজেৱ পাটচাৰ সৈন্যক শৰাইঘাট আদি ঠাইত বিধ্বস্ত কৰা বীৰ্য্য নাই, অসমীয়া সতী জয়মতীৰ সেই জগতৰ admiration শ্ৰদ্ধা আৰু ভক্তি আকৰ্ষণ কৰা অত্যাশ্চৰ্য্য সতীত্বৰ বীৰ্য্য আজি আসামত যদিও গুহানিহিত,—তথাপি



আজিও আমাৰ শঙ্কৰদেৱ আসামত অসমীয়াৰ ঘৰে ঘৰে, গাৱেঁ গাৱেঁ, নগৰে নগৰে দেদীপ্যমান, আজিও শঙ্কৰদেৱৰ অমৃতনিস্যন্দিনী লেখনীৰপৰা ওলোৱা দশম কীৰ্ত্তন আদি মহাশাস্ত্ৰ সমূহে জীৱন্ত জ্বলন্ত মূৰ্ত্তি ধৰি অসমীয়াক এন্ধাৰ বাটত উজ্জ্বল পোহৰেৰে বাট দেখুৱাই, দুখত সুখ, নিৰানন্দত আনন্দ, নিৰাশাত আশা দি, ইহকাল পৰকালৰ উন্নতি সাধন কৰি লৈ যাব লাগিছে। তেন্তে হে অসমীয়া! ভয় কি? সংশয় কি? আৰু আমন-জিমনকৈ থাকা কিয়? বুকুত সাহ লৈ, অন্তৰত উছাহ লৈ, ঈশ্বৰৰ আশীৰ্ব্বাদ শিৰত লৈ, ভক্তি, বিনয়, নম্ৰতা অথচ মনুষ্যৰ birth-right মনুষ্যত্বৰ কৱচেৰে আবৃত হৈ, ধৰ্ম্মৰ সুবিমল জ্যোতিৰে বিমণ্ডিত হৈ আগবাঢ়া—চোৱা, ওপৰলৈ চোৱা, আসামৰ বিজয়স্তম্ভৰ চূড়াত সেই শঙ্কৰৰ নাম ডাঙৰ ডাঙৰ আখৰেৰে লেখা বিজয়পতাকা উৰি অসমীয়াৰ অতীত গৌৰৱৰ কাহিনী আৰু ভবিষ্যততো তেনে গৌৰৱৰ আশা-বাণী প্ৰচাৰ কৰিব লাগিছে!

---

# শ্ৰীশঙ্কৰদেৱ।

চাৰি-শ-ছয়ষষ্ঠি বছৰৰ আগেয়ে উজনি আসামৰ এচুকত এটি কায়স্থ সন্তান ভূমিষ্ঠ হৈ, তেওঁৰ এশ-উনৈশ বছৰ ব্যাপী দীঘল জীৱনত আসামৰ উজনি নামনি আৰু কোচবিহাৰ এই তিনিউ ৰাজ্যত তেওঁ জ্ঞান কৰ্ম্ম আৰু ভক্তি এই তিনিউ সোঁতাৰ সম্মিলন কৰি ধৰ্ম্মৰ এক মহাসোঁতা বোৱাইছিল। যুগ যুগান্তৰৰপৰা সৌমাৰপীঠ, কামপীঠ আৰু ৰত্নপীঠত যি পবিত্ৰ জ্ঞান, কৰ্ম্ম আৰু ভক্তিৰ বীজ সংহত হৈ শক্তি-সঞ্চিত হৈ আছিল, সেই শক্তিয়ে এই কায়স্থ সন্তানৰ অৱলম্বনত পৰিস্ফুট আৰু পল্লবিত হৈ আত্মপ্ৰকাশ কৰি এক অভিনৱ বলেৰে আসামৰ হৃদয় স্পন্দিত আলোড়িত আৰু আলোকিত কৰি সকলোকে স্তম্ভিত কৰিছিল। যুগ-যুগান্তৰৰপৰা আসাম অদ্ৰিৰ কণায় কণায় ৰেণুৰে ৰেণুৰে, জোৰায় জোৰায়, বিন্দু বিন্দুকৈ টোপা টোপাকৈ সঞ্চিত হোৱা ঈশ্বৰৰ করুণা-বাৰি ক্ষৰিত স্ৰাৱিত আৰু সম্মিলিত হৈ সি মহা নদীৰ আকাৰ ধৰি, দুখ দৈন্য শোক নৈৰাশ্যেৰে শুকান আসামৰ হৃদয় সিক্ত

পৰিপ্লুত আৰু বিধোত কৰি তাক সুজলা সুফলা শস্যশ্যামলা কৰি নৱ ৰস নৱ জীৱন দান কৰিলে।

ঈশ্বৰ সৰ্ব্বব্যাপী সৰ্ব্বত্ৰ বিৰাজিত। কিন্তু তেওঁক ধাৰণা সেৱা, উপাসনা কৰিবলৈ গলে যেনেকৈ সেই মুহূৰ্ত্তৰ নিমিত্তে তেওঁক সৰ্ব্বব্যাপকত্বৰপৰা সুকীয়াকৈ লব লাগিব, অথবা তেওঁৰ উপাসক ভকতৰ কথাৰ গঢ়েৰে কবলৈ গলে, যেনেকৈ কব লাগিব—ঈশ্বৰে তেওঁৰ ভকতক অনুকম্পা কৰি সুকীয়া মূৰ্ত্তি পৰিগ্ৰহ কৰে, অৰ্থাৎ "ধৰিছা মূৰ্ত্তি ভকতৰ পদে"—সেই দৰে কোনো এক দেশৰ ব্যাপ্ত শক্তি প্ৰকাশিত হৈ কাৰ্য্যকৰী হবলৈ হলে সেই শক্তি সংহত হৈ সি মূৰ্ত্তি পৰিগ্ৰহ কৰিব লাগিব। শক্তি সংহত হৈ পুঞ্জীভূত নহলে সি কাৰ্য্যকৰী নহয় আৰু কোনো কামত নেলাগে। বিজুলী-শক্তি আকাশত বা মেঘত ব্যাপী আছে, কিন্তু যেতিয়ালৈকে সেই শক্তি সংহত হৈ পুঞ্জীভূত নহয় তেতিয়ালৈকে তাৰ প্ৰকাশ নহয়, তাৰ কাৰ্য্যকাৰিতা নাই; কিন্তু যেতিয়া সি গোট খাই লগ লাগে, তেতিয়া সি উজ্জ্বল আৰু দীপ্ত হৈ আত্মপ্ৰকাশ কৰি পৃথিবীৰ পৰ্ব্বত গছ আদিত পৰি সেইবোৰ ভাঙি ছিঙি চূৰ্ণ বিচূৰ্ণ কৰে। পানী সকলো ঠাইতে ৰস ৰূপে ব্যাপ্ত হৈ আছে, কিন্তু সেই পানী সংহত হৈ একে ঠাইতে সঞ্চিত নহলে, সি তোমাৰ পিয়াহ গুচাব নোৱাৰে। অগ্নিবো তেনে কথাই। সেইদেখি গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক কূৰ্ম্মৰ উদাহৰণ দি কৈছে যে কাছই যেনেকৈ অঙ্গপ্ৰত্যঙ্গ সংহৰণ কৰে সেই দৰে ই ন্দ্ৰিয়বোৰক বিষয়ৰপৰা সংহৰণ কৰি নিজৰ অন্তৰত নিমগ্ন ৰাখিব লাগিব, তেহে পুৰুষে প্ৰকৃত স্বাধীনতা লাভ কৰিব পাৰে। হিন্দুৱে শক্তিৰ মূৰ্ত্তি গঢ়ি শক্তিক বিকাশিত কৰি লৈ পূজা কৰাৰ গূঢ় মৰ্ম্মও গুবিতে সেয়েহে আছিল। আসামবো এই ব্যাপ্ত জ্ঞান কৰ্ম্ম আৰু ভক্তি-ধৰ্ম্মৰ সংহত বিকাশ বৰদোৱাত কুসুম্বৰ ভূঞাৰ পুত্ৰ মহাপুৰুষ শঙ্কৰদেৱ মূৰ্ত্তিত সংঘটিত হৈছিল।

আমি সকলো পুৰুষ; আমাৰ হৃদয়ত আত্মা শয়ন কৰি আছে, ঈশ্বৰৰ শক্তিৰ সাধাৰণ কম বেছি বিকাশ নিশ্চয় আমাত হৈছে। কিন্তু আমি মহাপুৰুষ নহওঁ। কাৰণ মহাপুৰুষত ঈশ্বৰৰ শক্তিৰ বেছি বিকাশ হয়। ভগৱন্তৰ তেজ যাৰ অন্তৰ-আত্মাত সৰহ পৰিমাণে অৱতীৰ্ণ হয় তেৱেঁই মহাপুৰুষ, তেওঁকেই অৱতাৰ বোলে। কোনো সমাজৰ আৰু জাতিৰ ব্যাপ্ত তেজ শক্তিৰ অৰ্থাৎ



সেই সমাজ আৰু জাতিৰ ভিতৰত প্ৰসাৰিত আৰু ব্যাপ্ত ঈশ্বৰৰ তেজ শক্তি সংহত হৈ যেতিয়া যি জনৰ ভিতৰেদি প্ৰকাশিত হয়, তেতিয়া সেইজনকে মহাপুৰুষ বোলে, সেইজনকে ঈশ্বৰৰ অৱতাৰ বোলে—সেই জাতি বা সমাজৰ বা ঈশ্বৰৰ সেই ফেৰা তেজৰ হীন—ডেঢ়িৰ হিচাপ অনুসাৰে সেইজন ডাঙৰ বা সৰু অৱতাৰ হয়। এইবাবে ঈশ্বৰৰ কিছু সংখ্যক অৱতাৰক ডাঙৰ অৱতাৰ আৰু কিছু সংখ্যক অৱতাৰক কলা বা অংশ অৱতাৰ বোলে। আৰু এই অংশ অৱতাৰ অসংখ্যাত; কাৰণ অসংখ্যাত যুগে যুগে ঈশ্বৰে অসংখ্যাত অৱতাৰ ধৰিবই লাগিব; কিয়নো, সেইটো তেওঁৰ সৃষ্টিৰ প্ৰয়োজন, সেইটো তেওঁৰ লীলা, আৰু ধৰ্ম্মসংস্থাপনৰ নিমিত্তে আবশ্যকীয় কাৰ্য্য। সুক্ষেত্ৰত বীজ পৰিলে যেনেকৈ সি অঙ্কুৰিত আৰু বৰ্দ্ধিত হৈ ফলৱান হৈ সকলোৰে মঙ্গলবিধায়ক হয়, আৰু সেইদৰে কু ক্ষেত্ৰত তেনেকৈ তাৰ বিপৰীত অৱস্থা ঘটে। বিশেষ সুক্ষেত্ৰত হে ভগৱানৰ তেজ বীৰ্য্যৰ বিশেষ পৰিস্ফুট ঘটে! যিসকল সাধু মহাপুৰুষত সেই দৰে ভগৱন্তৰ শক্তিৰ বিশেষ বিকাশ দেখা যায়, সেইসকলৰ হৃদয়-ক্ষেত্ৰ যে সেই দৰে সাৰুৱা সু আৰু নিৰ্ম্মল তাৰ ভুল নাই; নতুবা সেই ঐশ্বৰিক বীৰ্য্যৰ বিশেষ পৰিস্ফুট তাত কেতিয়াও নহলহেঁতেন। Early life অৰ্থাৎ জীৱনৰ আগ ডোখৰতো যদি কাৰো অন্তৰ কলুষিত থাকে, পিছত কেনেবাকৈ সাধুৰ সম্পৰ্কত সেই হৃদয়ৰ কলুষ দূৰীভূত হৈ সি বিশেষভাৱে সুনিৰ্ম্মল হৈ উজ্জ্বলতা প্ৰাপ্ত হলে, তাতো তেতিয়া ঈশ্বৰৰ সত্তাৰ অৱতীৰ্ণ নহৈ নাথাকে। দস্যু ৰত্নাকৰৰ ঋষি নাৰদৰ সম্পৰ্ক আৰু উপদেশত সুনিৰ্ম্মল হৈ তাত ভগৱানৰ তেজ অৱতীৰ্ণ হৈ তেওঁ বাল্মীকি ঋষি হোৱাই এই কথাৰ এটা উদাহৰণ। Saul চলৰ আত্মাত ভগৱানৰ তেজ অৱতীৰ্ণ হৈ চলক ( Saul ) পল ( Paul ) কৰা কথা বাইবোলত লেখা আছে। শঙ্কৰদেৱৰ আগেয়ে আমামত কত মানুহ জন্ম হৈছিল, শঙ্কৰদেৱৰ সময়তো কত জন্ম হৈছিল, শঙ্কৰদেৱৰ পিছতো কত জন্ম হব লাগিছে, কিন্তু শঙ্কৰদেৱৰ হৃদয়ত ভগৱানৰ জ্ঞান, কৰ্ম্ম, ভক্তি, ত্যাগ, বৈৰাগ্য, দয়া, কৰুণা ইত্যাদি ঐশ্বৰ্য্যৰ যেনে বিকাশ ঘটিছিল, আনৰ হৃদয়ত তেনে দেখা নাযায় কিয়? ঈশ্বৰৰ শক্তিৰ বিকাশৰ নিমিত্তে শঙ্কৰৰ হৃদয়-ক্ষেত্ৰ নিৰ্ম্মল আৰু উপযুক্ত হোৱা বাবে ঈশ্বৰৰ শক্তিৰ অংশ বা কলা শঙ্কৰত অৱতীৰ্ণ হোৱাটোৱেই তা

কাৰণ নহয় নে? অৱশ্যে যেনে যেনে যুগত যেনে যেনে কাৰ্য্যৰ নিমিত্তে ঈশ্বৰৰ শক্তিৰ অৱতীৰ্ণ প্ৰাকৃতিক আকাৰযুক্ত শৰীৰত আৰু যাইকৈ মনুষ্য শৰীৰত হবৰ আৱশ্যক সেইদৰেই ঈশ্বৰৰ অৱতাৰ হয়। যেনে প্ৰয়োজন তেনে অৱতাৰ, তেনে কাৰ্য্য। সেই নিমিত্তে মহাপুৰুষ শঙ্কৰদেৱৰ অৱতাৰৰ যুগ আৰু কালৰ অৱস্থাৰ বিষয়ে এই খিনিতে অলপ আলোচনা কৰি চোৱা যাওঁক। শঙ্কৰদেৱক ঈশ্বৰৰ অৱতাৰ বোলাত আমাৰ শিক্ষিত বন্ধুসকল অলপ আচৰিত হব পাৰে; কিন্তু অৱতাৰ তত্বৰ বিষয়ে সংক্ষেপতে আমি ওপৰত যি কৈ আহিছোঁ সেই কথা নাপাহৰিলে তেওঁলোকে আচোৰ্ঁাহৰ বিশেষ বিষয় নাপায়।

ঈশ্বৰৰ কোনো বিশেষ বিশেষ শক্তিৰ অৱতাৰ অসংখ্য যুগত অসংখ্য হৈ গৈছে আৰু হব। জ্ঞানবীৰ কপিল, পাতঞ্জল, বশিষ্ঠ যেনেকৈ জ্ঞানৰ অংশ বা ভগ্নাংশ অৱতাৰ, নাৰদ, সনতকুমাৰ আদিও সেই দৰে যে জ্ঞান আৰু ভক্তিৰ অৱতাৰ সেইকথা চতুৰ্ব্বিংশতি অৱতাৰৰ কথাত আছে। সত্য ন্যায় জ্ঞান কৰ্ম্ম আৰু বীৰ্য্যৰ অপূৰ্ব্ব সন্মিলনৰ অৱতাৰ যেনেকৈ ৰামচন্দ্ৰ; সত্য, ন্যায়, জ্ঞান, প্ৰেম আৰু কৰ্ম্মৰ অপূৰ্ব্ব সন্মিলনৰ পূৰ্ণ অৱতাৰ তেনেকৈ শ্ৰীকৃষ্ণ। জ্ঞানৰ আৰু দয়াৰ অৱতাৰ যেনেকৈ বুদ্ধ; কৰ্ম্ম, ন্যায় আৰু শৃঙ্খলাৰ অৱতাৰ তেনেকৈ অশোক। আমি শঙ্কৰাচাৰ্য্য, ৰামানন্দ, চৈতন্য, কবীৰ, নানক আদি সকলোকে অৱতাৰ বুলি মানো; আন কি ৰামমোহন ৰায় ৰামকৃষ্ণ পৰমহংসকো। পূৰ্ণধৰ্ম্মৰ তিনি অঙ্গ—জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তিযোগ। এই তিনি সোঁতাৰ এক এক সোঁতাত বিশিষ্টতা লাভ কৰা জনেই সেই সোঁতাৰ সেই যোগত অৱতাৰ। এই তিনি যোগত বিশিষ্টতা লাভ কৰোঁতা গীতাপ্ৰকাশক সৰ্ব্বাঙ্গসুন্দৰ শ্ৰীকৃষ্ণক পূৰ্ণ অৱতাৰ বুলি আমি মানো একেখন মহাসমুদ্ৰৰ বুকুত যেনেকৈ অসংখ্য ঢৌৰ নানা ফালে প্ৰকাশ, নানা ফালে গতি, সেইদৰে এক পৰমেশ্বৰ ব্যাপক বিভুৰ বিশ্ব-শৰীৰত তেনেকৈ অলেখ জীৱৰ নানা ফালে প্ৰকাশ, নানা ফালে গতি। সেই ঢৌবোৰ যেনেকৈ সমুদ্ৰৰ পানীৰপৰা পৃথক নহয়, অথচ থন্তেকলৈ পৃথকত্ব ৰাখি প্ৰকাশ হয়, সেই দৰে এই জীৱবোৰো প্ৰকাশ হয়। সাগৰৰ অলেখ ঢৌৰ ভিতৰৰ অলেখ ঢৌ যেনেকৈ সাগৰৰ ক্ষুদ্ৰ ঢৌ বুলি তাৰ কোনো বিশেষত্ব নাই, কাৰণ তেনে ঢৌ পুখুৰী বা নৈ বিল আদিতো দেখা যায়, সেই দৰে এই পৃথিৱীত এনে অনেক মানুহ আছে, যাৰ বিশেষত্ব নাই, যাক যেই সেই পুখুৰী বা নৈৰ বা বিলৰ ঢৌ বুলি ধৰিব পৰি। কিন্তু সাগৰত এনে একোটা বৰ ঢৌ আছে যে তেনে ঢৌ সাগৰৰ বাহিৰে ক্ষুদ্ৰ জলাশয়ত হব নোৱাৰে আৰু সেই ঢৌৱে সাগৰৰ অনন্ত মহিমা প্ৰকাশ কৰিবই কৰে; সেই দৰে এই পৃথিৱীত এনে একোজন মহাপুৰুষৰ আবিৰ্ভাৱ হয়, যাক দেখিলে অৰ্থাৎ যাৰ কাৰ্য্যকলাপৰ ভিতৰেদি আমি সেই অনন্ত মহিমান্বিত পৰমপুৰুষ ভগৱন্তক দেখোঁ, আৰু যাত ভগৱন্তৰ মহিমা প্ৰকটিত হৈ পৰে। সাগৰৰ আদি অন্ত আমি কেতিয়াও দেখা নাই; কিন্তু সেই ডাঙৰ ঢৌটোৱে সাগৰ কি আমাক তাৰ আভাস বুজাই দি যায়। এই ডাঙৰ ঢৌসকলকে ঈশ্বৰৰ একে একোটি অৱতাৰ বোলা হয়।



চাৰে চাৰি শ—পাঁচ শ বছৰৰ আগেয়ে অৰ্থাৎ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ কালত ধৰ্ম্ম সম্বন্ধে আমাৰ দেশৰ কেনে অৱস্থা আছিল সেই কথালৈ ভালকৈ মন কৰিলে শঙ্কৰদেৱৰ কাৰ্য্যৰ প্ৰকৃত গুৰুত্ব অনুভৱ কৰিব পাৰি। পুৰণি কামৰূপত তান্ত্ৰিক শাক্ত ধৰ্ম্ম উদ্ভৱ হৈ সি গোটেই ভাৰত, যাইকৈ ভাৰতৰ পুব ডোখৰ বিয়াপি পৰিছিল। সেই তান্ত্ৰিক ধৰ্ম্ম, গুৰিতে সেই কালৰ আৰু সেই যুগৰ আৱশ্যকতা অনুসৰি জন্ম হলেও, পিছৰ কালত বিকৃত হৈ পৰিছিল। আন আন উচ্চ অঙ্গৰ ধৰ্ম্মবো কালক্ৰমত তেনে নোহোৱাটো নহয়। সেই কালত ব্ৰাহ্মণৰ ধৰ্ম্ম কৰ্ম্ম আচাৰ ব্যৱহাৰ কলুষিত হৈ পৰিছিল। শক্তি পূজাৰ উপলক্ষে নৰহত্যা, জীৱহত্যা, সুৰাপান আদি প্ৰচলিত হৈ মানুহৰ মন ঘোৰ তমসাবৃত হৈ পৰিছিল। ধৰ্ম্মৰ আচল শ'হ দুজন চাৰিজন সাত্বিক ব্ৰাহ্মণৰ মনত মাথোন আছিল, বাহ অৰ্থাৎ ধৰ্ম্ম বুলি অন্তঃসাৰশূন্য বিকৃত পদাৰ্থৰ সৰহ ভাগ আন বামুণৰ ঘৰে ঘৰে আছিল। শাস্ত্ৰত পণ্ডিত ব্ৰাহ্মণৰ পাণ্ডিত্য, শুকান ন্যায়, দৰ্শন, কাব্য, অলঙ্কাৰত আবদ্ধ আছিল, প্ৰকৃত বস্তু ঈশ্বৰত, প্ৰকৃত জ্ঞান প্ৰেম-মগ্ন পৰমাত্মাত নাছিল। আসামৰ দৰেই বঙ্গদেশতো সেই একে অৱস্থাই ঘটিছিল। "বঙ্গভাষা ও সাহিত্য" নামৰ বঙ্গলা কিতাপত লেখিছে—তেতিয়া "নবদ্বীপে ন্যায়ের টোল তখন হিন্দুস্থানে অদ্বিতীয়; দৰ্শন-কাব্য, অলঙ্কাৰ

প্ৰভৃতি শাস্ত্ৰেৰও সে স্থানে বিশেষৰূপ চৰ্চ্চা হইতেছিল। এসব সত্বেও নবদ্বীপবাসী স্বল্পসংখ্যক লোকৰ কিছু বাসনা অপূৰ্ণ থাকিয়া যাইত। মঙ্গলচণ্ডী, বিষহৰি ও ষষ্ঠীৰ পূজা, যোগীপাল, গোপীপাল, মহীপালেৰ গীত এবং পশুৰক্ত ও মদ্য দ্বাৰা আৰ্দ্ৰ যজ্ঞস্থলী দেখিয়া তাঁহাৰা আক্ষেপ কৰিতেন। হৰিভক্তি বিহীন নবদ্বীপেৰ অৰ্থ ও বিদ্যা সমৃদ্ধি তাঁহাদেৰ নিকট সিন্দুৰহীন ৰমণী ললাটেৰ ন্যায় বৃথা মনে হইত। তাঁহাৰা পৃথিবীতে ভক্তিৰ অভাব দেখিয়া ব্যথিতচিত্তে অশ্ৰুপাত কৰিতেন।"

সেই সময়ত যি সকল শাস্ত্ৰৰ মৰ্ম্মবেত্তা ব্ৰাহ্মণ আছিল তেওঁলোকে শাস্ত্ৰ নজনা আন লোকক, সৰ্ব্বসাধাৰণক, স্ত্ৰী, শূদ্ৰ সকলক কৈছিল,—হেৰা মানুহ, তোমাৰ বৰ বেয়া কপাল। দোষৰ সাগৰ এই ঘোৰ কলিকালত তুমি উপজিছা, ইয়াৰ দ্বাৰায়েই প্ৰমাণ হৈছে যে তুমি মহা পাপী। এই সংসাৰখন পোতাশাল, তুমি পোতাশালৰ বন্দী। ইন্দ্ৰিয়বোৰ তোমাৰ ভয়ানক শত্ৰু, তুমি তোমাৰ কৰ্ম্মৰ ফলত এনে কলিকালত জন্মিছাহি; এতেকে তোমাৰ আৰু নিস্তাৰ নাই। শাস্ত্ৰৰ মৰ্ম্মবেত্তা ব্ৰাহ্মণৰ মুখৰপৰা এনে নৈৰাশ্য আৰু বেজাৰৰ কথা শুনি ১০০ জনৰ ভিতৰৰ ৯৯ জন শাস্ত্ৰ নজনা সাধাৰণ মানুহৰ মুখত পানী নাই, অন্তৰ ভয়ত শুকান। সেই সকলে শাস্ত্ৰ জনা পণ্ডিত বামুণ বা সন্ন্যাসী ফকিৰৰ ভৰিত দীঘল দি পৰি ধন বস্ত্ৰ দি, কাতুৰ্য্যাদ কৰি, এই ভয়ানক অৱস্থাৰপৰা তেওঁলোকক কোনোমতে উদ্ধাৰ কৰিবলৈ খাটিব লাগিছে; তেওঁলোকৰ ওপৰত শাস্ত্ৰবেত্তা ব্ৰাহ্মণৰ অশেষ প্ৰতিপত্তি; আৰু তেওঁলোক সেই শাস্ত্ৰবেত্তা ব্ৰাহ্মণৰ খীৰতী গাই হৈ পৰিছে। প্ৰায় সেই সময়তে বঙ্গদেশত ঘটা এটা ঘটনাৰে এই কথা বুজোৱা যাওক, যাৰ দ্বাৰাই সেই সময়ৰ অৱস্থা কেনে ভয়ানক সেইটো ভালকৈ হৃদয়ঙ্গম কৰিব পৰা যাব।

বঙ্গদেশৰ বৈষ্ণৱ গ্ৰন্থত লেখা আছে—সুবুদ্ধিৰায় নামেৰে এজন উচ্চ বংশৰ ব্ৰাহ্মণ গৌড়ৰ বাদস্বাহ আছিল। হুচেন খাঁ নামেৰে তেওঁৰ এজন মুচলমান বিষয়া আছিল। কোনো এটা দোষৰ নিমিত্তে সুবুদ্ধিৰায়ে এদিন হুচেন খাঁক এটা বেতৰ কোব মাৰিছিল। কোবটো ইমান টানকৈ মাৰিছিল যে তাৰ সাঁচ হুচেন খাঁৰ পিঠিত চিৰস্থায়ীকৈ বহিছিল। কালৰ কুটীল



গতিত সুবুদ্ধিৰায়ৰ ৰাজ্য গল; আৰু হুচেন খাঁ সেই ৰাজ্যৰে ৰজা হল। এদিন হুচেন খাঁৰ পিঠিত তেওঁৰ ঘৈণীয়েকে সেই সাঁচটো দেখি তাৰ বৃত্তান্ত সুধি খোঁতিয়া জানিলে যে সুবুদ্ধিৰায়ে তেওঁৰ গিৰিয়েকৰ গাত সেইটো কোব মাৰিছিল, তেওঁ খঙত অধীৰা হৈ হুচেন খাঁক বৰকৈ ধৰিলে যে সুবুদ্ধিৰায়ক বধ কৰি তাৰ প্ৰতিশোধ লব লাগে। হুচেন খাঁ কিন্তু সুবুদ্ধিৰায়ৰ ওচৰত অনেক কথাৰ নিমিত্তে কৃতজ্ঞ আছিল, সেইদেখি তেওঁ সেইটো কাৰ্য্য কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰি ঘৈণীয়েকক বুজাই কলে। ঘৈণীয়েক কিন্তু "নাছোড়বান্দা", তেওঁ গিৰিয়েকক কলে, যে যদি তেওঁ সুবুদ্ধিৰায়ক একেবাৰেই বধ কৰিব নোখোজে, তেন্তে সুবুদ্ধিৰায়ৰ জাত মাৰি দিয়ক। হুচেন খাই ঘৈণীয়েকৰ উচটনিত থাকিব নোৱাৰি অগত্যা সুবুদ্ধিৰায়ক মুচলমানৰ ভাত কটিয়াই দি তেওঁৰ জাত মাৰি দিলে। বপুৰা সুবুদ্ধিৰায়ৰ জাত গল। তেওঁ নিৰুপায় হৈ আকৌ পৰাচিত কৰি জাত পাবলৈ ব্ৰাহ্মণ পণ্ডিতৰ শৰণাপন্ন হল; কিন্তু ব্ৰাহ্মণ পণ্ডিতে ব্যৱস্থা দিলে যে, তেওঁৰ পৰাচিত নাই, তেওঁ আৰু জাত নাপায়, সেই দেখি তেওঁ আত্মহত্যা কৰিব লাগিব! সুবুদ্ধিৰায়ে নিৰুপায় হৈ কাশীলৈ গৈ কাশীৰ ব্ৰাহ্মণ পণ্ডিতসকলক কাতুৰ্য্যাদ কৰি জনালে; কাৰণ মানুহক আত্মহত্যা কৰিবলৈ বামুণে ব্যৱস্থা দিলেই যে তাক সহজে পালন কৰিব পাৰি এনে নহয়। কিন্তু কাশীৰ ব্ৰাহ্মণসকলেও গৌড়ৰ ব্ৰাহ্মণসকলৰ "ৰায় ৰাহাল" ৰাখি বপুৰা সুবুদ্ধিৰায়ক আত্মহত্যাকে কৰিবলৈ কলে। এনে সময়ত সুবুদ্ধিৰায়ে কাশীলৈ চৈতন্যদেৱ অহাৰ খবৰ শুনি চৈতন্যৰ শৰণাপন্ন হলত, চৈতন্যদেৱে সুবুদ্ধিৰায়ক আশ্বাস কৰি কলে "এই বিশ্ব ব্ৰহ্মাণ্ডৰ যি গৰাকী তেওঁ কি এনে কঠোৰ প্ৰতিশোধ লওঁতা? এই মনুষ্যদেহৰ কি কোনো মৰ্য্যাদা নাই? ঈশ্বৰে জীৱক ক্ষমা নকৰনে? যি মূৰ্খ সিহে ধৰ্ম্মৰ নামত আত্মহত্যা কৰে। সুবুদ্ধিৰায়, তোমাৰ কোনো চিন্তা নাই, তুমি এবাৰ মাথোন প্ৰাণভৰি অন্তৰেৰে সৈতে ঈশ্বৰৰ নাম লোৱাঁ, তোমাৰ সকলো পাপ দূৰীভূত হব।" চৈতন্যচৰিতামৃত গ্ৰন্থত সংক্ষেপকৈ লিখা এই কথা টুকি দিওঁ—

"পূৰ্ব্বে যবে সুবুদ্ধিৰায় ছিলা গৌড় অধিকাৰী।
হুসেন খাঁ সৈয়দ কৰে তাহাৰ চাকুৰী ॥

দীঘী খোদাইতে তাৰে মনসীব কৈল।
ছিদ্র পাঞা ৰায় তাৰে চাবুক মাৰিল ॥
পাছে যবে হুসেন খাঁ গৌড়েৰ ৰাজা হৈল।
সুবুদ্ধিৰায়েৰে তেহোঁ বহু বাঢ়াইলা ॥
তাৰ স্ত্রী তাৰ অঙ্গে দেখে মাৰণেৰ চিহ্নে।
সুবুদ্ধিৰায়ে মাৰিবাৰে কহে ৰাজা স্থানে ॥
ৰাজা কহে আমাৰ পোষ্টা হয়ে পিতা।
তাহাৰে মাৰিব আমি ভাল নহে কথা ॥
স্ত্রী কহে জাতী লহ, যদি প্রাণে না মাৰিবে।
ৰাজা কহে জাতি নিলে ইহোঁ নাহি জীবে ॥
স্ত্রী মাৰিতে চাহে, ৰাজা শঙ্কটে পড়িলা।
কৰোৱাৰ পানী তাৰ মুখে দেয়াইলা ॥
তবে সুবুদ্ধিৰায় সেই ছদ্ম পাইয়া।
ৰাৰানসী আইলা সব বিষয় ছাড়িয়া ॥
প্রায়শ্চিত্ত পুছিল তেহো পণ্ডিতেৰ স্থানে।
তাঁৰা কহেন তপ্ত ঘৃত খাইয়া ছাড় প্রাণে ॥
কেহো কহে,—এই নহে অল্প দোষ হয়।
শুনিয়া ৰহিলা ৰায় কৰিয়া সংশয় ॥
তবে যদি মহাপ্রভু ৰাৰানসী আইলা।
তাৰে মিলি ৰায় আপন বৃত্তান্ত কহিল ॥
প্রভু কহে ইহাঁ হৈতে যাহ বৃন্দাবন।
নিৰন্তৰ কৰ কৃষ্ণ নাম সঙ্কীৰ্ত্তন ॥
এক নামাভাসে তোমাৰ পাপ দোষ যাবে।
আৰ নাম হৈতে কৃষ্ণ চৰণ পাইবে ॥"

—চৈতন্যচৰিতামৃত। মধ্যলীলা। ২৫ পৰিচ্ছেদ।

মানুহৰ এনে নৈৰাশ্য আৰু মানসিক দুৰ্দ্দিনৰ দিনত বঙ্গদেশত মহাপ্রভু চৈতন্যই আৰু আসামত তেওঁৰ আগবেপৰা মহাপুৰুষ শ্রীশঙ্কৰদেৱে মাভৈঃ মাভৈঃ ৰৱেৰে দিগন্ত প্রতিধ্বনিত কৰি পাপী, পুণ্যবান, দৰিদ্র, ধনী, তিকতা, শূদ্রিৰ, ব্রাহ্মণ, কায়স্থ, কলিতা, কোচ, কেওঁত, গাৰো, ভোট, যৱন, সকলোকে আশা দি অচল অটল ভাবে, মেঘৰ গম্ভীৰ ধ্বনি জিনা বাণীৰে, গুৰুৰ গভীৰ উপদেশ বাক্যেৰে, মাক বাপেকৰ স্নেহ কৰুণা সনা মাতেৰে কলে—"বোপাইত! তোমালোক কাৰো ভয় নাই, তোমালোক কোনো বিমন বিৰস বিষণ্ণ নহবা, পৰমেশ্বৰৰ ৰাজ্যত তোমালোক কোনো ঘৃণনীয় অস্পৃশ্য নোহোৱা; পৰমেশ্বৰ তোমালোক সকলোৰে পিতা মাতা, তোমালোকক তেওঁ কোলাত তুলি লবলৈ হাত মেলি আছে। পৰমেশ্বৰ অকল পণ্ডিত বামুণৰে অকলশৰীয়া সম্পত্তি নহয়, তোমালোকে কায় বাক্য মনেৰে তোমালোকৰ পিতা মাতা পৰমগুৰু পৰমসুহৃদ পৰমেশ্বৰক মাতাঁ, ভজনা কৰাঁ, তেওঁৰ শৰণাপন্ন হোৱাঁ, তেওঁৰ নাম গুণ কীৰ্ত্তন কৰাঁ; তেওঁক পাবলৈ, ব্রাহ্মণে কোৱাৰদৰে কঠোৰ তপস্যা, দুঃসাধ্য যজ্ঞ হোম কৰিব নেলাগে, শাস্ত্ৰৰ পাক-চক্ৰত সোমাব নেলাগে। আহাঁ, আহাঁ, ৰাম, কৃষ্ণ, বুলি তেওঁক মাতাঁ,

"অচ্যুত কেশৱ বিষ্ণু হৰি সত্য জনাৰ্দ্দন,
হংস নাৰায়ণ অষ্ট নাম।"

তোমালোকে সততে কায় বাক্য মনে লোৱাঁ, তোমালোকৰ মনস্কাম সিদ্ধি হব। নৈৰাশ্যত শুকান আসামক এই আশাৰ বাণী শুনালে শঙ্কৰে। এই বাণী আসামৰ কাণেদি অন্তৰত সোমাই আসামৰ প্রাণ আকুল কৰিলে। নৈৰাশ্য আৰু বিৰহ-অগণিত দহি থকা ৰাধাৰ দৰে আসামে কলে—

"সখি, কে শুনাইল কৃষ্ণনাম!
কাণেৰ ভিতৰ দিয়া মৰমে পশিল গো,
আকুল কৰিল মোৰ প্রাণ।"

শঙ্কৰদেৱৰ আশাবাণী মৃতসঞ্জীৱনী মন্ত্ৰ শুনি আসাম আকুল হৈ উলাহত নাচি উঠিল। জাকে জাকে অসমীয়া শঙ্কৰদেৱৰ কৃষ্ণপ্ৰেম কৃষ্ণভক্তিৰ পতাকাৰ তলত দলবদ্ধ হল। ব্রাহ্মণ, শূদ্ৰ সকলোৱে জাতি-বৰ্ণ-নিৰ্ব্বিশেষে শঙ্কৰৰ মধুৰ বাণী শুনি শান্তি পাই নিজৰ প্রাণত পৰিতৃপ্তি লাভ কৰিলে। সকলোৱে শঙ্কৰদেৱক জনহিতকাৰী কৃপালু গুৰু বুলি তেওঁৰ ওচৰত মূৰ দোৱালে। অসমীয়াৰ এনে উপকাৰী বন্ধু শঙ্কৰদেৱ। হেজাৰ মুখেৰে শঙ্কৰে তেওঁৰ প্রকাশিত সাম্যধৰ্ম্মৰ মন্ত্ৰ প্রচাৰ কৰিলে। নিজ মুখেৰে সেই

আশাৰ বাণী সেই সাম্যৰ ধৰ্ম্ম তেওঁ তেওঁৰ ওচৰলৈ অহাসকলক দিলে; আৰু তেওঁৰ কাষ নোপোৱাকৈ দূৰত থকাসকলক তেওঁৰ ৰচিত ভূৰি ভূৰি শাস্ত্ৰৰ "সহস্ৰ বয়নেৰে" সেই মহাবাণী তেওঁ শুনালে। দেশত আনন্দৰ কল্লোল উঠিল। শাস্ত্ৰ আৰু ধৰ্ম্মৰ monopolists অকলশৰীয়া অধিকাৰী ব্ৰাহ্মণসকলৰ মনত তেওঁলোকৰ সৰ্ব্বনাশ উপস্থিত হোৱা যেন দেখি শঙ্কৰদেৱৰ বিপক্ষে তেওঁলোক থিয় হল। কিন্তু প্ৰকৃত ধৰ্ম্মৰ বলেৰে যি মহাবলী তেওঁৰ গতি কোনে ৰোধ কৰে?

ঈশ্বৰ বিশ্বাসৰ শুভ্ৰ হিমেৰে বিমণ্ডিত উত্তুঙ্গ ধৱলগিৰিৰ হিমৰ স্তুপ যেতিয়া ভক্তিৰ কিৰণেৰে গলি নৈ হৈ বৈ আহিল, কাৰ সাধ্য তাৰ গতি ৰোধ কৰে? সি গাওঁ নগৰ জনপদ সকলোকে ঢোৱাই নিলে। বঙ্গালী মহাকবি মধুসুদনৰ ভাষাৰে কব লাগিলে—

"পৰ্ব্বত হইতে যবে বাহিৰায় নদী,
কাৰ সাধ্য ৰোধে তাৰ গতি?"

স্বাৰ্থত আঘাত লগা ব্ৰাহ্মণ গৰাকীসকলে শঙ্কৰ-প্ৰবাহৰ প্ৰতাপ দেখি ৰজাঘৰত গোচৰ দিয়া, আৰু শঙ্কৰক আৰু শঙ্কৰৰ বৈষ্ণৱ ভকতক নিৰ্য্যাতন কৰা আদি যতবিলাক উপায় আছিল, সোপাকে অৱলম্বন কৰিলে। ব্ৰাহ্মণৰ অকলশৰীয়া অধিকাৰৰ বস্তু গীতা ভাগৱত আদি শাস্ত্ৰ শঙ্কৰ শূদ্ৰিৰে ছোৱা বাবে শঙ্কৰৰ শিৰচ্ছেদৰ ব্যৱস্থাৰেপৰা আৰম্ভ কৰি যত ব্যৱস্থা আছিল তেওঁলোকে সোপাক বিহিলে। অব্যৱস্থিতচিত্ত অলপ জ্ঞানী ৰজাৰ মূৰও তেওঁলোকে নানা লগণীয়া কথাৰে যে শঙ্কৰৰ বিপক্ষে ঘূৰুৱাইছিল, এনে নহয়; কিন্তু সত্যস্বৰূপ মঙ্গলস্বৰূপ ঈশ্বৰৰ বিশ্বাসেৰে, ঈশ্বৰৰ আদেশেৰে বলী শঙ্কৰক সেইবোৰে একো কৰিব নোৱাৰিলে; শঙ্কৰে সত্য ন্যায় সাম্য ভক্তিৰ গোবৰ্দ্ধন পৰ্ব্বত এহাতেৰে তুলি ধৰি, আন হাতেৰে তেওঁৰ শিষ্য ব্ৰজবাসীসকলক মাতি তাৰ তলত সুমাই, অহঙ্কাৰ অন্যায় আৰু অধৰ্ম্মৰূপী ইন্দ্ৰৰ দৰ্পচূৰ্ণ কৰি ব্ৰজবাসীসকলক ৰক্ষা কৰিলে,—"গীত কবিত্ব গুণ, শঙ্কৰ দেৱৰ কীৰিতি গৈয়ো বহুদূৰ" হল। আসামত শঙ্কৰৰ সুকীৰ্ত্তি অচল অটল ভাৱে সুপ্ৰতিষ্ঠিত হল। অনেক পণ্ডিত, ন্যায়নিষ্ঠ, সত্যপ্ৰিয়, সাত্তিক ব্ৰাহ্মণ শঙ্কৰৰ লগ লাগিল। শঙ্কৰবিদ্বেষী ৰাৱণ-ব্ৰাহ্মণসকলৰ ঘৰৰপৰা এই সত্যপ্ৰিয়,



ন্যায়নিষ্ঠ সাত্বিক ব্ৰাহ্মণসকল ওলাই আহি শঙ্কৰৰ শৰণাপন্ন হোৱাত বিভীষণৰ ওপৰত ৰাৱণৰ ক্ৰোধৰ পৰিসীমা নাইকিয়া হোৱাদি তেওঁলোকৰ ক্ৰোধৰ পৰিসীমা নাইকিয়া হল। অকথ্য কটুবচনেৰে এই ভক্ত ব্ৰাহ্মণসকলক তেওঁলোকে গালি পাৰি, এইসকলৰ শিৰচ্ছেদনৰ হুকুম প্ৰচাৰ কৰি দিলে!—কিন্তু বিভীষণ যে ৰামৰ শীতল ছাঁত, তেওঁৰ শিৰচ্ছেদন কৰিবলৈ ৰাৱণে পাব কত? বিভীষণৰ শিৰচ্ছেদন দূৰৰ কথা শেহত ৰাৱণৰ হে সবংশে নিধন ঘটিল।

যেয়ে যিহকে কওক, শঙ্কৰদেৱ আৰু চৈতন্যদেৱে জাতিভেদৰ জাতেৰে পিহ খাই থকা ভাৰতৰ জাতিভেদৰ বান্ধোন আৰু কটকটীয়া কৰিবলৈ অহা নাছিল। বঙ্গদেশৰ প্ৰাচীন বৈষ্ণৱ কবি প্ৰেমানন্দ দাসে চৈতন্যৰ কথা কওঁতে লেখিছে,—

"উত্তম অধম, কিছু না বাছিল, যাচিয়ে দিলেক কোল।
কহে প্ৰেমানন্দ, এমন গৌৰাঙ্গ অন্তৰে ধৰিয়া দোল॥"

চৈতন্যৰ মহাভক্ত বুকুৰ বান্ধ যৱন হৰিদাসৰ কথাই জাতিভেদৰ বিৰুদ্ধে চৈতন্য দেৱৰ মহা বিদ্ৰোহৰ কথা বিভিয়াই দৈ আছে। শান্তিপুৰৰ ডাঙৰ ব্ৰাহ্মণ পণ্ডিত সমাজৰ নেতা শ্ৰীঅদ্বৈতাচাৰ্য্যই ভাল কুলীন ব্ৰাহ্মণৰ প্ৰাপ্য শ্ৰাদ্ধ-পাত্ৰ যৱন হৰিদাসৰ হাতত দান কৰিছিল। এইটো জাতিভেদৰ বিৰুদ্ধে কি এটা ভয়ানক বিদ্ৰোহ ভবি চাওকচোন। অদ্বৈতাচাৰ্য্যই প্ৰাচীন সমাজ এৰি দি এক নতুন সমাজ গঠন কৰা নাছিল; সেই প্ৰাচীন সমাজৰ অন্তৰ্ভুক্ত আৰু নেতা হৈ থাকিয়েই তেওঁ এনে কাৰ্য্য কৰিছিল। চৈতন্যৰ মুখ্য দুজন গোস্বামীৰ মাজৰ এজন কায়স্থ। নৰহৰি সৰকাৰ, নৰোত্তম ঠাকুৰ, উদ্ধৰণ দত্ত, শ্যামানন্দ প্ৰভৃতি ব্ৰাহ্মণ নহয়। ৰায় ৰামানন্দ শূদ্ৰ। ঝড় ঠাকুৰ ভূঁইমালি। উদ্ধৰণ দত্ত সোণৰ-বণিয়া জাতৰ।—অথচ চৈতন্যৰ পৰা ধৰ্ম্ম পোৱা বুলি কোৱা কিছুমান অসমীয়া ব্ৰাহ্মণ ধৰ্ম্মাধিকাৰে তেওঁলোকৰ পুথিত লেখে আৰু আজিকালিও কয়, ইমান এটা ডাঙৰ অসত্তৰ অসত্য কথা যে—শঙ্কৰদেৱে শূদ্ৰিৰ বুলি তেওঁক চৈতন্যই হেনো দেখা নিদিলে, সাক্ষাৎ নকৰিলে!!! এওঁলোকৰ কথা বিশ্বাস কৰিব লাগিলে কবই লাগিব, যে বঙ্গদেশক হৰিনাম হৰিপ্ৰেমৰ ঢলেৰে প্লাৱিত কৰোঁতা, যৱন

হৰিদাসক সাবটি ধৰোঁতা, অন্ত্যজ ৰূপ সনাতনক আকোঁৱাল মাৰি ধৰোঁতা "উত্তম অধম কিছু না বাছিল, যাচিয়ে দিলেক কোল" এইজন চৈতন্য মহাপ্ৰভূ আমাৰ দামোদৰী হৰিদেৱী পন্থীয়া Historian আৰু Blographer অৰ্থাৎ চৰিত্ৰ লেখোতা আৰু ধৰ্ম্মৰ ইতিহাস লেখোতাসকলৰ চৈতন্য নহয়; এওঁ লোকৰ চৈতন্য হাজোৰ মণিকূটত নাইবা সাকৰা মূৰৰ কোনবা এটা চুকত এতিয়াও লুকাই আছে, তাৰপৰা বঙ্গদেশৰ বাঙ্গালী ভক্ত আৰু অসমৰ সৰ্ব্ব-সাধাৰণ অসমীয়া বৈষ্ণৱে দেখিবলৈ পোৱাকৈ এতিয়াও ওলাই আহি পৃথিবীত অৱতাৰ হোৱাই নাই। ধন্য অসমীয়া ধৰ্ম্মধ্বজ Historian চৰিত্ৰলেখক আৰু biographer জীৱনীলেখকসকল! তোমালোকক শলাগিব লগীয়া !!

শঙ্কৰদেৱে জাতিভেদৰ বান্ধোন কটকটীয়া কৰিবলৈ যে নিশ্চয় অহা নাছিল সেই কথা কীৰ্ত্তন দশমৰ এটা পাত মেলিলেই ওলাব; আৰু আগেয়েও অনেক বাৰ আমি ভালকৈ দেখুৱাই আহিছোঁ, সেইদেখি আজি আৰু বিশেষ নকওঁ। শঙ্কৰদেৱে ব্ৰাহ্মণৰ গুৰু নহওঁ বোলাৰ কাৰণ— শূদ্ৰিৰে ব্ৰাহ্মণৰ গুৰু হলে বেদৰ বিধানৰ উলঙ্ঘা কৰা হয় যে সেইটো কাৰণৰ পৰা যিমান খিনিয়েই নহওক, এইটো কাৰণ তাতকৈ অনেক পৰিমাণে বেছি যে -ব্ৰাহ্মণ অৰ্থাৎ কলিৰ ব্ৰাহ্মণ শঙ্কৰদেৱৰ প্ৰচাৰিত সাম্যনীতিমূলক সাত্বিক বৈষ্ণৱ ধৰ্ম্ম পালন কৰিবলৈ অনুপযুক্ত। বজাই সেই ধৰ্ম্ম পালন কৰিব নোৱাৰে বুলি তেওঁ খোলাধুলিকৈ কৈ বজাক শিষ্য নকৰিছিল; কিন্তু বামুণৰ বিষয়ে সেই কথাষাৰ সিমানকৈ ভাবি কোৱা নাছিল। তেওঁ জানো কোনো কোনো বামুণক আৰু বিশিষ্ট বামুণক শিষ্য কৰি শৰণ দিয়া নাছিল? ৰাম ৰাম গুৰু, বিয়াসকলাই, মহেন্দ্ৰ কন্দলী, অনন্ত কন্দলী আদি অনেকৰ নাম কব পাৰি, যাৰ বিষয়ে আমি "মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ" গ্ৰন্থত খুলি লেখিছোঁ। যিসকল ব্ৰাহ্মণক একান্ত বিশ্বাসী আৰু তেওঁৰ অনুগত দেখিছিল, আৰু যিসকলক তেওঁ শৰণ নিদিওঁ বুলি প্ৰত্যাখান কৰাতো যিসকলে তেওঁক একোতে নেৰি তেওঁত শৰণ মাগিছিল, সেইসকলক তেওঁ শৰণ দিছিল। তেওঁ জানিছিল, বামুণে চিৰকাল লোকৰ, বিশেষকৈ শূদ্ৰৰ গুৰুগিৰি কৰি আহিছে; তেওঁলোক by nature স্বভাৱতে ক্ষমতাপ্ৰিয়, আৰু আন জাতৰ ওপৰত প্ৰভুত্বপ্ৰিয়; তেওঁলোকে "তৃণাদাপি



সুনীচেন তৰোৰিব সহিষ্ণুতা" মূলক তেওঁৰ সাত্বিক ধৰ্ম্মৰ spirit প্ৰাণ ৰক্ষা কৰিব নোৱাৰিব, পালন কৰিব নোৱাৰিব,—কাৰণ ক্ষমতাৰ বাগি, প্ৰভুত্ব-প্ৰিয়তাৰ বাগি আৰু সৰ্ব্বশ্ৰেষ্ঠ জাতিৰ মৰ্য্যাদা বুলি পদাৰ্থ এটাৰে একেবাৰ নোৱাৰাকৈ বা অতি কষ্টেৰেহে একেবাৰ পৰাকৈ লগ লাগি থকা মনৰ মই-ৰব অৱস্থাৰ এনে এটা বাগি বামুণৰ গাত আছে যে সি কালক্ৰমত আৰু তেওঁৰ অনুপস্থিতিত তেওঁৰ সাত্বিক ধৰ্ম্মক ৰাজসিক ভাৱাপন্ন কৰি পেলাবই। এই নিমিত্তেই তেওঁ বামুণৰ গুৰু নহওঁ বুলি বামুণক ওভোতাই পঠিয়াইছিল, আৰু এৰাব নোৱাৰা বামুণ জনৰ হে গুৰু হৈছিল;—আৰু শেহত দামোদৰ দেৱক পাই বামুণক শৰণ দিয়াৰ ভাৰ দামোদৰ দেৱৰ গাত দি আৰু তেওঁত শৰণ লবলৈ অহা বামুণক দামোদৰ দেৱৰ ফালে পঠিয়াই দি তেওঁ ৰক্ষা পৰিছিল। শঙ্কৰদেৱে জানিছিল, যে তেওঁৰ প্ৰভাৱত মন্ত্ৰমুগ্ধ হৈ সম্প্ৰতি বামুণে কুল মৰ্য্যাদালৈ মন নকৰি তেওঁৰ কাষত মস্তক অৱনত কৰি শিষ্যত্ব গ্ৰহণ কৰিলেও, পিছত তেওঁ যেতিয়া এই পৃথিবীত আৰু নাথাকিব, তেতিয়া তেওঁৰ সেই personal hypnotizing influence ব্যক্তিগত মন্ত্ৰমুগ্ধ প্ৰভাৱৰপৰা ব্ৰাহ্মণ শিষ্যসকল মুকলি হব বা আঁতৰ হব, তেতিয়া তেওঁৰ এনে নিৰ্ব্বিকাৰ সাত্বিক ধৰ্ম্মত বামুণে ভাঁজ দি লৰচৰ কৰি তাত ব্ৰাহ্মণৰ প্ৰাধান্য সুমাই তাক আকৌ এটা ৰাজসিক ব্ৰাহ্মণৰ ধৰ্ম্ম কৰি পেলাব। তেওঁ জানো চকুৰ আগতে দেখা নাছিল, ব্ৰাহ্মণ্য ধৰ্ম্মৰ বিদ্ৰোহী ধৰ্ম্ম প্ৰবৰ্ত্তকসকলকো ব্ৰাহ্মণে কালক্ৰমত ঈশ্বৰৰ এক অৱতাৰ বুলি স্বীকাৰ কৰি লৈ নিজৰ ভিতৰত সুমাই লৈ সেই ধৰ্ম্ম প্ৰবৰ্ত্তকে ক্ষুণ্ণ কৰি দিয়া ব্ৰাহ্মণৰ নিজৰ প্ৰাধান্য আকৌ recover কৰি অৰ্থাৎ পুনৰউদ্ধাৰ কৰি অক্ষুণ্ণ কৰিছে? আনকি ব্ৰাহ্মণ্য ধৰ্ম্মৰ ইমান বিদ্ৰোহী বুদ্ধদেৱকো ব্ৰাহ্মণে জাপ নিয়াই নিজৰ কৰি ললে। সেইদেখি by nature "তৃণাদপি সুনীচ" হব নোৱাৰা ব্ৰাহ্মণক তেওঁ wholesale একেবাৰেই তেওঁৰ টোলৰপৰা বাদ কৰিবৰ ব্যৱস্থা কৰিছিল। কিন্তু দুখৰ বিষয় তেওঁ নোৱাৰিলে। বামুণৰ ওচৰত শঙ্কৰদেৱ হাৰিল। প্ৰথম দল তেওঁৰ নিবহ নিপানী ভকত আৰু লগৰীয়া হৈ তেওঁৰ টোলত সোমাল। দ্বিতীয় দল অন্ন বস্ত্ৰৰ নিমিত্তে তেওঁৰ কৰুণাভিক্ষাৰী হৈ পোন বাটেই বা নৌকা বাটেৰে তেওঁৰ ধৰ্ম্মক ধৰি অন্ন বস্ত্ৰ আৰু ক্ষমতাৰ অধিকাৰী হৈ গোজেই

গছ হৈ উঠিল। ফলত যি অনিষ্টৰ ভয় শঙ্কৰদেৱে কৰিছিল সেয়ে হল। অকল সেয়ে হৈ নাথাকিল,—আৰু হল। যি ঋষিয়েই কৃপা কৰি এন্দুৰটোক ডাঙৰ কৰি কৰি আনি বাঘ কৰিছিল, সেই ঋষিৰেই ডিঙিত সেই বাঘ জাঁপ মাৰি পৰিব খুজিলে! সেই ঋষিয়ে যে সেই এন্দুৰক বাঘ কৰিছিল, সেই নাম বা বদনাম একেবাৰেই গুচাবৰ ইচ্ছা হল বাঘৰ! এই চেষ্টা আজিৰ নহয়; শঙ্কৰদেৱৰ তিৰোভাবৰ কালৰেপৰা এই চেষ্টা চলিব লাগিছে। বঙ্গদেশতো ঠিক এনে অৱস্থাই ঘটিল। সাম্যবাদেৰে অনুপ্ৰাণিত চৈতন্যদেৱৰ ধৰ্ম্মকো ব্ৰাহ্মণ গোস্বামীসকলে তাঁকে কৰিলে আৰু কৰিছে। মুছলমান ভাৰতলৈ অহাৰ প্ৰায় তিনিশ বছৰৰ পিছত চৈতন্যৰ আবিৰ্ভাব। তেতিয়া পৰ্টুগীজ ভাৰতত সোমাইছেহি। এক মুছলমানৰ পদৰ্ঘণতে হিন্দু লেৰেলা, তাতে য়ুৰোপীয় লাহে লাহে আহি উপস্থিত। চৈতন্যই দীৰ্ঘ দৃষ্টিৰে দেখিবলৈ পালে, যে কিছু দিনৰ পিছত মুছলমান ধৰ্ম্মৰ নিচিনাকৈ খৃষ্টীয়ান ধৰ্ম্মৰ ঘাত প্ৰতিঘাতত হিন্দু জৰ্জ্জৰিত হব। হিন্দুৱে মাথোন অলপ কথাতে নিজৰ সমাজৰ মানুহক জাত গল বুলি বৰ্জ্জন কৰি, ন্যায়ৰ জটিল তৰ্ক কৰি, মিছা ভেম আৰু সাৰশূন্য আড়ম্বৰ কৰি, টিকিব নোৱাৰে। আগেয়ে হিন্দুৱে জাত হেৰুৱালেই নিৰুপায় হৈ মুছলমানৰ জাত লব লগাত পৰিছিল, আৰু এইদৰে যে কত অসংখ্য হিন্দু মছলমান হব লগীয়াত পৰিছিল তাৰ ঠিক নাই। চৈতন্যই লাহে লাহে হিন্দুক তাৰপৰা ৰক্ষা কৰিবলৈ বৈষ্ণৱ বৰাগীৰ এটা জাত সৃষ্টি কৰিলে। এই দৰে অনেক হিন্দু একেবাৰেই মুছলমান হোৱাৰ পৰা ৰক্ষা পৰিল। কিন্তু সমাজৰ ব্যৱস্থাপক ব্ৰাহ্মণে সেই ওখ কাৰ্য্যৰ গাতো বেয়া ছাব মাৰি তাক তললৈ নিবলৈ যত্নৰ ক্ৰটী নকৰিলে. আৰু ফলত কৃতকাৰ্য্যও হল।

আসামত শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ নিচিনাকৈ বঙ্গদেশতো চৈতন্যৰ আবিৰ্ভৱ সময় এটা excitement অৰ্থাৎ উদ্দীপনাৰ সময়। সেই সময়ত আচল খাই পদাৰ্থটোলৈ আৰু সেই উদ্দীপক মহাপুৰুষৰ ফালে হে মানুহৰ চকু মন আছিল, জাত-ফাত আদি ক্ষুদ্ৰ বস্তবোৰৰ ফালে নাছিল। বঙ্গদেশত চৈতন্য থকা সময়ত আৰু পিছতো কিছুকাললৈকে চৈতন্য পন্থীয়া কায়স্থ বৈদ্য আদি জাতৰ গুৰুৱে ব্ৰাহ্মণক দীক্ষা দি শিষ্য কৰিবলৈ ধৰিলে। উদ্দীপনাৰ সময়ত



সকলো সম্ভৱ। কিন্তু excitement উদ্দীপনা স্থায়ী নহয়। সি গলেই, লাভ লোকচান৷ হিচাপৰ সময় আহে। চৈতন্য গলতে, তেওঁৰ hypnotizing influence মহাপ্ৰভাৱ আঁতৰিলতে সেই excitement জামৰিল; চৈতন্যৰ ব্ৰাহ্মণ শিষ্যসকলে ভালি চালে ;—কি আচৰিত কথা! গুৰুগিৰিৰ ব্যৱসায় আন জাতৰ মানুহে কিয় কৰিব? আমি বামুণৰ হে সেইটো ব্যৱসায়। ইয়াকে ভাবি, প্ৰথমতে তেওঁলোক নানা চিন্তাত দোলায়মান হৈ থাকি এবাৰ ইফালে এবাৰ সিফালে মত দি আৰু শিষ্যক এবিধ ব্যৱস্থা দি আৰু নিজলৈ আন এবিধ ব্যৱস্থা কৰি আছিল; স্মাৰ্ত্ত ৰঘুনন্দৰ প্ৰভাৱ বঙ্গত বৰ বেছি। এই প্ৰভাৱৰ আগত বৈষ্ণৱ বামুণ গোস্বামীসকল পৰাস্ত হৈ "শ্যাম ৰক্ষা আৰু কুল ৰক্ষাৰ" ব্যৱস্থা কৰি চলিবলৈ ধৰিলে। বৈষ্ণৱৰ ওচৰত তেওঁ লোকে "হৰিভক্তি বিলাস" পুথিৰ বচন উদ্ধাৰ কৰে আৰু স্মাৰ্ত্তৰ ওচৰত ৰঘুনন্দনৰ বচন উদ্ধাৰ কৰে। আসামতো এই দশা এই অৱস্থাই হল। শঙ্কৰদেৱৰ আৰু শঙ্কৰদেৱৰ মতানুগামী দামোদৰ দেৱৰ একশৰণীয়া অব্যভিচাৰী ধৰ্ম্মাধিকাৰসকলে দুই পক্ষ ৰক্ষা কৰি সকলো পূজাৰে মন্ত্ৰ শিষ্যক দিবলৈ ধৰিলে, আৰু কথায় কথায় ৰঘুনন্দনৰ স্মৃতিশাস্ত্ৰৰ ব্যৱস্থা, "শূলপাণি" "গঙ্গাজল" "বিপুল্লৱৰ" ব্যৱস্থা দিয়াৰ একোজন স্মাৰ্ত্ত পণ্ডিত তেওঁলোক হৈ পৰিল। চৈতন্যৰ বৈষ্ণৱ ধৰ্ম্ম, শঙ্কৰৰ বৈষ্ণৱ ধৰ্ম্ম এই দৰেই তেওঁৰ বামুণ শিষ্যৰ দ্বাৰায়েই আংশিকভাৱে পৰাজিত হল, আৰু বৈষ্ণৱ ধৰ্ম্মৰ বাহিৰে ভিতৰে থকা সদায় সতৰ্ক সদায় সশস্ত্ৰ ব্ৰাহ্মণ্য ধৰ্ম্মৰ জয়-জয়কাৰ ধ্বনি উঠিল।

কিন্তু সত্য শুদ্ধ ধৰ্ম্ম, ন্যায়ৰ ধৰ্ম্ম অমৰ। সি আকৌ মুৰ ডাঙি উঠিছে। হেৰা অসমীয়া চোৱা, পূবলৈ চোৱা, উষাৰ অৰুণ কিৰণ আকৌ সোৱা ওলাইছে!

---

# চিংফৌ।

## আঁতি-গুৰি।

চিংফৌ মানে (তাইাতৰ দোৱান মতে) মানুহ। চিংফৌইতৰ উৎপত্তিৰ কথা তাইাতে নিজেই ভালকৈ নেজানে। আৰ তাৰ পৰা শুনি যিমান দুৰ বুজিব পৰা গৈছে তাকে লিখা হল। ৯টা ‘নেট’ অর্থাৎ দেশ আছিল। এটা মতা, এজনী মাইকী। মতাটোৰ নাম ‘চুহুন্’ মাইকীজনীৰ নাম ‘ওইচুন’। ওইচুনৰ গর্ভৰপৰা এটা কোমোৰা ওলায়। কোমোৰাটো ‘ফানওৱা নিংচান্’ নামৰ মানুহ এটাই ফলাত তাৰপৰা ‘নিউহুং চাভি’ নামৰ এটা মানুহ আৰু তাৰ ‘তুইগচান্’ নামৰ এটা পুতেক ওলায়। এই তুই গচানৰ আকৌ ‘নাৰিপ,’ ‘ঝাগুন’, ‘মেইচা’, চিফাই’, ‘ইউহুহচানপেন তিংচা’, ‘চিচৌ কাচা’ আৰু ‘উকিন মেৱান’ নামৰ ৭টা লৰা হয়। ইহঁতৰ এটাৰ পৰাই চিংফৌ জাতিৰ উৎপন্ন হয়।

## পুৰণি-ভেটি।

আদিতে চিংফৌইত মানদেশৰ ইৰাৱতী নৈৰ প্রধান প্রধান সুঁতিৰ ওপৰত থকা মানুহ। তাত তাইাতক কাখ্যেন বা কাকু বুলি জানে। ইহঁতৰ মাত কথাআৰু গুৰিডোখৰ কুমুংইতৰে একে। তাইাতৰ মানুহ ইউনানৰ গুৰিৰ পৰা কোনঙ্গোৱেনৰ উপত্যকালৈকে জুৰি আছে। তাৰপৰা আসাৰিলৈ বাগৰি অহাৰপৰাহে তাইাতৰ নাম চিংফৌ হল। সিহঁতে পোনতে ইয়ালৈ আহি সদিয়াৰ বৰ থামতীৰ উত্তৰত থকা ‘কেহাং চিংকং’ নামৰ পর্বতত ঠাই লয়। ইয়াৰপৰা উজাই ভৈয়ামলৈ অহা আজি ১৯।২০ পুৰুষ হৈছে বুলি তাইাতে কয়। ভৈয়ামলৈ নমাৰ কিছুদিনৰ পাছতো তাইাতৰ পৰাক্রমী আৰু দুর্দান্ত ৰজাবোৰে হুকঙৰ ভালেমান ওপৰত থকা কাম্পাং নগাইতক নানাবকম দৌৰাত্ম্য কৰিবলৈ আৰম্ভ কৰে। চিংফৌইতৰ নৃশংস ব্যৱহাৰত তত্ নেপাই নগাইতে তাইাতৰ বশ্যতা স্বীকাৰ কৰে আৰু চিংফৌইতকে নগাবোৰে তাইাতৰ সঁচাসঁচি ৰজা বুলি মানি লয়। তেতিয়াৰপৰা লেহু পালেই চিংফৌইতে নগাইতক গোলাম বোৱাদি বায়। এই নগাবোৰে চিংফৌ



দোৱান ভালকৈ কব পাৰে আৰু তাইাতে নিজক ‘নিংক’ ‘বিচা’ আৰু ‘চম্বীয়া’ নগা বুলিহে চিনাকি দিয়ে।

## জাত আৰু খেল।

চিংফৌইতৰ ভিতৰত কেবা জাতৰো মানুহ আছে। ইহঁতৰে হুকং আৰু আসামৰ কিছুমানক ‘থা খুছ’ বোলে। থা খুছ জাতৰ মানুহ মান দেশলৈকে জুৰি আছে। সিফালে তাইাতক কাক্কিনেচ্ বোলে। ইহঁতৰ খেলো বহুত। তাৰে ভিতৰত ‘মেৰিপ’, ‘টিচু’, ‘ঝগান’, ‘চেফাই’, ‘চম্পেং’, ‘পেনতিংচা’, ‘ইউথুমচা’ বা ‘থাথু’ আৰু ‘মিংবাই’ খেলেই প্রধান। এই খেলবোৰৰ ভিতৰত কাৰো ভাল ভাব নাই। প্রায় দ্বন্দ কাজিয়া লাগে; সময়ত কটাকটিও হয়। ইফালে আকৌ দুপুৰুষ আঁতৰ হলেই কিন্তু প্রত্যেক খেলৰ ভিতৰতে ছোৱালী অনা নিয়া কৰে।

## যুজ-বাগৰ।

১৭৯৩ চনত গৌৰীনাথ সিংহ ৰজাৰ দিনত মোৱামৰীয়াৰ লগত আহোমৰ যুদ্ধ-বাগৰ হৈ থাকোঁতে চিংফৌইতে মোৱামৰীয়াইতৰ লগ লাগি ৰংপুৰত সোমাই কটা মৰা ডকা-হকা দি অসমীয়া মানুহক বৰ পয়মাল কৰিছিল। ১৭৯৮ চনত তাহাঁতৰ লগত যুদ্ধ লগাত তাহাঁত থাটি হটি যায়। আকৌ মানে আহি আসামত যেতিয়া উপদ্রৱ কৰেহি তেতিয়া চিংফৌহঁতক লগত লৈ মানে হাজাৰ ২ অসমীয়া মানুহ বন্দী কৰি তাহাঁতৰ দেশলৈ লৈ যায়। ১৫০০ মানুহে দল বান্ধি আহি সদীয়া খোৱা গোহাঁইক আটক কৰি থয় আৰু মটকৰ বৰ সেনাপতিক আক্রমণ কৰে। দুইও তত্ মত্ নেপাই বৃটিছৰ সহায় বিচাৰিলে। এনোত ১৮২৫ চনত আকৌ মান হঁতে পাট কাইত আহি দেখা দিলে। চিংফৌহঁত তাহাঁতৰ লগ লাগিল। তাহাঁতৰ ৩ হেজাৰ মানুহেৰে এদল যাঠি, তৰোৱাল, হিলৈ, লাঠি লৈ সদিয়া আক্রমণ কৰাৰ উদ্দেশ্যে পোনাই আহিল। এই দলৰ সেনাপতি ভৰাকুঁৰী কুম্রি নামৰ এটা ৰজা আছিল। তাহাঁতৰ লগত যি যুজিব তাকে গোটে ২ সাঙুৰি নিবলৈ আৰু সদিয়াৰপৰা বৃটিছক খেদাই দিব পাৰিম বুলি ভাঠ হৈ আহিছিল। এই যুদ্ধৰ নিমিত্তে তাহাঁতে তিনি বছৰৰ আগৰপৰা যো-যা কৰিছিল। ঠায়ে ২ খোৱা-বোৱা বস্তু-বেহানি দমাই ২ থৈছিল।

বন্দীহঁতক বান্ধি-চাটি নিবলৈ ১০ হেজাৰ শিকলী লগত আনিছিল। কিন্তু কাপ্তান নফভিলে ৫৭নং নেটিভ ইনফেণ্ট্ৰিৰ সৰু এদল সৈন্য লৈ তাহাঁতক হৰুৱালে আৰু মানক চিংফৌ গাৱঁৰপৰা বাজ কৰি পঠিয়ালে। চিংফৌবোৰ তেতিয়া সৈমান হল। মানৰ হাতৰপৰা কাপ্তান নফভিলে বন্দী কৰি নিয়া ৬ হেজাৰ অসমীয়া মানুহক উদ্ধাৰ কৰি আনে। ১৮৩০ চনত এক লাখ অসমীয়া মান দেশত আছে বুলি জনা যায়।

চিংফৌহঁতৰ গাওঁ মোৱামৰীয়া দেশৰ উত্তৰ সীমাৰ গুৰিৰপৰা ন দিহিং আৰু টেঙাপানী নৈৰ সিপাৰলৈকে আছে। তাহাঁতে ইংৰাজক কোনো কৰ দিব নেলাগে। তাহাঁতৰ প্ৰধান মানুহ বিচা গামে আৱশ্যক হলে চৰ্কাৰক ৮০ টা মানুহ যোগাব লাগিব আৰু পাটকাইৰ বাটত বা তাৰ ওচৰৰ কোনো ঠাইত কটা মৰা হলে বা কোনো যুদ্ধ-বাগৰ হোৱাৰ আগন্তুক দেখিলে ততালিকে চৰ্কাৰক জনাব। কিন্তু দৰাচলতে ইহঁতৰ দৌৰাত্ম্যৰ এতিয়াও ওৰ পৰা নাই। দফা গাম আৰু বিচা গামৰ মাজত মাটিৰ সীমা লৈ খোৱা-কামোৰা লাগিল। এই কাজিয়াৰ পৰিণামত দফাই বিচাৰ গাৱঁত সোমাই ৯০টা মানুহ কাটিলে। এই আচাৰ নিবাৰণৰ বাবে ইংৰাজ ফৌজ পঠিয়াব লগা হৈছিল।

বছৰ চেৰেক টভক মাৰি থাকি ১৮৪৩ চনত চিংফৌহঁতে আকৌ ককালত টঙালি-বান্ধি উঠিল। এইবাৰ তাহাঁতক মান আৰু ছান দেশীয় নানা জাতৰ মানুহে সহায় কৰিছিল। আহোম ৰাজবংশৰ টিপামৰ ৰজাই চিংফৌহঁতক উচটাই দিয়া বুলি ধৰে। টিপামৰ ৰজাৰ এজনী ভনীয়েক মানৰ ৰজালৈ পৰিছে। মানৰ ৰজাই টিপাম ৰজাক হৰুভৰ শাসনকৰ্ত্তা পাতিছিল। চল পালেই আসাম আক্ৰমণ কৰিব লাগে বুলি টিপামৰ ৰজাক কোৱা আছিল। এই কথা শুনি ইংৰাজৰ এদল সেনা ততালিকে চিংফৌহঁতৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিলে। ভালকৈ মাহচেৰেক যুজিলে। অন্তত জানিবা চিংফৌহঁতক বৰ হৰুৱালে। শত্ৰু পক্ষৰ দলপতিহঁতক বন্দী কৰিলে। আৰু এই বাৰ চিংফৌহঁত একেবাৰেই সেও হল। তেতিয়াৰপৰা দেখাদেখিকৈ যদিও তাহাঁতৰ কোনো উৎপাত নাই তথাপি ৮৯৮ চনত এটা হত্যাকাণ্ড হয়। বুঢ়ী-দিহিং মৌজাদাৰে বিচা ৰজাৰ গাৱঁৰপৰা খাজানা তুলিব পাৰি বুলি ডেপুটি কমিছনাৰক জনায়। এই প্ৰস্তাব মতে এটা দোৱনীয়াক বিচা ৰজাৰ মাটি জুখিবলৈ পঠিয়ালে। দোৱনীয়াবোৰক চিংফৌহঁতৰ গোলাম বুলি ভাবে। বিচা ৰজাই ইয়াত বৰ অপমান বোধ কৰিলে। ইয়াৰ অলপৰ পাছতে মৌজাদাৰটোক কোনোবাই গুলি কৰি মাৰিলে। বিচা ৰজাৰ কোনো মানুহে এই কাণ্ড কৰিলে বুলি সন্দেহ হল। কিন্তু যথাৰ্থতে কোনে মাৰিলে আজিলৈকে উলিয়াব পৰা নাই। এই হত্যাৰ দণ্ড স্বৰূপে বিচা ৰজাৰ গাৱঁে চৰ্কাৰক খাজানা নিয়ম মতে দি থাকিব লগীয়া হল।



## ধৰ্ম্ম-বিশ্বাস।

ইহঁত বৰ কুসংস্কাৰ গ্ৰস্ত। ঈশ্বৰৰ অস্তিত্ব মানিব নোখোজে বুলিও নানা দেও পূজা আদি পাতে। মহ, গাহৰী, মদ, ভাত উছৰ্গি দেও পূজা কৰে। ইহঁতৰ বহুত দেও আছে। (১) চিংলিপ বা চিলিপ (২) নংচি (৩) চনেট (৪) চাওৱা নেট (৫) চিথুং নেটক বৰ মানে। চিংলিপ বা চিলিপক (আকাশ দেৱতা) তুষ্ট ৰাখিবলৈ প্ৰতি বছৰে প্ৰত্যেক ঘৰতে ঘৰৰ চোতালত তেওঁৰ পূজা পাতি গাহৰী, কুকুৰা, মদ ভাতেৰে বং ধেমালি কৰে। হাবিত কাঠ কাটিবলৈ বা চিকাৰ কৰিবলৈ গলে বনৰীয়া হিংস্ৰ জন্তুৰ হাতৰপৰা সৰুৱাবলৈ চনেটৰ (বন দেৱতা) পূজা পাতে। কাৰবাৰ দুৰ্ঘটনা ঘটিলে চাওৱা নেটক মাতে। এই 'নেট' জন বৰ খঙাল বোলে। সেই কাৰণে চিংফৌহঁতে এওঁলৈ বৰ ভয় কৰি থাকে। কোনো মানুহ বলীয়া হলে চিথুং নেটৰ পূজা কৰে। সইচ-ভইচ হানি নহবৰ নিমিত্তে আৰু বনৰীয়া জন্তুৱে খাই যেন নষ্ট নকৰিবলৈ ঝুনেটৰ (পৰ্ব্বত দেৱতা) পূজা পাতে। আসামত থকা চিংফৌবোৰে 'মনবুম্ নেটৰ' পূজা কৰে। মনবুম্ এটা ডাঙৰ ওখ পৰ্ব্বত। এই পৰ্ব্বতটো সদিয়াৰ দক্ষিণ—পূবত আছে। কেৱল পূজা কৰাৰ কাৰণেহে পৰ্ব্বতটোত একো খেতি-বাতি নকৰাকৈ বা গাওঁ নপতাকৈ সুকীয়াকৈ ৰাখিছে। আজিকালি জানিবা খামতীহঁতৰ সংস্ৰৱত থকাত চিংফৌহঁতে লাহে ২ বৌদ্ধ ধৰ্ম্ম লবলৈ শিকিছে। পুনৱেৰে (ছানহঁতৰ পুৰোহিত) কিছুমানক সৰপ জান বুলি ভাবে। এই পুৰোহিতে ভৱিষ্যতত কি হব নহব কবলৈ হলে এটা প্ৰমাণ চায়। মানুহ দুমুহ থকা ঠাইৰপৰা আঁতৰি একুৰা জুই ধৰি এমুঠা নল গোটাই লয়। এই নল এডাল এডালকৈ

জুইত ফুটাই থাকে। নল ফুটি যি সৰু ২ চলি একোডাল চিটিকি পৰে, তাক চাই চিস্থি কি ঘটিব নঘটিব কয় আৰু কোৱা মতে সঁচাস চিকৈ ফলিয়ায়। অলে-তলে যাবব হলে যিটো বাটেৰি যায়, সেই বাটত এটা কণী পুতি বা বাটৰ দুই কাষে ওলমি ওকা বাঁহৰ চিটিপনি বা আন গছৰ সৰু ২ ডালবোৰ তাতিৰ দৰে কৰি মুৰিবাই বাটৰ দুই কাষত পেলাই নোযোৱাকৈ কেতিয়াও নেযায়। ইইঁতৰ বিশ্বাস, তেনেকুৱা কৰি নগলে বোলে ঘুৰি আহিবৰ সময়ত বাট বিচাৰি নেপায়।

## অস্ত্র-শস্ত্র।

চিংফৌহঁতৰ ৰণৰ প্ৰধান অস্ত্ৰ দা যাঠি আৰু হিলৈ। হিলৈ খেহ দেশৰ পৰা আনি লয়। দুহাত বেৰৰ মহৰ চালৰ ঢাল ব্যৱহাৰ কৰে। শত্ৰুৰ লগত যুজিবলৈ হলে সহজে ওচৰ চাপিব নোৱৰা ঠাইত কোঠ মাৰে। এটা কোঠত হেঁাহঁকালে ওচৰৰ আন এটালৈ যায়। সেই কাৰণে যেই সেই শত্ৰুৱে ইহঁতক সততাই বলে নোৱাৰে। ঘৰৰপৰা ওলাই যাবলৈ হলে বাঁহেৰে সজা ধুনীয়া এটা চোঙা লগত লয়-ঘৈণীয়েকহঁতে কৰা ফুল বছা কাপোৰৰ সৰু সৰু থপ্লাত, পাইপ, কানী থোৱা মোনা গাত থাকে।

## কাৰিকৰি।

ইহঁতে বৰ ভাল কমাৰৰ কাম জানে। লো গলাব পাৰে। ডাঙৰ চোকা দা তৰোৱাল, এটা যেনে তেনে হাতুৰিৰে, তলত এডোখৰ শিল থৈ কোবাই কোবাই কৰে। চিংফৌহঁতে নিজৰ কাপোৰকানি নিজে বৈ লয়। বোৱাৰ আগেয়ে সুতাবোৰ বঙা, হালধীয়া বঙত বোলায়। আচু-কাঠ আৰু বাঁ থৈ নীউৰ পৰা বং কৰে।

## বিয়া-বাৰু।

চিংফৌহঁতৰ ভিতৰত সৰুতে ছোৱালী উলিয়াই দিয়া নিয়ম নাই। পৈনত বয়স নহলে কোনো লৰাই বিয়া কৰাব নোৱাৰে। ছোৱালী গাভৰু হলে ডেকা মানুহৰ সগত অবাধে ফুৰা-চকা কৰে। কোনো উলিয়াই নিদিয়া ছোৱালীৰ মাকৰ ঘৰতে জহৰা লৰা হলে সেইটো বৰ কেলেঙ্কাৰী বুলি নেভাবে। কোনোৱে বিয়া কৰাব খুজিলে পোনতে তাৰ এটা সমনীয়া



মানুহৰ হতুৱাই দুটামান কণী, কিছু মদ, আৰু কিছু অলঙ্কাৰ দি ছোৱালীৰ বাপেক মাকক কোৱায়। যদি বাপেক-মাক ৰাজি হল ছোৱালীৰ গা-ধন ঠিক কৰিব। গাধনৰ বাবে মহ, হিলৈ, বৰকাঁহ, ৰূপ ইত্যাদি বস্তু লবাৰ অৱস্থা চাই দিব লাগিব। সেই মতে দিবলৈ মান্তি হলে বিয়াৰ দিন ঠিক কৰিব। তাৰ পাছত এটা ভোজ দবাৰ ঘৰত আৰু এটা ভোজ কইনাৰ ঘৰত হয়। তালৈ গাৱঁৰ আটাইবোৰ মানুহ মাতে। দৰাৰ ঘৰত আগ-চোতালৰ মাজলৈকে চিকুণাই মাজে ২ এটা বাট ৰাখি দুফাল কৰে। চোতালৰ বাওঁ ফালৰ পোনে ঘৰৰ ভিতৰলৈ বোৱাই এটা বাট থাকে। মাজত দেওপূজা পাতে। সেই পূজাত গাহৰী, কুকুৰা, মদ উছৰ্গে। পূজাৰ সময়ত দৰা-কইনা একে লগে চোতালৰ বাওঁফালৰ আলিয়েদি গৈ ভিতৰত সোমায়গৈ। নিশালৈ দুই চাৰি গাৱঁৰ বুঢ়া আহি ছোৱালীক কেনেকৈ ঘৰ চলাব লাগে, কেনেকৈ মতাক মানিব লাগে ইত্যাদি সাৰুৱা কথাৰে শিকনি দিয়ে। ইমানতে বিয়াৰ কাৰ্য্য অন্ত হয়। ইহঁতৰ এটা বৰ জঘন্য প্ৰথা আছে। বাপেক মৰিলে তাৰ মাহীমাকক বিয়া কৰাব পাৰে। ককায়েকৰ ৰাৰী বোৱাৰীকক সচৰাচৰ বিয়া কৰায়েই। এটা মানুহে কোৱাজনীও মাইকী ৰাখিব পাৰে। ব্যভিচাৰ দোষ বৰ ডাঙৰ বুলি ভাবে। এনে দোষত পৰিলে প্ৰাণ হৰুৱাৰ আশঙ্কা থাকে।

## অন্ত্যেষ্টি-ক্রিয়া।

ইহঁতে মৰা শবটো পোতে আৰু পোৰেও। দুখীয়া প্ৰায়বোৰে পোতে। মৰা শবটো সাধাৰণতঃ দুদিন বা তিনদিন থৈ থাই পথালি নতুন কাপোৰেৰে মেৰিয়াই থয়। তাৰ পাছতহে পোতেগৈ। তাঁহাতৰ ভিতৰত যদি কোনো ডাঙৰযুৰীয়া যুথীয়াল মানুহ মৰে তেন্তে তাৰ শবটো পোতা বা পোৰা ঠাই ডোখৰত এটা ঘৰ সাজে। সেই ঠাইত এটা ডাঙৰ ভোজ দিয়ে আৰু তাত এটা মেলা বহে। এই মেলা ২ দিনৰপৰা ৮ দিনলৈকে থাকে। এই কেই দিনত মেলালৈ যোৱা আটাইবোৰ মানুহক মৃতকৰ আপোন মানুহে বহুতো গৰু, মহ মাৰি ভোজ খুৱায়। তাত নানা ৰকম বং-হিলৈ ফুটাই বাজী কৰি বং ধেমালি কৰে। মৰাৰ জীৱটোৱে অনাই-বনাই ঘূৰি ফুৰিবলৈ অনেক দেওক পূজা দিয়াও হয়। কোনো মানুহক বনৰীয়া জন্তুৱে মাৰিলে বৰ বেয়া বুলি

কয় আৰু কোনো মাইকী প্ৰসৱ বেদনাত মৰিলে বৰ দুৰ্ঘটনা বুলি ভাবে। অপঘাতত মৰিলে কাম-কাজ কিছু বিভিন্ন হয়। তেতিয়া মৰা শবটো বৰ অশুচি বুলি ধৰে। মৃতকৰ আত্মীয় কুটুম্বইহে তেতিয়া শবটো নি পুতিব বা পুৰিব। অইন কোনো মানুহে নোছোৱে। যদি আন মানুহ লগায় তেন্তে বহুত টকা ভৰিব লাগে। যি মৰা শবটো নিয়ে সি এদিনলৈ টাবু বা চুৱা হয়। মৰা ৮ দিনৰ পাছত মৃতকৰ সম্পত্তিৰ নিমিত্তে এটা পূজা কৰে।

## উত্তৰাধিকাৰী।

বাপেক মৰিলে বাপেকৰ সম্পত্তিৰ অধিকাৰ বৰটো পুতেক হয়। নিচেই সকটো পুতেক মানুহ-দুনুহবোৰৰ গৰাকী হয়। বৰটোৰ নামৰ আৰু সৰুটোৰ ওপৰৰ ভায়েক-ককায়েকহঁতে কোনো সম্পত্তিৰে একো ভাগ নেপায়। একে ঘৰতে থাকিব খুজিলে বৰটো ককায়েকৰ তেনেই তলতীয়া হৈ থাকিব লাগিব।

## গড়-পিত আৰু পিন্ধা-উৰা।

চিংফোবোৰ ওখ-পাখ বলিষ্ঠ পুৰুষ। আজিকালি কিন্তু ইহঁত গোকাত কানীয়া হল। আগৰ শ্ৰী আৰু নাই। এতিয়া প্ৰায়বোৰকে ৰুগীয়া যেন দেখি। সেইবুলি কিন্তু ইহঁত নিৰ্জ্জু নহয়। আত্মগৰিমা ইহঁতৰ খুব আছে। আৰু বাস্তবিকত তাহাঁতৰ গামহঁতৰ চলন-ফিৰণ প্ৰকৃততে ডাঙৰ মানুহৰ দৰে। পিন্ধা-উৰা খামতীহঁতৰ দৰেই। মতাবোৰে কঁকালৰপৰা তল ছোৱাত ২ হাত মান বহল আৰু ৬ হাত মান দীঘল এখন আঁক-বাঁক কাপোৰ মেৰিয়াই থয়। গাত এটা হলৌ চোলা পিন্ধে। এইটো চোলা মিহি কপাহীৰ বা পাটৰ বা মখমলৰ। গামহঁতে যি কাপোৰ কানী পিন্ধে সি বহুত দামৰ। মাইকীবোৰো দেখিবলৈ শুৱনী নহয়। গামহঁতৰ তিৰুতাবোৰ দেখিবলৈ অলপ ভাল আৰু খোজ-কাটলও আভঁজুৰা নহয়। তিৰুতাবোৰৰ এটা বিশেষ গুণ আছে যে তাহাঁতৰ চুলি বৰ দীঘল হয় আৰু বৰ একোছা হয়। চুলিবোৰ ফণীয়াই মূৰৰ ওপৰত ডাঙৰ চেপেটা খোপা বান্ধে। খোপাত ৰূপৰ ফুল পিন্ধে আৰু মণিলগা জৰী লগায়। উলিয়াই নিদিয়া ছোৱালীবোৰে চুলিবোৰ বেণী গাঁথি পিঠিৰ ফালে ওলোমাই থয়।



মাইকীবোৰে বিহা মেখেলা পিন্ধে। অলঙ্কাৰ-পাতি খুব কম পিন্ধে। ডিঙিত কোনো অলঙ্কাৰ লোৱাৰ নিয়ম নাই। চহকী-মাইকীবোৰে কৰ্ণত ৮টা মান চমটা দি লয়।

## গাওঁ-ভূঁই।

ইহঁতৰ গাওঁবোৰ বৰ ডাঙৰ। একোখন গাৱঁত তিনিকুৰি, চাৰিকুৰি ঘৰৰ কম নহয়। ঘৰ দুৱাৰবোৰো বৰ আহল-বহল। ওখ ভেটি কৰি ঘৰ সাজে। ঘৰৰ দুই মূৰে টুপ। ঘৰৰ মাজে মাজে বাট ৰাখি দুইফালে খোটালি কৰে। প্ৰত্যেকটো খোটালিতে জুহাল আৰু হেদালি থাকে। টুপত মাইকীবোৰে বহা-মেলা আৰু বোৱা কটা বা আন বন-বাৰি কৰে। চিংফোহঁতৰ প্ৰধান প্ৰধান গাওঁ তলত নাম দিয়া ঠাইবোৰত আছে:—টেঙাপানী, মৰোৱাপানী, পেছেলামুখ, দিচৈপানী, মেনাবুম, নাগিনীপানী, মেথীপপানী, টানগনজুপ, মামৈদান, দিহিংপানী, বৰুৱাপথাৰ, খেৰিমপানী, খেকেৰী ডুবি, মনকিংটাপ, টেৰাপমুখ, নম্নন পথাৰ, নংদুপথাৰ আৰু জিংথুপানী। যুদ্ধ বাগৰ এৰি এতিয়া চিংফোৱে খেতি পথাৰত ধৰিছে। চিংফোৰ বজাবোৰ বছৰি মাঘৰ পুৰ্ণিমাৰ দিনা সদিয়ালৈ আহি এচিষ্টেণ্ট পলিটিকেল অফিচৰৰপৰা বৰঙণি নিয়েহি। ইহঁত সদায় খেহ দেখলৈ অহা যোৱা কৰি থাকে।

বম।

---

## ওমৰ বেন-অল খেতাব।

পৃথিবীৰ ভিতৰত আৰবস্থান এখন বীৰৰ লীলাভূমি। সৃষ্টিপাতনিৰে পৰা আজিলৈকে কতশত বীৰশ্ৰেষ্ঠ মহাত্মা যে আৰব ভূমিত জন্ম লৈ পৃথিবীৰ ভিতৰত উজ্জ্বল হৈ গৈছে তাৰ ইয়ত্তা নাই। আজি আমি যাৰ সম্বন্ধে দুআষাৰ কবলৈ ওলাইছোঁ তেওঁ ও এই আৰবৰে বিখ্যাত কোৰেচ বংশৰ এজন বীৰশ্ৰেষ্ঠ মহাপুৰুষ। মুচলমান সৰ্ব্বসাধাৰণৰ আগত এওঁ হজৰত ওমৰ বুলিয়েই প্ৰকাশ। যি সময়ত হজৰত মহম্মদে (দঃ) পবিত্ৰ মক্কা নগৰত মাথোন কেজনমান শিষ্যেৰে ইচলাম ধৰ্ম্ম প্ৰচাৰ কৰে সেই

সময়ত গোটেই মক্কা নগৰৰ লবাবপ্ৰা বুঢ়ালৈ সকলোৱেই তেওঁৰ ওপৰত খড়্গহস্ত হৈ তেওঁক সমূলে বিনষ্ট কৰিবলৈ ষড়যন্ত্ৰ কৰে, আৰু যেয়ে হজৰত মহম্মদ (দঃ)ৰ মূৰটো কাটি আনিব পাৰিব তাকেই এশটা উট আৰু পাচশ সোণৰ মোহৰ বঁটা দিয়া যাব বুলি ঘোষণা প্ৰচাৰ কৰিলে। এই সময়ত আৰবৰ ভিতৰত ওমৰ বেন অল খেতাবৰ বাহিৰে আন কোনো উপযুক্ত বীৰ নেদেখি সকলোৱে ওমৰকেই পাচিলে। ওমৰেও মহা আনন্দত উলঙ্গ তৰোৱাল হাতত লৈ অকলেই উদ্দেশ্য সাধন কৰিবলৈ ওলাল। যি সময়ত ওমৰ গৈ হজৰতৰ চোতালত ভৰি দিয়ে সেই সময়ত হজৰতে তেওঁৰ শিষ্য কেজনৰ লগত বহি ধৰ্ম্মালাপ কৰি আছিল। ওমৰক সেই অৱস্থাত দেখা পাই সকলোৱে বিচুৰ্তি খাই হজৰত মহম্মদক (দঃ) লুকুৱাবলৈ চেষ্টা কৰিলে, কিন্তু হজৰতে সকলোকে অভয় দি কলে যে—"তোমালোকে মিছায়ে কিয় ভয় খাইছা? একো ভয় নকৰিবা, তোমালোক বহা, মই মোৰ আলহীক আগ বঢ়াই আনো"—বুলি অকলেই ওলাই গৈ ওমৰৰ হাতত ধৰিলে গৈ। হজৰতৰ স্পৰ্শনত বীৰশ্ৰেষ্ঠ নিৰ্ভীক ওমৰৰ হিয়াইও চমক খালে, কি এক ৰকম ভয়ত তেওঁ খকথক কৰে কঁপিবলৈ ধৰিলে, হাতৰ তৰোৱাল খহি পৰিল, অৱশেষত ক্ষমা প্ৰাৰ্থনা কৰি আত্ম সমৰ্পণ কৰিলে। তেতিয়াই তেওঁ হজৰতৰ ওচৰত দীক্ষা গ্ৰহণ কৰি সেই দিনাৰপৰাই তেওঁ ইচলামৰ এজন প্ৰধান ভক্ত পৃষ্ঠপোষক আৰু পৰিৰক্ষক হৈ পৃথিৱীত যশ মান আৰু কীৰ্ত্তি আৰ্জ্জন কৰিবলৈ ধৰিলে।

হজৰত মহম্মদৰ (দঃ) চাৰিজন ধৰ্ম্ম বন্ধুৰ ভিতৰত হজৰত ওমৰ অন্যতম। ইচলামৰ প্ৰথম খলিফা হজৰত আবুবকৰৰ পাছতে ৬৩৪ খৃষ্টাব্দত হজৰত ওমৰে সিংহাসন লাভ কৰে। যদিও এই সময়ত ইচলাম সাম্ৰাজ্য সুদূৰ ইউৰূপ আৰু আফ্ৰিকালৈকে বিস্তৃত হৈছিল তথাপিও ইচলামৰ সিংহাসন বুলিলে এজোপা খাজুৰি গছৰ গুৰিতকৈ বেছি বুজিলে মহা ভুল বুজা হব। এই মহাত্মাৰ ৰাজত্বৰ দিনতে এদিন ৰোম-সম্ৰাটৰ এজন দূত কোনো ৰাজকাৰ্য্য লৈ হজৰত ওমৰৰ লগত দেখা কৰিবলৈ আহে। তেওঁ নিৰ্ব্বে নিজে বহুত অনুসন্ধান কৰিও ৰাজ প্ৰাসাদৰ একো চিনকে উলিয়াব নোৱাৰি এজন মানুহক সুধিলে যে—"তোমালোকৰ খলিফাৰ প্ৰাসাদ কত?"



মানুহজনে উত্তৰ দিলে—"ডাঙৰীয়া, আমিও আমাৰ খলিফাৰ প্ৰাসাদ কেতিয়াও দেখা নাই, মাথোন তেওঁ যিজোপা গছৰ তলত থাকে সেই জোপাকেই দেখিছোঁ; বলক চাই যদি আপোনাকো দেখুৱাই দিওঁগৈ।" এই বুলি ৰোমৰ দূতক নি হজৰত ওমৰক দূৰৈৰপৰা আঙুলিয়াই দেখুৱাই দি মানুহটো আন ফালে গুচিগল। দূতে একান্তমনে দূৰৈৰপৰা থিয় হৈ চাই দেখিবলৈ পালে—এচিয়া, ইউৰূপ আৰু আফ্ৰিকাৰ মোস্লেম সাম্ৰাজ্যৰ একচ্ছত্ৰাধিপতি মহাৰাজ হজৰত ওমৰ পালী-পহৰীয়াহীন অৱস্থাত অকলেই এজোপা খাজুৰি গছৰ তলত পৰি টোপনি যাব লাগিছে! ইয়াৰ আগেয়ে দূতে কেতিয়াও ভৰা নাছিল যে তেওঁ যাৰ ওচৰলৈ আহিছে তেওঁক এই অৱস্থাত দেখা পাব! এটা স্বৰ্গীয় ভয় আহি দূতৰ অন্তৰত ঠাই লগেহি। তেওঁ আৰু তাৰপৰা এখোজো আগ বাঢ়িব নোৱাৰিলে, মাথোন ঠৰ লাগি চাই ৰ'ল। হজৰতে সাৰ পাই দূতক ওচৰলৈ মাতি নি সকলো কথা-বতৰা সুধি যি কৰ্ত্তব্য কৰি দূতক বিদায় দিলে।

হজৰত ওমৰৰ গাত বাদচাহী সকলোবোৰ গুণ পূৰ্ণ মাত্ৰাত আছিল। তেওঁ বিচাৰত ইমান ঠিক আছিল যে—এটা গুৰুতৰ অপৰাধৰ বাবে তেওঁৰ নিজৰ পুতেকৰ প্ৰাণদণ্ডৰ আজ্ঞা দিবলৈকো পাছহোঁহকা নাছিল। পাছত অনুতাপৰ সময়ত ইয়াকেই মাথোন কৈছিল যে—"দুৰ্ভগীয়াই সেইটো কাম নকৰা হলেই ভাল আছিল!" ধন্য বিচাৰ, কি মহৎ উদাৰতা!

তেওঁৰ দিনত প্ৰজা সাধাৰণৰ দুখ কষ্টৰ মাত্ৰা খুব কমেই আছিল। কিয়নো তেওঁ কোনো পৰিদৰ্শকৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যৰ সুখ দুখৰ ভাৰ অৰ্পণ কৰা নাছিল। দিনত ৰাজকাৰ্য্য চলাই ৰাতি হলে ছদ্মবেশ ধৰি দুখীয়া নিচলাৰ ঘৰে ঘৰে সুখ দুখৰ বাতৰি লৈ ফুৰে। এইদৰে এদিন ৰাতি ফুৰোঁতে ফুৰোঁতে এঘৰত লৰা ছোৱালীৰ ৰব কান্দোন শুনিবলৈ পাই মাত লগাই ঘৰৰ ভিতৰলৈ সোমাই গৈ দেখিবলৈ পায় যে তিৰুতামানুহ এজনীয়ে এপালো ল'ৰা ছোৱালী আগত লৈ চৰু এটাতে কিবা সিজাব লাগিছে। হজৰত ওমৰে সুধিলে—"তুমি কি কৰিছা? আৰু এই লৰা ছোৱালী-বোৰে ইমানকৈ কান্দিছে কিয়?" মানুহজনীয়ে কলে—"আমাৰ দুখৰ কথা কি সুধিছা? মই বাৰী মানুহ, এই লৰা ছোৱালীকিটিৰে ইয়াতে

কোনোৰকমে দিন কটাব লাগিছোঁ। আজি খাবলৈ একো নাই দেখি চকুটোতে শুকান হাব কেডালমান সিজাবলৈ দি লৰা ছোৱালীকিটিক ভুরুকাই আছোঁ, টোপনি আহিলে শুৱাই থম।" এই বাৰী দুখুনীৰ অৱস্থা দেখি হজৰতৰ চকুলো বাগৰি পৰিল। কলে—"তোমাৰ যদি ইমান দুখ হৈছে তেন্তে ওমৰ খলিফাক নজনোৱা কিয় ?" বুঢ়ীয়ে আৰু হতাশ ভাবেৰে কবলৈ ধৰিলে—"ওমৰ খলিফাৰ ধ্বংস হওক, তেওঁ কি আমাৰ কথালৈ কাণ দিব !" হজৰতে তেতিয়াই তাৰপৰা আঁতৰি গৈ আলপ পাছতে নিজ হাতে কিছুমান খোৱা বস্তু আনি দিলেহি। বুঢ়ীয়ে হজৰতক আশীৰ্ব্বাদ দি কলে—"বোপা, তুমিহে প্ৰকৃত খলিফাৰ উপযোগী, আল্লাই তোমাক তাকে কৰক।"

এবাৰ কোনো এটা ঘটনাৰপৰা হজৰত ওমৰে নিয়ম কৰি দিলে যে—"ৰাজ্যত যিমান বাৰী মানুহৰ কেচুৱা লৰা আছে (যদি সিহঁতৰ অৱস্থা ভাল নহয় তেন্তে সেই কেচুৱা লৰাৰ কাম কৰি খাব পৰা বয়স নোহোৱা-লৈকে যেন ৰাজ ভঁৰালৰপৰা সকলোৱেই নিৰ্দ্ধাৰিত বৃত্তি পায়।" হজৰত ওমৰৰ পাছতো এই নিয়ম বহুত দিনলৈ চলি আছিল। প্ৰজা বাৎসল্যৰ ইয়াতকৈ আৰু কি বেছি নিদৰ্শন হব পাৰে ?

আৰু এদিন তেওঁ ৰাতি অকলৈ অকলৈ ফুৰি ফুৰোতে এঘৰত বৰ কেঁকনি-গেঠনি শুনিবলৈ পাই গৈ চাই যে—মানুহ এজনীয়ে প্ৰসৱ বেদনাত বৰ অস্থিৰ হৈ সেই দৰে কেঁকাব লাগিছে। ওচৰত গিৰিয়েকৰ বাহিৰে আন সাৰথি কোনোৱেই নাই। দেখি তেওঁৰ বৰ বেথা লাগিল; তেতিয়াই গৈ নিজৰ দুয়োজনী প্ৰিয়তমাকে আনি সেই মানুহজনীৰ সুশ্ৰুষাত লগাই দিলে। পাছলৈকো সেই ঘৰ মানুহে কব নোৱাৰিলে যে সেই ৰাতিৰ সুশ্ৰুষাকাৰিণীহঁত কোন, আৰু আনি দিয়া মতা মানুহজনেই বা কোন ? হজৰত ওমৰ আৰু তেওঁৰ পৰিয়ালৰ ভিতৰত কোনো জনৰেই কানি কাপোৰত এনে কোনো পাৰিপাট্য নাছিল যে যাক দেখি তেওঁলোকৰ বিষয়ে এটা ধাৰণা কৰিব পাৰি। তেওঁলোক যদিও ৰজা আৰু ৰাজবংশীয় মানুহ, তথাপিও কানিকাপোৰ আৰু খোৱালোৱাত সদায় সাধাৰণ মানুহ-তকৈ বেছি নাছিল। তেওঁলোকেই সম্পূৰ্ণ বিলাসিতাবৰ্জ্জিত।

হজৰত ওমৰে সদায় হজৰত মহম্মদ (দঃ)ক আদৰ্শ লৈ চলিছিল। তেওঁ



এইটো বেছ জানিছিল—"যদি মই ইচলামৰ খলিফা হৈ কোনোৰকম বিলাসিতা আদিৰ প্ৰশ্ৰয় দিওঁ তেন্তে বাকীবোৰলৈ আৰু কি থাকিব ?" কিয়নো ইচলাম ধৰ্ম্মটোৱেই হৈছে বৈৰাগ্যপ্ৰধান ধৰ্ম্ম। বাস্তৱিকতে যদি আদৰ্শ জনেই ঠিক নহয় তেন্তে তেওঁক অনুসৰণ কৰি চলোতাসকল নো কিমান ঠিক হব ? চাবলৈ গলে হজৰত ওমৰে নো কবো বোলা হলে কি কৰিব নোৱাৰিলেহেঁতেন ? যি অনিত্য আসাৰ তেওঁ সদায় তাৰপৰা আঁতৰি আছিল।

হজৰত ওমৰ যে কিমান নিৰহঙ্কাৰ আৰু ক্ষমাশীল আছিল তাক এই তলত লেখা ঘটনাটোৰপৰা বেছ বুজিব পাৰি। এদিন তেওঁ ৰাতি ফুৰিবলৈ যাওঁতে বাটতে কণা মগনীয়াৰ এটা বহি আছিল! হঠাৎ অসাৱধানতাত হজৰত ওমৰে সেই কণা মগনীয়াৰটোৰ গাত ভৰি এখন লগাই গল। তাতে সেই মগনীয়াৰটোৰ খঙ উঠি একে চাবেই কৈ উঠিল যে—"কিহে তয়ও কণা হলিনে কি ?" কিন্তু সি নেজানে কাক সি তেনে টান কথা কৈছে। হজৰত ওমৰে তাৰ কথাত আলপো খঙ নেখাই মাথোন শান্তনা বাক্যৰে কলে যে—"কণা হোৱা নাই ভাই, নেদেখাত হে ভৰিখন লাগিল; মাফ কৰিবি।" নিৰপৰাধী লাঞ্ছিত মানুহৰ সহজেই খং উঠাটো স্বাভাৱিক, সেইদেখিহে হজৰত ওমৰে মিঠা মুখেৰে তাক ক্ষমা খুজিছিল।

এনেকুৱা বহুতো সৰু সৰু ঘটনা আৰু কাৰ্য্য আছে যাৰে হজৰত ওমৰৰ চৰিত্ৰটো সুন্দৰকৈ ফুটাই তুলিব পাৰি, বাহুল্য ভয়ত সেইবোৰ ইয়াত বাদ দিয়া গল। সম্প্ৰতি তেওঁৰ ৰাজ্য আৰু কীৰ্ত্তি সম্পৰ্কে দুআষাৰ কৈ এই প্ৰবন্ধৰ সামৰণি মাৰিম।

হজৰত ওমৰৰ ৰাজত্বৰ দিনত পশ্চিমে চিৰিয়া, ফিনিচিয়া আৰু ইজিপ্ত ইত্যাদি। পূবে পাৰস্য। মোটৰ ওপৰত এচিয়া, ইউৰূপ আৰু আফ্ৰিকাৰ ভিতৰত সৰ্ব্বমোট ৩৬ ছয়ত্ৰিশ হাজাৰ নগৰ তেওঁ দখল কৰে, আৰু প্ৰায় চৌদ্ধশতকৈ বেছি মছিদৰৰ নিৰ্ম্মাণ কৰায়। নাজানো কিমান দিনলৈ সেই-বোৰে হজৰত ওমৰক সাক্ষ্য দি আছিল !

হজৰত ওমৰৰ প্ৰয়াণ হে বৰ শোচনীয় অৱস্থাত হয়। তেওঁ যেতিয়া ৰাতিপুৱাৰ নামাজ পঢ়ি থাকে, তেতিয়া তেওঁৰ এজন পাৰস্য দেশীয় চাকৰে

পাছ ফালৰপৰা মনে মনে আহি তেওঁক আঘাত কৰেহি, সেই আঘাতৰ তিন দিনৰ পাছতে ৬৪৪ খৃষ্টাব্দৰ নভেম্বৰ মাহৰ ৩ তাৰিখ বুধবাৰে তেওঁ ইহলীলা সংবৰণ কৰে। ঢুকুৱাৰ সময়লৈকে তেওঁৰ বয়স ৬৩ বছৰ হৈছিল। মহা-মহিমান্বিত ইচলাম সাম্রাজ্যৰ খলিফা হজৰত ওমৰ যে এটা সাধাৰণ মানুহৰ হাতত এনে দৰে নিহত হব তাক কোনে জানিছিল?

এম, মোছলেহ উদ্দিন আহমদ্।

---

## আগৰ কথা।

চুকামফা ১৪৭৪ শকত ৰজা হৈছিল, উক্ত মহাৰাজৰ দিনতে নৰা ৰজাই থাকিব নোৱাৰি নামৰূপত ঠাই ললেহি। নৰা ৰাজাই আমাৰ চুকামফা মহাৰজাক জনালে, ভাই ৰজা আমাক দয়া কৰা। তাতে আমাৰ ৰাজাই ভালেমান মৰম কৰিলে। নৰাই মৰম স্নেহ পাই আপোনাৰ বুঢ়াগোহাঁইৰ জীয়েকক মহাৰজালৈ বিয়া দিলে আৰু লগত অনেক বস্ত্র-বেহানি চাকৰ নাকৰ মানুহ যৌতুকত দিলে; যৌতুকত অহা মানুহকে নৰা কোঁৱৰ বোলে!

৩য় পুত্র চুচেঙ্গফাই (বুঢ়া ৰজাই) এদিন ৰাণীৰে সৈতে কথাৰ-বতৰা পাতি থাকোঁতে কথাত ওলাই ৰাণীয়ে বোলে মোৰ বঙহ সৰহ। ৰজাই বোলে মোৰহে সৰহ। ৰাণীয়ে দেখাব লাগে বুলি কোৱাত ৰজা মান্তি হল। ৰজাই আটাইকিখেলৰ কোঁৱৰ আৰু বাজ মানুহো মাতিলে। সকলো আহি গোট খালত এটা ভোজ পাতিলে। ৰাণীৰ দেওৰেক সমন্ধীয়া ভিতৰত আৰু ৰৰজনাক সমন্ধীয়াবোৰ বাজ চৰাত বহি থাকে আৰু তাতে অঙ্গ অঙ্গ ভালেমান মানুহে ভোজ খায়, তাতে ৰজাই বঙহ বুলি লগাই ললে। ৰজাই কলে বংশই মোক আৱৰি ধৰি থাকিব লাগে; সেই বুলি ৰজাই সোণৰ বন কৰা হিলৈ দিয়ে। তাৰে এজন মুখ্য কোঁৱৰে মাত লগাই কলে বোলে সৰ্গদেৱে নিজ খেলৰ কোঁৱৰবোৰক হিলৈ দিয়া ভাল নেদেখোঁ। তেনে বুলি কোৱাত ৰজাই ভাবি চাই বেয়া যেন দেখি নিজ নিজ খেলৰ



কোঁৱৰবোৰক দুই ভাগে ভগাই খেল পাতিলে; ভিতৰত থোৱাসকলক ভিতৰুৱাল, বাহিৰত থোৱাবোৰক বাজুৱাল আৰু হিলৈ দিয়াবোৰক হিলেদাৰি বোলে।*

শ্ৰীঘনশ্যাম কোঁৱৰ।

---

## পোৱামক্কা।

গুৱাহাটীৰ পছিমে আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা হাজো নামৰ ঠাইত পোৱামক্কা আছে। এই পোৱামক্কা 'মজিদ' মুছলমানবিলাকৰ এখন তীর্থ ভূমি। এই 'মজিদ' চলাবলৈ খৰচ আদিৰ কাৰণে বাদছাহী আমোলৰ 'পীৰোত্তৰ' ভূমি আছে। আহোম ৰজাসকলৰ ৰাজত্বৰ কালতো সেই ভূমি ঠিক সেই দৰেই ৰাখিছিল। নানা কাৰণত মজিদৰ অৱস্থা এতিয়া আগৰ নিচিনা নহয়। মক্কাৰপৰা মাটি আনি মজিদৰ ভেটি সজোৱা কাৰণে এই মজিদৰ নাম পোৱামক্কা দিলে। যি সময়ত হেজ্জাজ বা হাজ কৰিবলৈ হলে নিজৰ দেশ এৰিব লগা হয় সেই সময়ত মালদহৰ অন্তর্গত পাণ্ডুৱা, গোৱাল-পাৰাৰ পাঞ্চতন বা "বিবিৰ পঁইত" আৰু গুৱাহাটীৰ "পোৱামক্কা" মুছলমান সমাজত তীর্থস্থান বুলি জনাজাত আছিল। হিন্দুবিলাকেও এইবিলাক ঠাইৰ কাৰণে শ্ৰদ্ধা ভক্তি নেদেখুৱাকৈ থকা নাছিল। পোৱামক্কাত ধৰ্ম্মাত্মা গিয়াছুদ্দিনৰ সমাধি আছে। গিয়াছুদ্দিনৰ পৰিচয় আৰু সময় সম্বন্ধে বুৰঞ্জীলিখকসকল এক মত হব পৰা নাই। প্রবাদ আছে যে গিয়াছুদ্দিন মোগল পক্ষৰ হৈ আহোম ৰজাৰ লগত যুদ্ধ দিয়াত ১৬২৭ খৃঃ বিশ্বনাথত হত হয় আৰু তেওঁৰ শৰটো হাজোলৈ আনি তাতে কবৰ দিয়ে। ১৮৬৭ খৃঃ কলিকতা ৰিভিউ কাকতত প্ৰকাশ,—গিয়াছুদ্দিন ১৬শ শতাব্দীৰ আৰম্ভনতে হোছেন ছাহৰ পুত্র দানিয়ান ছাহৰ পাছতে হাজোৰ শাসনকর্ত্তা আছিল। গিয়াছুদ্দিনে এই সময়তে ধৰ্ম্ম কৰ্ম্মৰ নিমিত্তে ভূমি দান কৰিছিল। গুৱাহাটীৰ কটনকলেজৰ অধ্যাপক বাবু পদ্মনাথ বিদ্যাবিনোদ মহাশয়ৰ

* এই কথাবিলাক শ্ৰীযুত ঠাকুৰাম দমাইদেৱে কোৱা শুনিছিলোঁ। লিখক

অনুগ্ৰহত পোৱামক্কাৰ মজিদৰ দুৱাৰৰ ওপৰত লিখা কথাৰ এখন নকল পাইছোঁ; তাত এই মজিদ চাহজাহান বাদছাহাৰ ৰাজত্ব কালত ১০৬১ হিজৰীৰ (১৬৫১ খৃঃ) ৰমজান মাহত বঙ্গৰ শাসনকৰ্ত্তা বাদছাহপুত্ৰ চুজাউদ্দিন মহম্মদৰ পক্ষৰপৰা চাহ নিয়ামতউল্লাৰ শিষ্য লোতফউল্লা চিৰাজী কৰ্ত্তৃক নিৰ্ম্মিত বুলি লিখা আছে। লোতফউল্লা চিৰাজী ১৬৫৮ খৃঃ লৈকে নামনি আসামৰ ফৌজাদাৰ আছিল। আলমগিৰ নামাত প্ৰকাশ,— কোচবিহাৰ আৰু আহোম ৰজাৰ আক্ৰমণত চিৰাজী আসাম এৰি যাবলৈ বাধ্য হৈছিল।*

---

## "এনেকুৱাহে আমাৰ শাস্ত্ৰ।"

### ১ম আধ্যা।

"ডাঙৰীয়া! ডাঙৰীয়া! সাৰ পাই আছেনে? উঠকচোন, বৰ বিপদত পৰি ৰাতিখন আপোনাক দিগ কৰিবলৈ আহিলোঁ, আমনি নেপাব, উঠকচোন।" ৰাতি ভাত-পানী খাই শুই প্ৰথম ঘুমটিত এনেকুৱা সকৰুণ মাত শুনি সাৰ পাই শোৱাপাটীতে ভাবিলোঁ—কতা দেখোন ওকালতীতো শোৱা—খোৱাত একো সুখ নাই। দিনৰ দিনটো মেজিষ্ট্ৰেটৰ গাদিত বহি নিজৰ অস্তিত্ব পাহৰা মুস্কিল—চাহাব সকলক মক্কেলৰ হকে দন্দ খৰিয়াল, তৰ্ক বিতৰ্ক গৰম নৰম কথা কৈ গধুলি শান্তিৰে লৰা তিৰুতা লগত লৈ এসাজ ভাত খাই এখন্তেক শুইছোঁ, আকৌ কোনোবা ওলালহি। দেহি, কোনোবা আতুৰত পৰি মোৰ ওচৰতে কিবা বুধি এফেৰা পাওঁ বুলি আহিছে; ইয়াকে ভাবি হাতত মম-বাতি এডোখৰ লৈ আগবৰ খোটালিলৈ গৈ দেখোঁ আমাৰ তাহানিখনৰ ঘিণ্যৰাম বাপুটি আৰু তেওঁৰ লগতে আৰু এজন আদহীয়া মানুহ আৰু নিশকতীয়া ভালমানুহৰ "চেহাৰাৰ" এজনী গাভৰু ছোৱালী। দেখিয়েই মোৰ বৰ বেথা লাগিল। আস্তেবেস্তে বহিবলৈ দি, কি হল, কিয় আহিল, এইটো ছোৱালী কৰ? ইত্যাদি সুধিলত, ঘিণৰাম বাপুটীয়ে কবলৈ ধৰিলে—"এই ছোৱালীটি মোৰ ভতিজা হয়, তাইৰ ককাইয়েক এওঁ, কলীয়াবৰীয়া গাৱঁৰ বাপিৰাম পণ্ডিত অধ্যাপকৰ ঘৰলৈ ছোৱালীটী পৰিছিল—পৰিছেহে বুলিব লাগে, কাৰণ এতিয়াও পৰি আছে, পিছে পৰাটো এতিয়া ছিঙি পৰিছিল কৰিব লাগে কাৰণেহে মুখত পৰিছিল ওলাইছে। পিছে ডাঙৰীয়া, গিৰিয়েকটো হল বুঢ়া, এতিয়া ৬৫ বছৰ, ছোৱালীজনী চাওকচোন সৰিয়হৰ ফুল যেন তেনেই কোমল বয়সৰ মুঠেই, এতিয়া ১৩ বছৰ ৮মাহ হৈছে। আমাৰ ককাই গৰাকীয়ে সেইবোৰ আগ—পাছ একো নেভাবি টকাৰ লোভ সম্বৰিব নোৱাৰি ছোৱালীজনী কাৰো হাক-বচন নুশুনি সেই পণ্ডিতলৈ বি দিলে। বাপেকে সেই টকাৰে কেইকাল খালে, বিয়াৰ তিনি মাহৰ মূৰতে তেওঁ সিপুৰিলৈ গল, আৰু জীয়েককো জীয়া—যমৰ হাতত সমৰ্পণ কৰি। চাওকচোন, চাওক ডাঙৰীয়া, তাইৰ পিঠিখন অলপ চাওক" বুলি গাৰ কাপোৰখন অলপ গুচাই দিলত দেখিলোঁ বাস্তৱিকতে পিঠিখনত তিনটা সেৰা পাতি পিঠি ছিগি আছে আৰু গোটাইখন পিঠি ৰেঙেৰে ৰঙা! কাণখনত কেৰুৰ পৰিবৰ্ত্তে কাণৰ বিন্ধা ছিগি ঘা!!! এইবিলাক সংলোধিনি হেনো ছোৱালীৰ বাপেকে টকা লৈ সম্পূৰ্ণ এসজুনী অলঙ্কাৰ তাইৰ লগত নিদিয়াৰ ফল! বিবাহ কৰিবৰ দিনৰেপৰা স্বামীৰ স্ত্ৰীৰ ভিতৰত আলাপ কেৱল তাইৰ বাপেকে টকা লোৱা আৰু তাইৰ লগত অলঙ্কাৰ নিদিয়া এই দুইটি বিষয়, তাৰ লগতে পিঠিত গাত মাৰ। শেষত অসহ্য হৈ পৰিলত দদাইয়েক ককায়েকে বলেৰে গিৰিয়েকৰ মাৰৰ গৰাহৰ হাতৰ পৰা ছোৱালীজনী লৈ বুধি—পৰামৰ্শ বিচাৰি মোৰ ওচৰলৈ আহিছে। ককাইয়েকৰ ইচ্ছা ছোৱালীজনী "খালাছ" লোৱাই ঘৰতে থাকক, কাৰণ বুঢ়া গিৰিয়েক মৰিবলৈ আৰ বেছি দিন নাই—তেতিয়া বিধৱা হোৱাতকৈ এতিয়াৰপৰা সধৱা বিধৱা হৈ থাকক। মই ৰবাই বুজাই কলোঁ যে আমাৰ শাস্ত্ৰত বিবাহিতা তিৰুতাৰ আৰু 'খালাছ' নাই। গিৰিয়েক থাকিলে যে নায়েই মৰিলেও নাই।" ককাইয়েক কলে—"পিছে, আইনত নো খালাছ নাইনে?"

মই—"আইনো আমাৰ শাস্ত্ৰ মতেহে বাখিছে।

---

* এৰস বঙলা কাকতৰপৰা টোকা হল।

ককাইয়েক—"এই ছোৱালীজনী এতিয়া জীয়াই থাকোতেই বিধৱা তাৰ ওপৰিও এই মাৰ পিট, বুঢ়া গিৰিয়েকৰ ছুটা পুতেকৰ খোৰাবীয়েক ইতৰ গালি-সপনি আৰু আন আন দৌৰাত্ম্য যে আছেই।

মই—"গিৰিয়েকৰ ইচ্ছানুসাৰে বৈণীয়েক বেলেগকৈ থাকিব পাৰে।

ককাইয়েক—গিৰিয়েকে নকৰিলে নিজে অকলৈ নোৱাৰে জানো?

মই—নোৱাৰে।

ককায়েক—"এনেকুৱাহে আমাৰ শাস্ত্ৰ?

মই—"এৰা তেনেকুৱাই।

ছোৱালীজনী—( লাহে লাহে ) পাছে বাঁহৰ মূঢ়া এটাৰে সৈতে জানিবা এজনীক বিয়া দিলে, সেই বাঁহৰ মূঢ়াৰেই তাই থাকিব লাগিব নে?

মই—"থাকিব লাগিব।

ছোৱালী—"এনেকুৱা শাস্ত্ৰ নো পাছে ইংৰাজ ৰজাই গুচাই নিদিয়ে কিয়?

মই—"গুচালে আমি বেয়া পাম। গিৰিয়েক মৰিলেও বৈণায়েকে সেই মৰা গিৰিয়েকক ভাবি থাকিব লাগিব, আৰু পুনঃ বিয়া কৰিব নোৱাৰে। মতা মানুহে হলে বৈণীয়েক মৰিলে নতুন ছোৱালী বিয়া কৰিব পাৰে।

ছোৱালী—এনেকুৱাহে আমাৰ শাস্ত্ৰ?

মই—"এৰা ঠিক তেনেকুৱাহে আমাৰ শাস্ত্ৰ।

## ২য় অধ্যা

ঠিক কছাৰিলৈ যাবলৈ ওলাইছোঁ এনেতে এদিন এটা ডাঙৰ মুগা যোৰাত এজন বিদেশী আৰু তেওঁৰ লগতে বাইচাইকলত উঠি এজন আদহীয়া মানুহ আহি মোৰ ঘৰৰ আগত উপস্থিত। কোনোবা মক্কেল আহিছে বুলি ভাবি আদৰ চকুৰে চাওঁতেই আদহীয়া মানুহজনৰ সঙ্কেতত বিদেশীজনে "Good morning, pleader, I want a legal advice from you" বুলি মোৰ বঙ্গলা ঘৰলৈ সোমাই আহিল। মই বহিবলৈ দি দেখিলোঁ আদহীয়া মানুহজন মাহদিয়েকৰ আগেয়ে দেখা খিনাৰাম বাপুটীৰ লগত অহা সেই দুৰ্ভগীয়া বামুণী ছোৱালীজনীৰ ককায়েক। তেওঁ বহিলত



বিদেশীজনক আন সম্বোধন আদি কৰি কিনো legal advice-অৰ কথা লাগে বুলি সুধিলত তেওঁ চমন এখন ক্ষেপৰপৰা উলিয়াই দিলে। চমনখন পঢ়ি বুজিলোঁ যে বাপিৰাম পণ্ডিতে তেওঁৰ ওপৰত পণ্ডিতৰ বিবাহিতা তিৰুতা মচন্দ্ৰ হেমদাক তেওঁ স্ত্ৰীভাৱে ৰখাৰ বাবে দণ্ডবিধি আইনৰ ৪৯৭ ধাৰামতে গোচৰ কৰিছে তেওঁক গোচৰৰপৰা সৰুৱাই দিব পাৰিম বুলি কলতো তেওঁ কছাৰিঘৰলৈ যাবলৈ ইচ্ছা নকৰাত বাপিৰাম পণ্ডিতৰ ফালৰ এজন মানুহ আনি ৩০০ টকা তেওঁৰপৰা গুচৰিয়াক দিয়াই মকদ্দমা নিষ্পত্তি কৰাই দিয়া হল।

## তৃতীয় আধ্যা।

বিদেশী। I know the old man cannot come up even to this place. I wonder, what will he do with his wife even if he gets a decree and recover his wife?

মই। No, she is already lost to the society: the thing is the old man wants money.

বিদেশী। No, this time I will not compromise but give up the woman. Let the man get his wife and nothing else.

• • • •

হেমদা। বিয়াৰ বাস্তৱ কি এবাৰ সোমালোঁ, সি আৰু জন্ম-জন্মান্তৰলৈকে আমি মাইকীমানুহ এৰাব নোৱাৰোঁ—আমাৰ এই শাস্ত্ৰৰ কথাটোকেহে ভাবি ভাবি মই তৰ নেপাওঁ।

মই। তুমিতো এতিয়া আগৰ বামুণী ছোৱালী, অশিক্ষিতা, লোকৰ ওপৰত থাবলৈ হাত নেপাতিলে লঘোনে থকা বিধৱ হৈ থকা নাই।

হেমদা। হয় ডাঙৰীয়া, আপনালোকৰ আশীৰ্বাদত এতিয়া অলপ-অচৰপ পঢ়িবলৈ শিকিলোঁ। চোলা-কাপোৰ সীয়া, মোজা সীয়া, কাপোৰ বোৱা আদিৰ কিবাকিবি কামো শিকিছোঁ। মকদ্দমাৰ আজোৰত পৰিহে তেখেতৰ মন বৰ বেয়া লাগি থাকে। আমাৰ তাত ছোৱালীবিলাকক পঢ়াবলৈ তেখেতে এটা মাইনৰ স্কুল খুলিব খুজিছে আৰু মই তাত হেড মিষ্ট্ৰেছ হব লাগিব হেনো। সেইবিলাক স্কুলৰ ইনস্পেক্টৰ চাহাবেৰে সৈতে আমাৰ তেখেতৰ বহুতত correspondence হৈছে।

মই। বৰ ভাল কথা। আমাৰ মাইকীমানুহবিলাকক তুমি শিক্ষা দিবলৈ সম্পূৰ্ণ উপযুক্ত হৈছা। ইও আমাৰ আন প্ৰকাৰ উপকাৰ।

হেমদা। বাস্তবিকতে এখেতসকল নোহোৱাহেঁতেন আমাৰ দেশৰ বিধৱা বামুণীবিলাকৰ কি বিলৈ হলহেঁতেন মই তাকে ভাবি ভাবি থাকোঁ। তত্ৰাচ আমাৰ পুৰণি শাস্ত্ৰৰ লৰ-চৰ নাই!

মই। এৰা। আমাৰ তেনেকুৱাইহেঁ হিন্দু শাস্ত্ৰ।

শ্ৰী

---

# আহোম ৰজাৰ দিনীয়া বিষয়াসকলৰ ক্ষমতা।

ৰজা, ৰাজিচাহিবপৰা গজহস্তীলৈকে ৰাজ্যৰ সকলোৰে অধিকাৰী। ৰজাই অপৰাধীক নিজ ইচ্ছামতে জেবেঙ্গাত-দিয়া, শূলত-দিয়া, হাতীৰ ঠেঙত দিয়া, কোৰ মাৰি কটা, চকুকঢ়া, আঠুৰ ঘিলাকঢ়া, কাণ নাক কটা আদি দণ্ড কোনো নিয়মৰ (law regulation) বশ নোহোৱাকৈ কৰিব পাৰিছিল।

মন্ত্ৰী, বুঢ়াগোহাঁই বৰগোহাঁই আদি উচ্চপদ পোৱা ডাঙৰীয়াসকলে কোনো অপৰাধীক পালে তাক ধুমেৰে খুন্দি টোমত সুমাই পানীত ডুবাই হত্যা কৰিবৰ ক্ষমতা ৰজাৰপৰা পাইছিল। সেই হত্যা কৰাৰ বাহিৰেও চকু কঢ়া, নাক কাণ কটা আৰু আঠুৰ ঘিলা কঢ়া আদি দণ্ডও তেওঁবিলাকে কৰিব পাৰিছিল।

বৰবৰুৱাই তেওঁৰ তলৰ বিষয়াক নিজ আজ্ঞাৰে ভাঙ্গিব পাতিব পাৰিছিল। সেই ভাঙ্গিব পাতিবপৰা বিষয়াক আৰু তাতকৈ তলৰ থাপৰ পাইকানক প্ৰাণদণ্ড কৰাৰ বাহিৰে আন সকলোবিলাক ওপৰত উল্লেখ কৰা দণ্ড কৰিবৰ ক্ষমতা পাইছিল।

ওখ থাপৰ মানুহৰ আৰু ৰজাৰ ঘৰৰ পদপি পোৱাসকলৰ অপৰাধ পালে ৰাজাজ্ঞা মতে সকলো দণ্ড নাক কাণ কটা, কোৰ, ঢকা, গতা আদি মাৰিব পাৰে।

বৰফুকন ডাঙৰীয়া, ৰজাৰ নগৰৰপৰা আঁতৰত থকাৰ কাৰণে বৰবৰুৱা



ডাঙৰীয়াৰ দৰেই অপৰাধীক দণ্ড কৰিব পাৰিছিল। আৰু চোৰ, ডকাইত, ৰাজদ্ৰোহী আদিক বৰফুকন ডাঙৰীয়াই প্ৰাণদণ্ড কৰিবলৈ ক্ষমতা পাইছিল।

চৰাৰফুকন, ৰাজখোৱা, খেৰৰ বিচনি পোৱা° চমুৱাফুকন, ভঁৰালীবৰুৱা খেলডগিয়া ফুকন বৰুৱা আদি বিষয়াসকলে নাক কাণ কটাৰ বাহিৰে আন সকলো দণ্ড বৰবৰুৱাৰ সমানে কৰিবপৰা ক্ষমতা পাইছিল।

সেই দিনত টেকেলা আৰু ডলীয়া এই দুখেল মানুহক সেইসকল ডাঙৰীয়াই কোৰ, ঢকা, গতা আদি মৰাৰ বাহিৰে আন দণ্ড কৰিব নোৱাৰিছিল।

বাকী, বৰা শইকীয়াকে আদি কৰি ১০৭ জন বিষয়াই অপৰাধীক সোধ-পোছৰ বাহিৰে আন কোনো দণ্ড কৰিব নোৱাৰিছিল।

ওপৰত উল্লেখ-কৰা সকলো দণ্ড, যেনে কোৰ মাৰি কটা, হত্যা কৰা আদি সকলোবোৰ ডাঙৰীয়াসকলে নিজে নকৰি, হাটীত বুৰুক-চুতিয়া, উজনিত চাওদাঙৰ হতুৱাই অস্ত্ৰধৰাই হত্যা কৰাইছিল।

বুৰুক চুতিয়া কৰপৰা অহা, কেতিয়া অহা, কোনকৈ অহা সে আসামৰে আদিবাসী তাক আদ্যোপান্তে কোৱা কঠিন। এওঁবিলাকৰ বসতি আজিকালি তেজপুৰ গুৱাহাটী আদি ঠাইত। শিৱসাগৰ, জোৰহাট আদি ঠাইত এওঁ-লোকৰ অতি কম পৰিমাণেহে বসতি কৰা পোৱা যায়।

চাওদাং আদিতে খুন্‌লুঙ্গ, খুন্‌লাইৰ লগত স্বৰ্গৰপৰা নামি অহা বুলি কয়। আৰু আসামলৈ চুকাফা স্বৰ্গদেৱৰ লগত পাটকাই-পৰ্ব্বতেদি অহাৰ চিনাকি দিয়ে। আৰু এওঁবিলাকৰ বসতি আজিকালি প্ৰধানকৈ জোৰহাট, শিৱসাগৰ, গোলাঘাট আদি ঠাইত।

শ্ৰীতোলনচন্দ্ৰ দাস।

---

° ৰজাৰ দিনত কিছু বিষয়া ডাঙৰীয়াসকলক বিষয়া পাতোতে তেওঁলোকক মান স্বৰূপে একোখানি তালপাতৰ বিচনি দিয়া হৈছিল। আৰু যিসকলে তেনেকুৱা বিচনি পাইছিল তেওঁলোকক খেৰৰ বিচনি পোৱা ডাঙৰীয়া বোলা হৈছিল।

# টেলিগ্ৰাফৰ উপকাৰিতা।

এবাৰ এজন হোজা চহা মানুহলৈ ডাকত এখন চিঠি আহিছিল। সেই চিঠিত তেওঁক দুবৈ-বটীয়া মিতিৰৰ ঘৰৰ বিয়ালৈ নিমন্ত্ৰণ কৰি পঠাইছিল। "ভিলেজ পোষ্টমেনে" সপ্তাহত এবাৰ হে যে ডাক বিলি কৰে তাক সকলোৱে জানে। গতিকে সেই চিঠিও ডাকঘৰত পাঁচ দিন আছিল। যি দিনা চিঠি বিলি কৰা হ'ল তাৰ পাছ দিনাই বিয়া। চিঠি পাই মানুহজনে কি কৰিব একো উপায় নেপাই, অলপ পৰ ভাবি চিন্তি ডাকঘৰলৈ গৈ ডাকবাবুক সুধিলে :—"বাবু. বিজুলী-ডাকত কিবা বস্তু পঠাব পৰা হয় নে কি ?"

ডাকবাবুৱে মানুহজনৰ বুদ্ধিৰ চিনাকী পাই ৰহস্য কৰিবৰ মনেৰে উত্তৰ দিলে—"পাৰিতো, তোমাৰ কিবা বস্তু পঠাব লগীয়া হৈছে নে কি ?"

মানুহজন।—"হয় বাবু, মোৰ দুবৈ-বটীয়া মিতিৰৰপৰা বিয়া খাবলৈ বুলি বাতৰি কৈ চিঠি এখন দি পঠাইছিল, পাছে চিঠিখন আজিহে পোৱা হৈছে, বিয়াখন হৈছে কাইলৈ। এতিয়া নো বাৰু মই কেনেকৈ যাওঁ আৰু গলেও কাইলৈ কোনোমতেই নেপাওঁগৈ। সেইদেখি বোলোঁ পাৰি যদি বিজুলী ডাকতে জলপান এগাল আৰু গুৰ গাখীৰ দুটাকে পঠাই দিওঁ। পাছে বাবু. মাচুল নো কি লাগিব ?"

ডাকবাবু।—"মাচুল নো কি লাগিব, ৰূপ পাঁচ মহা হলেই হব।"

মানুহজন।—"ভাল বাবু, একো কথা নাই। আপুনি মুঠেই কালিকৈ পোৱাকৈ সোনকালে পঠাই দিব বাবু। মই কাইলৈ পুৱাতে বস্তুখিনি লৈ আহিম।" পাছদিনা পুৱাতে মানুহজন কোমল চাউল এটোম. গাখীৰ একলহ, গুৰ এটা, তাকে চাই তামোল পাণ আৰু মাচুলৰ বাবে ৰূপ পাঁচ মহাই সৈতে ডাকবাবুৰ ওচৰত ওলালহি। ডাকবাবুৱেও মানুহজনক সেই-বিলাক তাত থবলৈ কলে আৰু বস্তু পালেগৈ নে নাই দুদিনৰ পাছত আহি খবৰ লৈ যাবলৈ কলে।

দুদিনৰ পাছত মানুহজন অহাত ডাকবাবুৱে হাঁহি হাঁহি কলে :—"এঃ, বুজিছানে দুখৰ কথা কি কম। বিয়া কিবা তোমাৰে হৈছেনে ? মই এই কালৰপৰা টেলিগ্ৰাফত তোমাৰ বস্তুবিলাক পঠাই দিলোঁ. সিফালৰপৰাও



অইন এখন বিয়াৰ বস্তু আহিছিল। মাজ বাটতে খুঁজ খাই গোটেই গুৰ গাখীৰৰ কলহ ভাগি তললৈ পৰিল। তোমাৰ জলপানগাল সোৱা ঘুৰি আহিল, লাগে যদি লৈ যোৱা।"

মানুহজনেও বেজাৰ মনেৰে "হয় বাবু, কি কৰিব, মোৰে কিবা কপাল বেয়া—চাউলগাল নো কি লৈ যাম, আপুনিয়েই খাই থব" বুলি কৈ গুচি গল।

শ্ৰীকৃষ্ণচন্দ্ৰ ৰাজকোৱঁৰ।

---

# সংগ্ৰহ।

## সমালোচনা।

আজি কিছুদিনৰপৰা চৰ চাইত ছ, ে-কাৰৰ ঠাইত ি-কাৰ, হ্ৰস্ব ইৰ ঠাইত দীৰ্ঘ ী কিয় লিখা হল, কিয় নিলিখা হল ইত্যাদি কথা লৈ কোনোৱে বৰ চিঞৰ-বাখৰ কৰা শুনা গৈছে। এনে স্থলত তলত দিয়া কথাখিনিয়ে কিছু গুণ দিব বুলি আশা কৰা গল,— "• • আৰু এক ৰকম সমালোচনা আছে যাক পণ্ডিতালি কৰা বোলে এই ধৰণৰ সমালোচনাত সমালোচকে গ্ৰন্থকাৰৰ বৰ্ণবিন্যাস, ব্যাকৰণ, ছন্দ, অলঙ্কাৰ, প্ৰচলিত পুথি লিখা নিয়ম অনু-যায়ী হৈছে নে নাই প্ৰধানকৈ তাকেহে চায় আৰু কোনো অমিল পালে গ্ৰন্থকাৰজনক 'পাছ' নকৰি 'ফেল' কৰে। বৰ্ণবিন্যাস ভুল, ব্যাকৰণৰ নিয়ম ভঙ্গ, ছন্দ আৰু অলঙ্কাৰ শাস্ত্ৰৰ নিয়ম ভঙ্গ. এইবোৰ কোনো পুথিত থা কলে সেই পুথি ভাল পুথি বুলি কোনে কব পাৰে ? কিন্তু অইন পিনে বিবেচনা কৰিবৰ বিষয়ও কিছু আছে। বিদেশৰ দৃষ্টান্ত ললে ধীৰ ভাবে বিচাৰ কৰাৰ সুবিধা হয় ইংৰাজৰ লেখাত ইংৰাজী ব্যাকৰণৰ বহুত—দুষ্ট প্ৰয়োগ আৰু ব্যাকৰণ ভুলৰ দৃষ্টান্ত আমি দেখুৱাব পাৰোঁ। যিবোৰ কথা দৃষ্টান্ত স্বৰূপ উদ্ধৃত হয়, তাৰ ভিতৰত প্ৰায় বেছি ভাগেই ডাঙৰ প্ৰসিদ্ধ ইংৰাজ গ্ৰন্থকাৰৰ লিখাৰপৰা সংগৃহীত। কিন্তু ইংৰাজ বৈয়াকৰণসকলে যিবোৰক ভুল বোলে. ভুল বোলা স্বত্বেও এইসকল লিখক শ্ৰেষ্ঠ লিখক বুলি চিনাকি পাই আহিছে। অইন কি তেওঁবিলাকৰ লিখা নিয়ম প্ৰণালী অনুসাৰে ইংৰাজী

ব্যাকৰণৰ পৰিবৰ্ত্তন ঘটিছে। বঙলা দেশতো শ্ৰেষ্ঠ লিখক হৈছে। তেওঁ-বিলাকে যদি বৰ্ণবিন্যাস, ব্যাকৰণ, ছন্দ, অলঙ্কাৰ আদিত প্ৰচলিত নিয়মৰ অনুসৰণ নকৰে আৰু যদি সঁচাসঁচিকৈয়ে দুই চাইটা ভুল কৰে তেনেহলেও শিক্ষক মহাশয়ে ছাত্ৰৰ ৰচনা যেনেকৈ কাটে সেইদৰে কোনো আধা-খুন্দা সমালোচকে তেওঁবিলাকৰ লিখাৰ ওপৰত শিক্ষকগিৰি চলাবলৈ গলে বৰ অবিবেচনাৰ কাম হব আৰু দেখিবলৈকে নিতান্ত আপচু হব। বঙলা ভাষা আৰু সাহিত্যৰ বাট পঢ়াশালিত পঢ়োৱা ব্যাকৰণ লিখকসকলৰ দ্বাৰাই মুকলি নহয়, এই ধৰণৰ সমালোচকৰ দ্বাৰাইও নহয়, মুকলি হব শ্ৰেষ্ঠ লিখকৰ লিখাৰ পৰাহে? সকলো দেশতে, যি হৈছে, বঙ্গ দেশতো সেইয়ে হব। বঙলা দেশখন তো সৃষ্টিৰ বাহিৰ নহয়। অইন ২ চলিত ভাষাৰ দৰে বঙলাৰো সদায় পৰিবৰ্ত্তন হৈ আহিছে, পিছলৈকো হব। সুতৰাং ইয়াৰ ব্যাকৰণ, ছন্দ, অলঙ্কাৰ আদি চিৰকাল একে ৰকমে নেথাকে। পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন নিশ্চয় হব ; আৰু তাকে শ্ৰেষ্ঠ লিখকসকলৰ লিখাৰ অনুসৰি হব — "প্ৰবাসী।

## বিহাৰী আৰু বিহাৰ-প্ৰবাসী বঙালী।

বিহাৰৰ কোনো এখন চহৰত প্ৰবাসী বঙালীসকলৰ নৱবৰ্ষ সন্মিলন উপলক্ষে এটা কবিতা পঢ়া হয়। প্ৰথম কলিৰ শেষত লিখকে কৈছে : —

"স্বদেশে অথবা পৰবাসে তব ৰাখিতে উচ্চ শিৰ,
একতা বাঁধন বঙ্গ নিবাসী! উপায় জানিও স্থিৰ।"

ই অতি সঁচা কথা। ইয়াৰ লগে ২ ইয়াকো মনত ৰাখিব লাগে যে বঙ্গালীৰ ভিতৰত যেনেকৈ একতাৰ প্ৰয়োজন তেনেকৈ সমুদায় ভাৰতবাসীৰ মাজতো একতাৰ প্ৰয়োজন। নহলে বঙালীয়েও মুৰ ওপৰলৈ দাঙি ৰাখিব নোৱাৰে, বিহাৰী, হিন্দুস্থানী, পঞ্জাবী কোনেও মুৰ তুলি থাকিব নোৱাৰে; এইটো এটা পুৰণি কথা ; কিন্তু মনত ৰাখিব লগীয়া কথা। এই কথা স্বদেশ-প্ৰেমিক বিহাৰ-প্ৰবাসী বঙালীসকলে যে কেতিয়াও নেপাহৰে তাত কোনো সন্দেহ নাই। এই বুলিও লিখকৰ তলত দিয়া কথাবোৰত ওলোৱা ভাব যে বহুতে হৃদয়ত পুহিছে এই কথাও মুই কৰিব নোৱাৰি :—



যেথা হৃদয়ে গৰল, মুখেৰ মিলন,
কেন মোৰা তথা যাই ?
যেথা হিংসা কেবল প্ৰেম প্ৰতিদান,
নিজেৰে কৰিতে শুধু অপমান,
আপনাৰ জনে ফেলি' অবহেলে,
সেথা কি মোদেৰ ঠাঁই ?

• •

যাৰে কৰেছে মানুষ তোমাৰ শিক্ষা,
আজ কিনা চাও কৰিতে ভিক্ষা,
ছি ছি ভাই! তাৰ কৃপাৰ বিন্দু
তোমাৰ সকল কাজে ?

ওপৰত লিখা কথাৰ সমালোচনা কৰি বঙালীসকলৰ মাহেকীয়া কাকত "প্ৰবাসীয়ে" কৈছে :—"বাঙ্গালীৰা বাঙ্গালাৰ বাহিৰে যে যে প্ৰদেশে বসবাস কৰিয়াছেন তথায় অল্পাধিক পৰিমাণে তথাকাৰ প্ৰাচীনতৰ অধিবাসীদেৰ সঙ্গে তাঁহাদেৰ প্ৰতিযোগিতা আছে। তজ্জন্য মনোমালিন্যও আছে। • • অপ্ৰেম দূৰ কৰিবাৰ একমাত্ৰ উপায় প্ৰেম। যদি প্ৰেমেৰ প্ৰতিদান স্বৰূপ কেহ বাস্তবিকই হিংসা কৰে সে অৱস্থাতেও প্ৰেমই একমাত্ৰ অবলম্বনীয় উপায়। প্ৰেমিকেৰ প্ৰেমেৰ জয় হইবেই হইবে। • • বিহাৰী মাত্ৰেৰই "হৃদয়ে গৰল মুখেৰ মিলন" ইহা মনে কৰিলে বড় বেশী ভুল কৰা হইবে। কেবল বাঙ্গালীই বাঙ্গালীৰ "আপনাৰ জন" এবং বিহাৰীই বিহাৰীৰ "আপনাৰ জন" এৰূপ মনে কৰা উচিত নয়, এবং ইহা সত্য ও নয়। বাঙ্গালীও বাঙ্গালীৰ শত্ৰুতা কৰে, বিহাৰীও বিহাৰীৰ শত্ৰুতা কৰে। কিন্তু তা বলিয়া বাঙ্গালী মাত্ৰকেই বাঙ্গালী পৰ ভাবে না, বা বিহাৰী মাত্ৰকেই বিহাৰী পৰ ভাবে না। অতএব অনেকগুলি বিহাৰী ও বাঙ্গালীৰ মধ্যে অসদ্ভাব থাকিলেও সমুদয় বাঙ্গালী ও বিহাৰী পৰস্পৰকে পৰ মনে কৰিবে কেন ?

'যাৰে কৰেছে মানুষ তোমাৰ শিক্ষা" ইত্যাদি কথাগুলিতে বড় বেসী অহঙ্কাৰ এবং বিহাৰীদেৰ প্ৰতি অবজ্ঞা প্ৰকাশ পাইতেছে। এৰূপ অহংকাৰ ও অবজ্ঞা হৃদয়ে থাকা বড় দুৰ্লক্ষণ। এৰূপ অহঙ্কাৰেৰ কোন কাৰণ আছে

বলিয়াও মনে হয় না। আমৰা বাঙ্গালীৰা বিহাৰে ও অন্য নানা প্ৰদেশে শিক্ষকতা কৰিয়া আসিতেছি, কিন্তু সৰ্ব্বত্ৰই আমৰা বেতন পাইয়া আসিতেছি। বিহাৰে বাঙ্গালীৰা কোথাও ২ স্কুল স্থাপনা কৰিয়াছেন। কিন্তু তাহাতে সাধাৰণতঃ আৰ্থিক লাভ হইয়াছে অন্ততঃ লোকসান হয় নাই। • • ইংৰাজেৰা বহু বৎসৰ ধৰিয়া আমাদেৰ শিক্ষকতা কৰিয়া আসিতেছেন। কেহ ২ সম্পূৰ্ণ নিঃস্বাৰ্থ ভাবেও শিক্ষা দিয়াছেন। কিন্তু তথাপি ইংৰাজেৰা যদি আমাদিগকে অবজ্ঞা কৰেন, তাহা কি আমাদেৰ ভাল লাগিবে ?

বিহাৰ নামটীতেই বিহাৰ ও বিহাৰীদেৰ গৌৰব সূচিত হইতেছে। বুদ্ধদেৰ ও অশোককে ভাৰতবাসী মাত্ৰেই আপনাৰ জন বলিয়া গৌৰব কৰেন। বিহাৰীদেৰ এই গৌৰবে যতটা দাবী আছে, অন্য কোন প্ৰদেশেৰ লোকদেৰ ততটা নাই। মুসলমান ৰাজত্ব কালে শেৰ শাহেৰ চেয়ে বীৰ ও ৰাজনীতিজ্ঞ কয়জন বাদসাহ জন্মিয়াছিলেন ? সেই সেৰসাহ বিহাৰী। বিহাৰেই তাহাৰ সমাধি মন্দিৰ ৰহিয়াছে। আমৰা অধুনা লেখা পড়ায় একটু অগ্ৰসৰ হইয়াছি বটে। কিন্তু সুযোগ পাইলে বিহাৰীও অগ্ৰসৰ হইবে। আমি এলাহাবাদে বহু বৎসৰ বিহাৰী, বাঙ্গালী, হিন্দুস্থানী মৰাঠা প্ৰভৃতি, নানা ভাষা ভাষী ছাত্ৰে পড়াইয়াছি। শাৰীৰিক বা মানসিক শক্তিতে কোন প্ৰদেশেৰ সমুদয় লোক মোটেৰ ওপৰ অন্য কোন প্ৰদেশেৰ লোকেৰ চেয়ে হীন, এমন ধাৰণা জন্মে নাই।

শুনা যায় আৰ সকল প্ৰদেশেৰ লোকদেৰ ধাৰণা বাঙ্গালীৰা বৰ অহঙ্কাৰী ও অমিশুক। ইহা সত্য কি না জানি না। কিন্তু আমাদেৰ সাবধান হওয়া উচিত। যে ডালে যত ফল ধৰে তাহা তত নম্ৰ। আমাদেৰ যদি বেশী গুণ থাকে তাহা হইলে আমাদেৰ নম্ৰ হওয়াই উচিত।

কবে কখন্ কোন্ ইংৰেজ ভীৰু বলিয়া বাঙ্গালীৰ অবজ্ঞা কৰিয়াছিল, বাঙ্গালীৰা এখনও তাহাদিগকে ক্ষমা কৰিতে পাৰেন নাই। অবজ্ঞা কেমন মিষ্ট লাগে তাহা জানিয়াও কি আমৰা অপৰকে অবজ্ঞা কৰিব ?" এইবিলাক কথা আসামত থাই বৈ পোহ পাল যোৱা বঙালীসকলে বেছকৈ note কৰি লোৱা উচিত।

---



# সঁচাকথা অমৰ।

প্ৰাচ্যবিদ্যাৰ্ণৱ শ্ৰীযুত নগেন্দ্ৰনাথ বসুৰে সৈতে ঢাকাৰ ইতিহাস প্ৰণেতা শ্ৰীযুক্ত যতীন্দ্ৰমোহন ৰায়ৰ "বিক্ৰমপুৰ কত ?" এই প্ৰশ্ন লৈ তৰ্ক লাগিছে,—"সাহিত্য-পৰিষৎ-পত্ৰিকাৰ" (দ্বাবিংশ ভাগ প্ৰথম সংখ্যা) এঠাইৰপৰা তাৰ দুশাৰীমান আমি তুলি দিবৰ লোভ সামৰিব নোৱাৰিলোঁ। নগেন্দ্ৰ বাবুৱে লেখিছে—"আমি চিৰদিন সত্যাবিষ্কাৰেৰ ভিখাৰী। নূতন নূতন তত্ত্বাবিষ্কাৰেৰ ফলে আমাদেৰ ভ্ৰান্ত বিশ্বাস পৰিবৰ্ত্তন কৰিতে হইবে, ভ্ৰান্ত ধাৰণা পোষণ কৰিয়া ৰাখিলে চলিবেনা।"

ইয়াৰ পিছত এঠাইত—"তিনিই (যতীন্দ্ৰ বাবুৱে) প্ৰমাণ কৰিয়াছেন যে, ঢাকা জেলাৰ উত্তৰাংশ বা অধিকাংশ প্ৰাগ্‌জ্যোতিষ বা কামৰূপেৰ অন্তৰ্গত ছিল। (৫ পৃ)। বঙ্গাধিপ বৰ্ম্ম ও সেন বংশেৰ অধিকাৰভুক্ত হইলে পৰ ঢাকা জেলা বা সমতট প্ৰদেশ পূৰ্ব্ববঙ্গ বলিয়া পৰিচিত হইয়াছিল। সুতৰাং ইচিং, বৰাহমিহিৰ ও যতীন্দ্ৰবাবুৰ গ্ৰন্থ হইতেই বুঝিতেছি যে এখন যাহাকে পূৰ্ব্ববঙ্গ বলে, তাহা প্ৰাচীন সমতত বা প্ৰাগ্‌জ্যোতিষেৰ অন্তৰ্গত ছিল, হৰিকেল বা প্ৰাচীন বঙ্গ উহা হইতে ভিন্ন।"

শেহত—"ৰামচৰিতেৰ প্ৰাগ্‌দেশীয় বৰ্ম্ম নৃপতিকে বঙ্গাধিপ ভোজবৰ্ম্মা বলিয়া কখনই স্বীকাৰ কৰা যায়না। পৌণ্ড্ৰবৰ্দ্ধন বা ৰামাৱতীৰ পূৰ্ব্বে তৎকালে প্ৰাগ্‌জ্যোতিষ ৰাজ্যই ছিল, সমতট বা বঙ্গ ছিলনা। আমাৰ কথাৰ প্ৰতিবাদ সূত্ৰে যতীন্দ্ৰবাবু যাহাই বলুন, তিনি তাহাৰ ঢাকাৰ ইতিহাসে নিজেই স্বীকাৰ কৰিয়া গিয়াছেন (ঢা, ই, ৫, পৃষ্ঠা)। বলা বাহুল্য প্ৰাগ্‌জ্যোতিষেৰ বৰ্ম্ম নৃপতিই ৰামচৰিতকাৰেৰ লক্ষ্য।"

আমাৰ অসমীয়া পুথিবোৰ আত্মসাৎ কৰা বা কৰিব খোজা বঙ্গসাহিত্যিকসকলক আমি কৈ থওঁ যে "শূন্য পুৰাণৰ" পৰা আৰম্ভ কৰি, "বিজয় পণ্ডিতেৰ মহাভাৰত" "ছুটিখানেৰ মহাভাৰত" ইত্যাদি অসমীয়া পুথিবোৰ তেওঁলোকে আমাক ওভোতাই দিবলৈ সাজু হবৰ হল। কিজানি তেওঁলোকৰ গৱেষণা আলোচনা আৰু বিচাৰৰ ফলতে কালক্ৰমত তেওঁলোকৰ ঠেক ছিগিব ; এতিয়া আমাক নিশকতীয়া পাই তেওঁলোকে যিমানকে "জোৰ যাৰ মলুক তাৰ" চলাই

থাওক। আমাৰ বন্ধু শ্ৰদ্ধাস্পদ পণ্ডিত বিদ্যাবিনোদ মহাশয়কো এই কথা আমি হুচাই থওঁ যে, তেওঁ যিমানকে অসমীয়াৰপৰা “ফাৰুকৎ” হৈ থাকক, কিজানি শেহত তেওঁৰ পাণ্ডিত্য, বিদ্যা, বুদ্ধি, সোপাকে আমাৰ অসমীয়াৰ বুলি আমি “দাবি” কৰি আমাক গৌৰবান্বিত কৰিবলৈ পাম বুলি আমাৰ বিশ্বাস। আমাৰ বাকখোৱা ডাভৰীয়াই অলপতে চিলঠৰ গাটো অলপ খজুৱাই দিলতে ওপৰৰ বিদেশী মাখি-ছাল ছিগি আগৰ ডাঠ অসমীয়া ছাল থন ওলাব খুজিছিল। আমি এতিয়াও পাহৰা নাই যে অসমীয়া চিলঠীয়া জগন্নাথ মিশ্ৰ বঙ্গৰ সৰ্ব্বস্ব চৈতন্যদেৱৰ দেউতাক। আমাৰ মাটিত তেওঁলোকে এতিয়া বিতোপন বংঘৰ, কাবেংখৰ সাজি থাওক, আমাৰ আপত্তি নাই, কিন্তু পটাৰ মিয়াদ উকলিলেই সেইবোৰ কিজানি আমাৰ হব;—সেইদেখি তেওঁলোকৰ পৰিশ্ৰমৰ ফলত আমাৰ আনন্দহে। শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# মেঘৰপ্ৰতি বিৰহী যক্ষ।

শুভ সম্ভাষণ মোৰ নৱজলধৰ!
প্ৰিয়া-বিৰহ-কাতৰ কুবেৰানুচৰ
যক্ষ মই। হায় কিনো দুঃসহ বেদনা!
বন্ধু তুমি, সাধু তুমি, তোমাৰ করুণা
মাগিছোঁহে সকাতৰে। বিৰহিণী প্ৰিয়া
মোৰ আছে অলকাত; যদি আনি দিয়া
কুশল বাৰতা? হায়! প্ৰিয়া অশ্ৰুজল-
পূৰ্ণ কিবা অলকাৰ মণিহৰ্ম্ম্যতল!
কৃষ্ণপক্ষ জোনৰবে প্ৰিয়া কিবা মোৰ
জহিব লাগিছে ক্ৰমে! ই বিৰহ ঘোৰ
কিৰূপে সহিব হায়! খন্তেক আঁতৰে
ভূলুণ্ঠিতা প্ৰিয়া মোৰ বিৰহ কাতৰে;
সুদীৰ্ঘ বৰষ এক এই অদৰ্শন
কিমতে সহিব হায়! তুমি মহাজন
পৰহিত-ব্ৰতধাৰী; তৱ অনুগ্ৰহ-
শান্তি-পানী ঢালা, হায়! যাতনা দুঃসহ।

শ্ৰীসিংহদত্তদেৱ অধিকাৰী।



# জীৱন-মৰণ।

( From the Countess of Blessington. )

তুমি কি জীৱন?—
চিন্তা বিষাদৰ তুমি অবিশ্ৰান্ত ৰণ,
দীঘলীয়া যাতনা-জঞ্জাল,
খন্তেকীয়া সুখময় কাল,
কালি পুনু অতীতৰ কোলাত মগন!

তুমি কি মৰণ?—
ভাগৰৰ অন্তে তুমি শান্তিৰ শয়ন,
মহাবলী যুঁজাৰু নৃপতি
আজীৱন দুখী বন্দী বেটী
সকলোৱে বেঢ়ি ধৰে তোমাৰ চৰণ।
অনাথৰ অন্তিম লগৰী,
চিন্তা শোক পৰাজয় কৰি
শ্মশানত কৰা নিজ সাম্ৰাজ্য থাপন।
আঁতৰিলে এটি দুটিকই
অন্তৰৰ সুখ আশা লই
জীৱনৰ লগৰীয়া হৃদয়ৰ ধন,
চিৰদুখ আঁতৰাই থই
মৰমেৰে আৱেৰেখেকই
দিয়া নিজ সুকোমল কোলাত শয়ন;
তোমাৰ সি নিচুকনি পাই
শেষ বাৰ সংসাৰক চাই
অন্তিমৰ আবেশত মুদে দুনয়ন!

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# অনৰেবোল মাণিকচন্দ্ৰ বৰুৱা।

আসাম-আকাশৰপৰা এটি উজ্জ্বল তৰা খহিল। ৭ চেপ্টেম্বৰ তাৰিখে পুৱা ৬—৩০ বজাত মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ ৬৪ বছৰ বয়সত দেহান্তৰ ঘটিল। আসামে এটি সুপুত্ৰ হেৰুৱালে! এই শাৰীৰ পোহৰ তৰা যিকেইটি খহিছে তেওঁলোকৰ ঠাই আৰু পূৰ হোৱা নাই। আনন্দৰাম ঢেকিয়ালফুকন, আনন্দৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, জগন্নাথ বৰুৱাৰ ঠাই আজিও খালি! দুখুনী আসামৰ দুখীয়া কপালেই এনে। আজি অনৰেবোল মাণিকচন্দ্ৰ বৰুৱাক হেৰুৱাই আমাৰ অন্তৰ শোকত দগ্ধ হৈছে, আমি আৰু সৰহ একো কব নোৱাৰোঁ। মাথোন ইয়াকে কওঁ—যে আমাৰ যিটি যায়, সেইটিৰ সমনীয়া সতকাই আৰু পোৱা নাযায়। একালত মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়া অসমীয়াৰ ভিতৰত ব্যৱসায় বাণিজ্যত আৰু ধন-সম্পত্তিত অদ্বিতীয় আছিল। কিন্তু লক্ষ্মী সদায় চঞ্চলা, লক্ষ্মীৰ প্ৰসাদৰপৰা পিছত অনেক পৰিমাণে তেখেত বঞ্চিত হৈ সৰস্বতীৰ শৰণাপন্ন হৈ আসাম আইৰ সেৱাত তেখেতৰ শেষ জীৱন তেখেতে নিয়োজিত কৰিছিল। দেশৰ হিতৰ হিচাপত তেখেতৰ এই ৫।৩০ বছৰৰ জীৱন আৰু বিমল সুখ্যাতিৰ হিচাপত সেইদেখি তেখেতৰ নিজৰ শাৰীৰিক সুখ সৰহ মূল্যবান। আগৰ ডোখৰ ঘাইকৈ তেখেতৰ সম্পদ আৰু তেখেতৰ উপাসকসকলৰ সুখ সম্পদৰ দিন আছিল; পিছৰ ডোখৰ ঘাইকৈ তেখেতৰ ত্যাগৰ দিন আৰু পৰোপকাৰ আৰু দেশহিতৈষণাৰ দিন হল, সেইদেখি এই ডোখৰৰ মোল আমাৰ আসামৰ নিমিত্তে বেছি। পিছৰ ডোখৰ তেখেত লোকৰ নিমিত্তে জীছিল—lived for others —"পৰাৰ্থে প্ৰাজ্ঞ উৎসৃজেৎ"। বৰুৱা ডাঙৰীয়াৰ জীৱন বৃক্ষৰ সুস্বাদ ফল অসমীয়াই লাভ কৰি আজি তেওঁৰ স্মৃতিৰ ওচৰত কৃতজ্ঞতা জনাইছে আৰু ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি কৈছে— হে প্ৰভু! বৰুৱা ডাঙৰীয়াৰ এই ডোখৰ জীৱন যেন আমাৰ জীৱনৰ আকাশ-বঁতি হয়।

সম্পাদক।

---



# "আদিচৰিত্ৰ"ত অনিৰুদ্ধদেৱ।

এই বছৰৰ শাওণ মাহৰ বাঁহীৰ ৫০০ পিঠিত "আশঙ্কা" নামৰ প্ৰবন্ধত ৺অনিৰুদ্ধক শ্ৰীশ্ৰীশঙ্কৰদেৱে পানীৰ মাজতে মেঘ আৰাধনা কৰা বাবে পৰিত্যাগ কৰিলে লিখিছে। সেই প্ৰবন্ধটি আমাৰ অনেক দিনীয়া প্ৰিয়তম বন্ধু বিজ্ঞবৰ শ্ৰীযুত দ্বাৰিকানাথ গোস্বামী মহোদয়ৰ নামত লিখা; "ঘোষাৰত্ন" পুথিৰ বিষয়ে বিশেষ কথাৰ মাজত উদাহৰণ স্বৰূপে উপৰোক্ত কথাটি প্ৰকাশ পাইছে।

আমি এইটো স্পষ্ট জানো যে আমাৰ জনা ৺অনিৰুদ্ধদেৱক ৺শঙ্কৰদেৱে পৰিত্যাগ কৰা নাই আৰু মহাপুৰুষ ৺শঙ্কৰদেৱৰ চৰিত্ৰ আদিতো মহাপুৰুষ ৺অনিৰুদ্ধদেৱক পৰিত্যাগ কৰা পোৱা নাই। আৰু আন আন চৰিত্ৰ পুথিতো সমুলি নাই। থকা হলে অৱশ্যে এখনত নহয় এখনত লিখিলেহেঁতেন। কেৱল "আদি চৰিত্ৰত" হে পোৱা গৈছে। আন কি আপোনাৰ দ্বাৰাই সঙ্কলিত 'শঙ্কৰদেৱ মাধৱদেৱতো' পোৱা নাই। "আদিচৰিত্ৰ" ভিন্ন অন্য কোনো পুথিতেই নাই। আদিচৰিত্ৰত ৺শঙ্কৰদেৱৰে ৺অনিৰুদ্ধৰে একে বংশ বুলি আছে। কিন্তু আমাৰ ৺অনিৰুদ্ধদেৱৰ তো উপৰিপুৰুষসকল বেলেগ। ইত্যাদি অনেক কথাৰ অমিল দেখা যায়। "আদি চৰিত্ৰৰ" গুৰু চৰিত্ৰেৰে ৺শঙ্কৰদেৱৰ বৃত্তান্ত অলপো নিমিলে, উপৰি পুৰুষৰ বিৱৰণো নিমিলে। সেই আদিচৰিত্ৰ ৰচক শ্ৰীশ্ৰী৺মাধৱদেৱ পুৰুষ বুলি লেখা আছে! সেই পুথিখন আজিকালি ছাপা হৈ ওলাইছে। "ধলৰ সত্ৰৰ শ্ৰীযুক্ত তীৰ্থনাথ গোস্বামীৰ দ্বাৰা সংশোধিত হৈ॥ ৺মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ দ্বাৰা ৰচিত।" বাস্তৱিক কোনবা স্বাৰ্থসাধন তৎপৰ আত্মগৌৰৱাভিমানী মাধৱহে যে সেইজন, মহাপুৰুষ মাধৱদেৱ নহয়, তাক ভালৰূপে সেই পুথিখনি চালেই বুজিব পাৰিব।

আৰু ছাপা কৰা এখন ছাপা নোহোৱা এখন এই দুখন পুথি হাতত লৈ বিবেচনা কৰিলে বুজিব পাৰিব, কিমান পৰিবৰ্ত্তন ছাপা হোৱাখনিত,—তাত কি উজ্জ্বলৰূপে শ্ৰীশ্ৰী৺শঙ্কৰদেৱে দিহিং সত্ৰ স্থাপন কৰিছে আৰু শ্ৰীশ্ৰী৺অনিৰুদ্ধদেৱে মটক উপাধি ধাৰণ কৰিছে লেখা আছে!! ইত্যাদি অনেক।

আমাৰ আদি পুৰুষ শ্ৰীশ্ৰী৺অনিৰুদ্ধদেৱ যিজন তেৰা সাক্ষাৎ ঈশ্বৰ সদৃশ লোক, তেনে মহন্তাচাৰহীন ৰীতিনীতিবৰ্জ্জিত লোক নহয় ই নিশ্চয়। এই বিষয় বাহুল্য লিখা আৱশ্যক নাই; সত্যংজয়তি সৰ্ব্বত্র সত্যে নাস্তিভয়ং কচ্ছিৎ ॥*

শ্ৰীউৎসৱানন্দ গোস্বামী।

---

## কিতাপ প্ৰাপ্তিস্বীকাৰ।

"উদ্বাহতত্ত্ব—বিবাহ বিচাৰঃ বা সম্বন্ধ—নিৰ্ণয়।" "ধলা সত্ৰৰ শ্ৰীতীৰ্থনাথ গোস্বামীৰ দ্বাৰাই ভাঙনি সংগৃহীত আৰু প্ৰকাশিত।" বেচ ধনে ।০ চাৰি অনা।

"লৱকুশ। পৌৰাণিক নাট।" ৰচোঁতা শ্ৰীযুত বলৰাম পাঠক। প্ৰকাশক শ্ৰীযুত হৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য, পোঃ, বিহাবাৰী, আসাম। বেচ তিনি সিকি।"

এই কিতাপ ২খন পাই গ্ৰন্থকৰ্ত্তা আৰু প্ৰকাশকসকলৰ শলাগ লৈছোঁ।

---

### কবিবৰ দ্বিজেন্দ্ৰলাল।

পদ্মপ্ৰায় প্ৰেমময় পবিত্ৰ প্ৰভাৱে
আলোকিছা আহি আজি আদৰে অৱনী।
ভাঙি ভাব ভাবময় ভাবুক ভাষাৰে
সঞ্চাৰিছা সংসাৰত সুধা সঞ্জীৱনী॥
কবিতাৰ কণ্ঠে কণ্ঠে কীৰ্ত্তি কবিবৰ।
বিৰাজিছে বসুধাত বিনন্দ বঙ্গৰ॥

শ্ৰীলক্ষ্মীনাথ ফুকন।

---

* "আদি চৰিত্ৰ" পুথি যে মহাপুৰুষ মাধৱদেৱৰ ৰচিত নহয়; সতিকে তেওঁৰ নামত কোনোবাই স্বাৰ্থ সিদ্ধিৰ নিমিত্তে লিখিছে, সেই কথা আমি আমাৰ "মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱ" কিতাপত লেখিছোঁ, পুনৰুল্লেখ নিষ্প্ৰয়োজন। আসামত "জাল" পুথিৰ দৌৰাত্ম্য যে বেছি, সেইটো আমি জানো। কিন্তু সত্য-সূৰ্য্যৰ পোহৰৰ আগত সেইবোৰ কুৰ্ব্বলিৰ ধন্তেকীয়া জীৱন—সম্পাদক।

## সৰু ল'ৰাৰ গীত।

[ তেজপুৰ হাইস্কুলৰ ১৯১৫ চনৰ শিক্ষক আৰু অভিভাৱকৰ সন্মিলনীত কেইজনমান সৰু ল'ৰাই পাঠ কৰিছিল। ]

১

পুৱাৰ কিৰণ, মৃদু সমীৰণ,
পুষ্পৰ সুগন্ধ, পক্ষীৰ কূজন,
সৰগ-সুলভ সুখৰ সপোন
লগ লৈ আমি আহিছোঁ হেৰা।
( আমি ) নামিছোঁ পৃথিৱী, ত্ৰিদিবৰ কবি; –
মৰ্ত্ত্যত উদ্দাম সৌন্দৰ্য্যৰ ৰবি,
স্বৰ্গীয় ৰহণে বস্ত্ৰি ধৰা।
আমি সৰুলৰা, আমি দেওল'ৰা,
আমি সৰুলৰা আমি স্বৰ্গৰ তৰা,
আমি নামিছোঁ পৃথিৱী স্বৰ্গৰপৰা।

২

আমি সৰুলোটি সৰগৰ জ্যোতি;—
প্ৰকাশি পৃথিৱী, যাম উটি উটি,
মোহ অবিদ্যাৰ টুটাম শকতি,—
নাথাকিব তাৰ ঢাকনি ভৰা।
ত্ৰিদশ লোকৰ জ্ঞানৰ পোহৰ
মেলি, নিলগাম তিমিৰ মোহৰ,—
জগত সত্যৰ চাপিব ওচৰ,—
দেখিব দ'লৰ ওখ চূড়া।
আমি সৰুল'ৰা আমি দেওলৰা,
আমি সৰুলৰা, আমি স্বৰ্গৰ তৰা,
আমি পোহৰাব লাগে বসুন্ধৰা।

৩

( আমি ) আহিছোঁ নিযুত সৰগৰ দূত;—
এতিয়াও হেনো ৰইছে বহুত
ৰোগ, শোক, তাপ, অপাৰ অদ্ভুত,
মানৱী জীৱন জুৰি ধৰা।

( আমি ) দুখ-বিঘিনিৰ যত লাম-ভাম
কাটি, মোকোলাম ৰবগৰ পাম,
চকু ৰোৱাকই এৰি থই যাম,
—কল্যান-ৰ'দৰ কাচলি ভৰা।
আমি সকল'ৰা, আমি দেওল'ৰা,
আমি সকলৰা, আমি স্বৰ্গৰ তৰা,
আমি আনিছোঁ বাতৰি সুখ-ভৰা।

৪

মানুহৰ যত হিংসা, বৈৰ, জেদ্
গুচাম, যতনা সংস্কাৰৰ মেদ,
ভাতৃ ভেদাভেদ—জনমৰ খেদ —
যাব এৰি এই বসুন্ধৰা।
"ছেই, ছেই, ছেই" নেথাকিব দেই,
আহিব সকলো আপোনাৰ হই,
'ভাই' 'ভাই' বুলি কাষ চাপি গ'ই,
ৰচিব প্ৰীতিৰ বহ্-ঘৰা।
আমি সকুলৰা, আমি দেওলৰা,
আমি সকলৰা, আমি স্বৰ্গৰ তৰা,
আমি আনিছোঁ অমৃতয় একোধাৰা।

৫

( এই ) পৃথিবীত আমি পাতিম স্বৰগ,
মানুহত উঠিব দেৱতাৰ ঠগ,
অজ্ঞান আন্ধাৰ সইতে নিলগ
হবগৈ দৈন্য, দুখ, জৰা।
সৰগ-সৌন্দৰ্য্য পুষ্প পাৰিজাত,
জ্ঞান কল্পতৰু—দেৱলোকখ্যাত —
নন্দন বনত দেখিবা ইয়াত,
—ৰ'ৰ প্ৰেম মন্দাকিনী ধাৰা।
আমি সকলৰা, আমি দেওলৰা,
আমি সকলৰা, আমি স্বৰ্গৰ তৰা,
আমাৰ পিতৃ স্বৰ্গ, আমাৰ মাতৃ ধৰা।

শ্ৰীসৰ্ব্বেশ্বৰ বৰুৱা।

---